
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰৰ মুখপত্ৰ ঃ ২০২৬

# ডায়েট কলিং




সম্পাদিকা

মনালিছা সোণোৱাল






## 'ডায়েট কলিং ঃ ২০২৬'ৰ সম্পাদনা সমিতি



*(বাওঁফালৰ পৰা ক্ৰমে)* কবিতা বৰুৱা, কৰবী ফুকন, মনালিছা সোণোৱাল (সম্পাদিকা) শ্ৰীযুত অনন্ত গগৈ (অধ্যক্ষ), মাখন শইকীয়া, কৌশিক কৃষ্ণ দত্ত, এম কুমাৰ শ্ৰেষ্ঠ, *(শেষাংশত)* বিষ্ণুপ্ৰিয়া গগৈ, অৰূপজ্যোতি কলিতা।



'ডায়েট সপ্তাহ'ৰ আৰম্ভণী অনুষ্ঠানত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াদেৱক সম্বৰ্দ্ধনা জনোৱাৰ এটি মুহূৰ্ত......।

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰৰ মুখপত্ৰ

# ডায়েট কলিং

২০২৬ চন

*সম্পাদিকা ঃ* ***মনালিছা সোণোৱাল***

---

***প্ৰতি,***

.............................................................................................................

............................................................................................................. *লৈ*

*আন্তৰিক শ্ৰদ্ধাৰে* 'ডায়েট কলিং' *আগবঢ়োৱা হ'ল।*

*সম্পাদনা সমিতিৰ হৈ —*

..................................................

**ডায়েট কলিং** ঃ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰৰ
মুখপত্ৰ ঃ **২০২৬** চন

প্ৰকাশক ঃ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট
তিতাবৰ

প্ৰকাশ কাল ঃ **৬** জুন, **২০২৬** খ্ৰীষ্টাব্দ

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| **উপদেষ্টা** | ঃ | শ্ৰীযুত অনন্ত গগৈ, *অধ্যক্ষ, 'ডায়েট', যোৰহাট, তিতাবৰ* |
| **সভানেত্ৰী** | ঃ | শ্ৰীযুতা কৃষ্ণা দত্ত ডেকা, *জ্যেষ্ঠ প্ৰৱক্তা* |
| **সম্পাদিকা** | ঃ | মনালিছা সোণোৱাল |
| **সহঃ সম্পাদিকা** | ঃ | কবিতা বৰুৱা |
| **সদস্য/সদস্যা** | ঃ | মাখন শইকীয়া<br>কৌশিক কৃষ্ণণ দত্ত<br>কৰবী ফুকন<br>বিষ্ণুপ্ৰিয়া গগৈ<br>অৰূপজ্যোতি কলিতা |

বেটুপাত অংকন ঃ এম কুমাৰ শ্ৰেষ্ঠ

**ঃ ছপাশাল ঃ**
**তিতাবৰ অফছেট প্ৰিণ্টাৰ্ছ**
বিবিজান তিনি-আলি, তিতাবৰ (অসম)
7002051534, 9954479463

# শ্ৰদ্ধাঞ্জলি



*“মই যদি ঈশ্বৰ হ’লোহেঁতেন*
*আজিৰ মানুহ সৃষ্টি কৰা বন্ধ কৰি দিলোহেঁতেন*
*নতুনকৈ সৃষ্টি কৰিলোহেঁতেন*
*আৰু এবিধ মানুহৰ দৰে জন্তু,*
*যি মাৰি কাটি খাই বৈ শুই জীয়াই নাথাকি*
*আৰু বহুত কিবাকিবি কৰিলেহেঁতেন... ।।”*

অসম সম্পদ, প্ৰাণৰ শিল্পী
***জুবিন গাৰ্গ***ৰ কবিতা
**‘মেটামৰফ’ছিছ’**ৰ এই পংক্তিৰেই
***‘ডায়েট কলিং’ৰ*** তৰফৰ পৰা জনাইছোঁ আন্তৰিক
শ্ৰদ্ধাঞ্জলি।
তুমি য’তেই আছা, শান্তিত থাকা —
তোমাৰ স্মৃতি আমাৰ মাজত চিৰদিন জীয়াই থাকিব।

**— সম্পাদনা সমিতি —**
‘ডায়েট কলিং ঃ **২০২৬**’

# উছৰ্গা

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰ পৰা
যিসকল শিক্ষাগুৰু তথা কৰ্মচাৰী
এই ধুনীয়া ধৰণীখনি এৰি স্বৰ্গগামী হৈছে
তেখেতসকলৰ স্মৃতিত এই সংখ্যা
**‘ডায়েট কলিং’**
উছৰ্গা কৰা হ’ল।

— **সম্পাদনা সমিতি** —
‘ডায়েট কলিং ঃ **২০২৬**’

**শ্ৰীমতী বিপাঞ্চী দত্ত,** অঃঅঃসেঃ
***Smti Bipanchi Dutta,*** ACS
সম-জিলা আয়ুক্ত, তিতাবৰ সম-জিলা
Co-District Commissioner, Titabor
Ph - 8752063260
E-mail : cdc-titabor@asam.gov.in

# শুভেচ্ছা বাণী



**জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰৰ** পৰা প্ৰকাশিত বাৰ্ষিক আলোচনী প্ৰকাশৰ এই শুভক্ষণত মই আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত গুণগত উৎকৰ্ষ সাধন অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, তিতাবৰে শিক্ষক প্ৰশিক্ষণ, শিক্ষামূলক গৱেষণা আৰু সমাজমুখী কাৰ্যসূচীৰ জৰিয়তে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। আশা কৰোঁ, এই বাৰ্ষিক আলোচনী শিক্ষামূলক চিন্তা-চৰ্চাৰ এখন মূল্যবান মঞ্চ হিচাপে পৰিগণিত হ'ব।

মোৰ তৰফৰ পৰা বাৰ্ষিক আলোচনী **'ডায়েট কলিং'**ৰ সৰ্বাঙ্গীণ সফলতা কামনা কৰিলোঁ।

বিপাঞ্চী দত্ত

(**শ্ৰীমতী বিপাঞ্চী দত্ত,** অঃঅঃসেঃ)
সম-জিলা আয়ুক্ত
তিতাবৰ সম-জিলা

# শুভেচ্ছা বাণী



'জ্ঞানৰ পোহৰে আলোকিত হওক প্ৰতিজন শিক্ষাৰ্থীৰ জীৱন।'

অতি আনন্দ আৰু গৌৰৱেৰে জনাইছোঁ যে আমাৰ শিক্ষা প্ৰতিষ্ঠানৰ বাৰ্ষিক আলোচনী প্ৰকাশৰ এই শুভ মুহূৰ্তত সকলোকে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনাইছোঁ।

আজিৰ প্ৰতিযোগিতামূলক যুগত পাঠ্যপুথিৰ জ্ঞানৰ উপৰিও সৃজনশীলতা, আত্মবিশ্বাস আৰু প্ৰকাশভংগীৰ বিকাশ অতি প্ৰয়োজনীয়। এই আলোচনীখনে সেই লক্ষ্য পূৰণত এক উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

শুভেচ্ছাৰে —

**অনন্ত গগৈ**

*অধ্যক্ষ*

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট

তিতাবৰ

# MESSAGE



**It gives me great pleasure** to present this edition of our institutional magazine. This publication stands as a testimony to the creativity, innovation, and intellectual growth of our students and teachers. It reflects the vibrant learning culture that our institution strives to nurture in accordance with the vision of the National Education Policy (NEP) 2020.

NEP 2020 envisions an education system that develops not only academic excellence but also critical thinking, creativity, communication, collaboration, and ethical values. It emphasizes holistic and multidisciplinary learning, experiential pedagogy, and the cultivation of lifelong learners who can contribute meaningfully to society. This magazine embodies these aspirations by providing a platform for learners to express their ideas, experiences, talents, and aspirations.

The articles, poems, stories, reflections, artwork, and reports featured in this issue showcase the diverse abilities of our learners. Each contribution represents a unique voice and demonstrates the spirit of inquiry, innovation, and self-expression that lies at the heart of quality education. Such creative endeavors help learners develop confidence, communication skills, and a sense of responsibility towards their community and nation.

I sincerely congratulate the editorial board, teachers, and students whose dedication, hard work, and collaborative efforts have made this publication possible. Their commitment to excellence deserves special appreciation.

I hope this magazine will inspire all readers to dream boldly, think critically, and continue their pursuit of knowledge and wisdom. May it serve as a source of motivation and a record of our collective journey towards educational excellence and nation-building.

With best wishes for the continued success of this publication and all its contributors.

*Warm regards*

***Krishna Dutta Deka***
*Senior Lecturer cum Coordinator*
B.Ed Course
DIET Jorhat

June 1, 2026

# সূচীপত্ৰ


শ্ৰদ্ধাঞ্জলি ৩ | উছৰ্গা ৪
শুভেচ্ছা বাণী ৫–৭ | সম্পাদকীয় ৯–১০

**প্ৰবন্ধ ঃ**

- অসমত বসন্ত উৎসৱ — *ভোলানাথ শৰ্মা* ১১
- জাতি গঠনৰ অন্যতম কাৰক শিক্ষাগুৰু — *অৰুণ চন্দ্ৰ বৰুৱা* ১৫
- গুণগত শিক্ষা আৰু শিক্ষক — *অনুপমা বড়া চেতিয়া* ১৯
- পেছাদাৰী শিক্ষক, শিক্ষা আৰু ভাৰতৰ ভৱিষ্যত ঃ আশা আৰু প্ৰত্যাশা — *বিকাশ পেগু* ২১
- ইতিবাচকতা, মনৰ ইচ্ছা শক্তি আৰু যুৱ সমাজ ঃ বিশ্বব্ৰহ্মাণ্ডৰ শক্তি আৰু মানুহৰ আন্তঃসম্পৰ্ক — *বিষ্ণুপ্ৰিয়া গগৈ* ২৫
- Chat GPT আৰু শিক্ষা — *অংশুমান বৰুৱা* ২৮
- শিশুৰ সৰ্বাংগীন বিকাশত অভিভাৱক আৰু সমাজৰ দায়িত্ব — *তৰুণ সোণোৱাল* ২৯
- সাম্প্ৰতিক সময়ত বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা — *পম্পী নাথ* ৩০
- শিক্ষক-শিক্ষয়িত্ৰীসকল সমাজৰ চিৰনমস্য ব্যক্তি — *ৰঞ্জুমণি দুৱৰা* ৩২
- ইজৰাইল-পেলেষ্টাইনৰ আঁৰৰ যুদ্ধ ইতিহাস আৰু ইয়াৰ ৰাজনীতি — *নীহা বৰা* ৩৪
- পৰম্পৰাগত গীত-মাতত ঠেঙ্গাল-কছাৰী সমাজ জীৱনৰ প্ৰতিফলন — *মাখন শইকীয়া* ৩৬
- 'ডায়েট', যোৰহাট, তিতাবৰত বি.এড. প্ৰশিক্ষণৰ মিঠা অনুভৱ — *কবিতা বৰুৱা* ৪০
- সহজলভ্য বন দৰবৰ গুণ — *মুকুল চন্দ্ৰ মহন্ত* ৪১
- The Student Zen ঃ Why Meditation is your Secret Academic Weapon? — *Gaurav Gogoi* ৪৩
- Sports as a Successful Career for Students — *Queen Kumar Thengal* ৪৪
- Quiz — *Tonmoy Mahanta* ৪৭

**গল্প ঃ**

- জোনাক — *মানসী নেওগ* ৪৮

**কবিতা ঃ**

- চেতনাৰ আলোক ঃ মহাত্মা — *অৰূপজ্যোতি কলিতা* ৫২
- শেষ হ'ল নেকি তোমাৰ গান? — *মৃত্যুঞ্জয় বৰা* ৫২
- সাম্ভাব্য সূৰ্য্যৰ বাবে — *তৰালী চেতিয়া* ৫৩
- মেৰপাক — *অলিম্পিকা বৰা* ৫৩
- The Architects of Tomorrow — *Sangeeta Gogoi* ৫৪
- কৰোঁ নহ'লে ব'ল, আজি আমিও এক সমদল — *হিমাদ্ৰী তনয়া মহন্ত* ৫৫
- আত্মগাঁথা — *নমি চুতীয়া* ৫৫

List of Staff of DIET, Jorhat, Titabar ৫৬



## সম্পাদকীয় ঃ

**শিক্ষা ব্যৱস্থা সমাজৰ এক সামূহিক কৌশল,** যাৰ দ্বাৰা যিকোনো এখন পৈণত সমাজে সমাজৰ উঠি অহা যুৱক-যুৱতীসকলক তেওঁলোকৰ চৌপাশৰ সাংস্কৃতিক জগতখনত প্ৰচলিত মূল্যবোধ আৰু মানৰ সভ্যতাই লাভ কৰা কৃতকাৰ্যতাৰ বিষয়ে এক সম্যক জ্ঞান দিব পাৰে।

যেতিয়া দীৰ্ঘদিনীয়া সাধনা আৰু আশাশুধীয়া যত্নৰ ফলত শিক্ষা ব্যৱস্থাই এক স্থিৰতা লাভ কৰে তেতিয়া ই বৌদ্ধিক আৰু সাংস্কৃতিক দিশৰ সৰ্বোৎকৃষ্ট উপাদানসমূহ প্ৰতিফলন কৰা সমাজৰ শিৰৰ মুকুট যেন হৈ পৰে।

অসমৰ প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰশিক্ষণৰ বাবে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান - যোৰহাট, তিতাবৰ এটি অন্যতম গুৰুত্বপূৰ্ণ শিক্ষা প্ৰতিষ্ঠান। চৰকাৰী শিক্ষা প্ৰতিষ্ঠানখনি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে এটি অগ্ৰণী অনুষ্ঠান। অসমৰ বিভিন্ন ঠাইৰ মাধ্যমিক স্তৰৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলে এই অনুষ্ঠানলৈ প্ৰশিক্ষণ ল'বলৈ আহে।

এই ঐতিহাসিক অনুষ্ঠানটিয়ে কেৱল শিক্ষক প্ৰশিক্ষণৰ বাবেই নহয়, সমগ্ৰ অসমতে বৌদ্ধিক চিন্তাধাৰা বিকাশত অৱদান আগবঢ়াই গৈছে, লগতে তিতাবৰৰ শৈক্ষিক পৰিৱেশলৈ বিশেষ বৰঙণি আগবঢ়াইছে।

এনে শিক্ষানুষ্ঠানসমূহে সকলো অঞ্চলতে এক বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দুয়োটা পৰিৱেশৰ সৃষ্টি কৰে। অৰ্থাৎ সৃষ্টিশীলতাৰ এক জীৱন্ত প্ৰতীক ৰূপে স্থিতি লাভ কৰে। এনে প্ৰতিষ্ঠানসমূহে বিভিন্ন দিশত কিছুমান গুণী-জ্ঞানী উপযুক্ত মানুহ সৃষ্টি কৰাই নহয়, এখন সু-শৃংখল সমাজ গঠনত যথেষ্ট অৱদান আগবঢ়ায়। আমি আশা ৰাখিছোঁ, আধুনিক শিক্ষাৰ উত্তৰণত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান - যোৰহাট, তিতাবৰ শিক্ষক গঢ়ি তোলাৰ ক্ষেত্ৰত অসমৰ ভিতৰতে জাকতজিলিকা হৈ সকলোৰে আশাৰ থলী হৈ ৰ'ব।

মোৰ অশেষ সীমাবদ্ধতা স্বত্বেও স্মৃতিগ্ৰন্থ **‘ডায়েট কলিং’**ৰ সম্পাদনাৰ দায়িত্ব এই অভাজনৰ ওপৰত ন্যস্ত কৰি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান - যোৰহাট, তিতাবৰৰ সমন্বয়ক তথা জ্যেষ্ঠ প্ৰৱক্তা শ্ৰদ্ধাৰ কৃষ্ণা দত্ত ডেকা বাইদেৱে যি অস্থা দেখুৱালে তাৰবাবে বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ’ম।

আমাৰ অনুৰোধ ৰক্ষা কৰি যিসকল বিশিষ্ট ব্যক্তি আৰু প্ৰশিক্ষাৰ্থীয়ে একোটিকৈ শুভেচ্ছা-বাণী আৰু লেখা আগবঢ়ালে আৰু আমাক অনুপ্ৰাণিত কৰিলে তাৰ বাবে তেখেতসকলৰ ওচৰত আন্তৰিকতাৰে শ্ৰদ্ধা, কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

সকলো সময়তে বিভিন্ন দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়াই স্মৃতিগ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তাৰ বাবে সম্পাদনা সমিতিৰ প্ৰতিজন বিষয়ববীয়া আৰু সদস্যক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

অতি কম দিনৰ ভিতৰতে **‘ডায়েট কলিং’** প্ৰকাশ কৰিবলগীয়া হোৱাত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পাঠকবৃন্দৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে মাৰ্জনা বিচাৰিছোঁ।

নিৰ্দিষ্ট সময়ত প্ৰকাশ কৰি স্মৃতিগ্ৰন্থখনি আমাৰ হাতত তুলি দিয়া বাবে তিতাবৰ অফছেট প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীলৈবৃন্দলৈ শলাগ জনালোঁ।

শেষত পাঠক সমাজে অতি সহৃদয়তাৰে **‘ডায়েট-কলিং’** আদৰি ল’ব বুলি আশা কৰিলোঁ।

*মনালিছা সোণোৱাল*<br>
সম্পাদিকা<br>
**‘ডায়েট কলিং’**

# অসমত বসন্ত উৎসৱ

✍ *ভোলানাথ শৰ্মা*, এম.এ., বি.টি.
*অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ,* মিহিৰাম শইকীয়া উঃ মাঃ বিদ্যালয়
*প্ৰাক্তন সভাপতি,* তিতাবৰ সাহিত্য সভা

**বিভিন্ন ঋতুত প্ৰকৃতিয়ে ন-ন ৰূপত সজ্জিত হৈ ভিন্ন ৰূপ ধাৰণ কৰে।** গ্ৰীষ্ম, বৰ্ষা, শৰত, হেমন্ত, শীত, বসন্ত — এই ছয় ঋতু। ঋতুৰাজ বসন্ত আৰু ঋতুৰাণী শৰত। অসমত বসন্ত কাল – ফাগুন আৰু চ'ত। ব'হাগৰ দহ-পোন্ধৰ তাৰিখলৈকে অৱশ্যে বসন্তৰ ৰং-ৰূপ বিদ্যমান।

অসমত অতীতৰ পৰা অনেক জাতি-উপজাতি, জনজাতীয় জনগোষ্ঠীয় লোকে বসবাস কৰি আহিছে। প্ৰত্যেক জনগোষ্ঠীৰ নিজা-নিজা কলা-কৃষ্টি-সংস্কৃতি আছে। সকলোৰে সমন্বয়ত বৃহৎ অসমীয়া মহাজাতি আৰু বৈচিত্ৰ্যময় অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। উৎসৱ-পাৰ্বনত কলা-কৃষ্টি-সংস্কৃতিৰ প্ৰকাশ ঘটে।

বসন্ত কাল অহাৰ লগে-লগে অসমী আই ৰূপৱতী হৈ উঠে। তৰু-তৃণ, জীৱ-জন্তু, জান-জুৰি, নদ-নদী, পৰ্বত-পাহাৰ সকলোৱে বিনন্দীয়া ৰূপত উজলি উঠে। তগৰ, নাহৰ, কপৌ, কেতেকী, চম্পা, তৰুৱাকদম আদি ফুলৰ গন্ধই চৌদিশ আমোল-মোলাই তোলে। কুলি, কেতেকী, হেঁটুলুকা, কপৌ, ডাউক আদিৰ কাকলি-কুজনে মানুহৰ মন মতলীয়া কৰি তোলে। এনে এটা প্ৰাকৃতিক পৰিৱেশতেই অসমীয়াই আদৰি লয় বসন্ত উৎসৱক। এই উৎসৱ প্ৰকৃতপক্ষে ফাগুন মাহৰ পৰাই আৰম্ভ হয়। ব'হাগ বিহুৰ সাত বিহুৱে ইয়াৰ প্ৰায় সামৰণি পৰে।

বসন্ত উৎসৱ প্ৰধানকৈ কৃষিজীৱী লোকৰ সাংস্কৃতিক উৎসৱ। অসমভূমিত বসবাস কৰা জাতি-উপজাতি, জনজাতি সকলোৱে এই উৎসৱ পালি আহিছে। কোনো কোনোৱে দুদিন এদিন আগত বা পিচত এই উৎসৱ পালন কৰে, কিন্তু উদ্দেশ্য একেই। এই উৎসৱে সকলোকে প্ৰধানকৈ কৃষিজীৱী লোকক অফুৰন্ত কৰ্ম প্ৰেৰণা, সম্প্ৰীতি আৰু সমন্বয় আনি দিয়ে।

অসমত উদ্‌যাপিত প্ৰথমটো বসন্ত উৎসৱ হৈছে মিছিংসকলৰ ‘আলি আয়ে লৃগাং’। ফাগুন মাহৰ প্ৰথমটো বুধবাৰে এই উৎসৱ পালন কৰা হয়। পথাৰত শস্য সিঁচাৰ প্ৰথম দিন ৰূপে এই উৎসৱ পতা হয়। ফাগুন মানেই মিচিংসকলৰ উৎসৱৰ বতৰা। ফাগুন মানেই যেন ঐনিতম, গুমৰাহৰ সমাহাৰ। মুৰং ঘৰৰ বাকৰিত মিচিং ডেকা-গাভৰুৰ গুমৰাহ চঃমানৰ নৃত্য। প্ৰতি ঘৰতে পৰম্পৰাগত পানীয় পৰঃ আপং, পুৰাং আপিল, শুকান মাছৰ খাদ্য ইত্যাদি।

অসমৰ অন্যতম জনগোষ্ঠী হ'ল মৰাণসকল। তেওঁলোকৰ নিজা ৰীতি-নীতিৰে উৎসৱ-পাৰ্বন পালন কৰে। মৰাণসকলৰ মূল জাতীয় উৎসৱ ব'হাগ বিহু। ব'হাগ বিহুত তেওঁলোকে ৰাতি বিহু, গছ

তলৰ বিহু আৰু ধৰ্ম হুঁচৰি গোৱা প্ৰথা প্ৰচলন আছে। গাৱঁৰ ডেকাসকলে চ'ত মাহৰ আৰম্ভণিতে গাৱঁৰ পৰা অলপ আঁতৰত আছুতীয়া ঠাইত কাঠ, বাঁহ, টকৌপাত, জেঙুপাত আদিৰে দুকোঠলীয়া বেৰ নথকা এটা অস্থায়ী ঘৰ সাজি ৰাতি বিহু মাৰিবৰ বাবে সাজু কৰে। সোঁ ফালৰ কোঠাত ডেকা আৰু বাওঁফালৰ কোঠাত গাভৰুসকলে ৰাতি ৰাতি বিহু মাৰে — বেলেগে বেলেগে। এই বিহু সাত দিন, ন দিন, এঘাৰ দিন, পোন্ধৰ দিনলৈকে মৰা হয়। ৰাতি বিহুত গোৱা পদ-ঘোষা, গীত সম্পূৰ্ণ সুকীয়া। বিহু নামসমূহক 'বিহু খেৰী' বোলে। মৰাণসকলৰ বিহু আৰু হুঁচৰিত বহুত নীতি-নিয়ম আছে।

দেউৰীসকলৰ 'ইবাঁক বিচু' (ব'হাগ বিহু) বসন্ত কালৰ কৃষিভিত্তিক উৎসৱ। ব'হাগ মাহৰ প্ৰথমটো বুধবাৰে পূজা অৰ্চনাৰে 'দেগৰ' (পুজা গৃহ)ত এই উৎসৱৰ আৰম্ভণি হয়। 'বিচু'ৰ উৰুকা ৰাতি দেউৰীসকলে বিশেষকৈ ডেকা-গাভৰুসকলে নৃত্যগীত কৰে। নাচনীৰ গচকত বোকাময় হৈ পৰা বিহুথলীত তেওঁলোকে বোকা ছটিওৱা খেল খেলে। প্ৰথম দিনা পুৱা গৰুক গা ধুৱায় আৰু ঘৰৰ মুখিযাল জনে পূৰ্ব পুৰুষৰ পিণ্ড দান কৰাৰ পিছতে আনৰ ঘৰলৈ গৈ চুজেঁ খোৱা পৰ্ব আৰম্ভ কৰে। দেউৰীসকলৰ ব'হাগ বিহু দহ দিন ধৰি চলে। দেউৰীসকলে অন্য সম্প্ৰদায়ৰ মানুহৰ ঘৰত গৈ হুঁচৰি নাগায় আৰু হুঁচৰি বিহু দেওঘৰত যথানিয়মে আৰম্ভ কৰিহে পাছত ঘৰে ঘৰে হুঁচৰি গোৱাৰ নিয়ম। হুঁচৰি বিহুৰ বাবে দেৱ মন্দিৰত শৰাই দি পূজা কৰা হয় আৰু হুঁচৰি গোৱা দিনকেইটাত মন্দিৰত অখণ্ড শলিতা প্ৰজ্জ্বলন কৰি ৰখা হয়। দেওঘৰত বছৰটোৰ বাবে বিহু সামৰি আবেলি পৰত ঢোলে-দগৰে গৈ নানা তৰহৰ ৰং-ধেমালি কৰি গাৱঁৰ ওচৰৰ নৈ, জান-জুৰি বা হাবিৰ দাঁতিত হুঁচৰি গোৱা টকা, বাঁহ, মাৰি আদি পেলাই বিহু বিদায় দি ঘৰলৈ ওভতে। পিছত কোনো এটা দিনত পুৰুষ আৰু মহিলাসকলে বেলেগে বেলেগে সমূহীয়া ভোজ ভাত খায়।

সোণোৱাল কছাৰীসকলেও নিজা ৰীতি-নীতি পৰম্পৰাৰে বিহু উৎসৱ পালন কৰে। ব'হাগ বিহুৰ প্ৰথম দিনাৰ পৰাই মানুহ বিহু হয়। সেইদিনা জ্যেষ্ঠজনক সেৱা-সৎকাৰ আৰু মিতিৰ-কুটুমক নিমন্ত্ৰণ কৰি খুৱায়। ঘৰে-ঘৰে দেৱতাৰ নামত পূজা বা নাম-কীৰ্ত্তন কৰে। বাইথ' মন্দিৰ থকা ঠাইত মন্দিৰত আৰু অন্য ঠাইত গাঁৱত হুঁচৰি উলিয়ায়। সোণোৱাল কছাৰীসকলে হুঁচৰি গোৱাক হুঁচৰি মগা বোলে। গাঁওবাসীৰ সকলোৰে ঘৰত হুঁচৰি গোৱা হয়। হুঁচৰি উৰুওৱাৰ পিছদিনা টঙালি চোৱা উৎসৱ পাতে। হুঁচৰি গাওঁতে শৰাইত পোৱা পইচাৰ পুঁজিটোকে 'টঙালি' বোলে। হুঁচৰি গাওঁতে গোৱা গীত-বিলাকক হাইদাং গীত আৰু হিলালী গীত বুলি কোৱা হয়।

ঠেঙাল কছাৰী জনগোষ্ঠীয় লোকসকলে চ'ত মাহৰ দ্বিতীয় বুধবাৰত পালন কৰে তৰা চিৰা বিহু। গাঁৱৰ কাষত থকা জান-জুৰি-নৈ বা জলাশয় পিতনিত থকা তৰা গছ কাটিবলৈ যোৱা আনন্দ উৎসৱ তথা আধ্যাত্মিক উৎসৱ হ'ল তৰা চিৰা বিহু। এইয়া বসন্ত উৎসৱৰ আৰম্ভণি বুলিব পাৰি। তৰা গছৰ ঔষধি গুণ আছে। গৰুৰ গাত হোৱা ৰোগৰ ই মহৌষধ। এই উৎসৱ গৰু বিহুৰ প্ৰস্তুতি বুলিও ক'ব পাৰি। ঠেঙাল কছাৰীৰ লোকসকলে সেই দিনা উলহ-মালহেৰে গীত আদি পৰিৱেশন কৰি তৰা গছ কাটিবলৈ যায়। তৰা গছ কটাৰ লগতে মাছ-পুঠি আৰু চৰাই আদিও চিকাৰ কৰি লৈ আহে। গাঁৱৰ কোনোবা এঘৰত মাছ-পুঠি ইত্যাদিৰে ভোজ-ভাত খাই তৰাগছেৰে চিৰি ৰচী তৈয়াৰ কৰে। ৰচীবোৰ কোনোবা এটা দিনত গাঁৱৰ প্ৰতি ঘৰত বিতৰণ কৰে যাতে গৰু-বিহুৰ দিনা গৃহস্থই গৰুক পিন্ধাব পাৰে। ইয়াৰ পাছত 'গৰু বিহু'ৰ দিনাৰ পৰা ক্ৰমে 'মানুহ বিহু', 'গোঁসাই বিহু' আদি সাত বিহু পৰম্পৰাগত ভাবে পালন কৰে। হুঁচৰি গোৱাত ঠেঙাল কছাৰীসকলৰ এটা বৈশিষ্ট্য হ'ল —কাছাৰী চেও বা বুঢ়া চেও। এই চেওৰ গীতো সুকীয়া। তিতাবৰৰ বহু হুঁচৰিত (কপহুৱা, টাইৰাকুৰি,

বগাৰ গাঁও, কাছজান, গন্ধীয়া, দিহিঙীয়া আদি) ইয়াৰ প্ৰকাশ ঘটি আহিছে।

অসমৰ টাই বৌদ্ধসকলেও বিহু উৎসৱ পালন কৰে। এই জনগোষ্ঠীয় লোকসকলে নিজৰ পৰম্পৰা আৰু ৰীতি-নীতিৰে এই উৎসৱ পালন কৰি আহিছে। তেওঁলোকে ব'হাগ বিহুক 'পয়ছাংকেন' বোলে। তেওঁলোকে বিহুত প্ৰথমতে ভগৱান বুদ্ধৰ মূৰ্তি ধুৱায়। তাৰ পাছত পিতৃ-মাতৃ আৰু গৰুক গা ধুৱায়। শেষত বন্ধু-বান্ধৱৰ গাত পানী ঢালি খেল খেলে।

অসমৰ অন্যতম জনগোষ্ঠী বড়োসকলে উৰ্বৰতাৰ প্ৰতীক ৰূপে ব'হাগ বিহুক নিজা ৰীতি-নীতিৰে পালন কৰে। ব'হাগ বিহুক তেওঁলোকে 'বৈচাগু' বুলি কয়। বৈছাগু মানে নতুন বছৰৰ আৰম্ভণি। চ'ত মাহৰ শেষৰ দিনৰ পৰা ব'হাগ মাহৰ ষষ্ঠ দিনলৈকে সাত দিন বিহু পালন কৰে। চ'ত মাহৰ শেষৰ দিনত গৰু বিহু 'মৌছৌ ছান' পাতে। গৰুক মাহ-হলাধ সানি গা ধুৱায় আৰু আৰু নীতি-নিয়মেৰে পূজা-পাতল কৰি গধূলি নতুন পঘাৰে বান্ধে। পিছদিনা মানুহ বিহু 'মানছিছান'। সেইদিনা প্ৰথমে গাঁৱৰ সকলোৱে মিলি পূজা-সেৱা কৰি বিহুত ব্যৱহাৰ হ'বলগীয়া বাদ্যযন্ত্ৰসমূহত ফোঁট দিয়ে আৰু তাৰ পাছত নৃত্য-গীত কৰি আনন্দ কৰে। ইয়াৰ পাছত ঘৰে ঘৰে গৈ হুঁচৰি গায় (বৈচাগু মৌচায়)।

তিৱা জনগোষ্ঠীৰ লোকসকলৰ বসন্তকালীন উৎসৱ হ'ল 'ছগ্ৰা মিছোৱা'। ইয়াৰ অৰ্থ হ'ল সকলোৱে মিলি-জুলি নৃত্য গীত কৰা। তিৱাসকলে 'লালিলাং' গীত গাই এই নৃত্য কৰে। 'লালিলাং' হ'ল তিৱাসকলৰ বিহুগীত বা প্ৰেম গীত। তিৱাসকলে ব'হাগ বিহুৰ পিছৰ বুধবাৰেহে বিহু আৰম্ভ কৰে। এই উৎসৱ কেইবাদিনো ধৰি চলি থাকে। এই-উৎসৱৰ লগত এক কৰুণ কিংবদন্তিও জড়িত হৈ আছে। মৰিগাঁও জিলাৰ মায়ঙৰ সীমান্তত থকা বঘৰা পাহাৰৰ বুকুত থকা 'কইনা কন্দা শিল' আজিও কিংবদন্তিৰ সাক্ষী হৈ আছে। প্ৰতি বছৰে ব'হাগ মাহত এই ঠাইত 'কইনা কন্দা মেলা' নামেৰে এক অনুষ্ঠান স্থানীয় লোকসকলে আয়োজন কৰে।

অসমৰ আন এটি জনগোষ্ঠী শৰণীয়া কছাৰীসকলেও নৱবৰ্ষত 'বাঁহ গোসাঁই উৎসৱ' পালন কৰে। এই উৎসৱ ছদিন ধৰি পালন কৰা হয়। গৰু বিহুৰ ৰীতি-নীতি শেষ হোৱাৰ পাছতে পুৰোহিতৰ দ্বাৰা এটা নতুন বাঁহ কটা হয়। বাঁহডাল পৰিষ্কাৰ কৰি সজাই লৈ গোসাঁই ঘৰৰ বেদীত ৰাখে। ব'হাগৰ প্ৰথম দিনাই গাঁৱৰ মানুহে লগ হৈ বাঁহ গোসাঁইক, গাঁৱৰ চাৰিওফালে ফুৰায়। তাৰ পাছত বাঁহ গোসাঁইক পুৰোহিতজনৰ ঘৰলৈ লৈ যোৱা হয়। তাৰ পাছত গাঁৱৰ প্ৰতি ঘৰতে গোসাঁই ফুৰুৱা হয়। লোকবিশ্বাস মতে গোসাঁই বাঁহ যোৱা প্ৰতিঘৰ লোকে বছৰটোৰ বাবে শুভাশীষ লাভ কৰে আৰু সকলো অপায় অমঙ্গল দূৰ হয়। নিজৰ গাঁৱত গোসাঁই বাঁহ ফুৰুৱা হলে অন্য গাঁৱলৈ নিয়া হয়। চাৰি- পাঁচ দিন বাঁহ গোসাঁই ফুৰাই ষষ্ঠ দিনা কেন্দ্ৰীয় উৎসৱ থলীলৈ নি সকলো গাঁৱৰ লোক লগ হৈ শোভাযাত্ৰা কৰি নৃত্য-গীতেৰে উৎসৱ পাতি উৎসৱৰ সামৰণি মাৰে।

বসন্ত কালত উদ্‌যাপিত হোৱা আনএটি উৎসৱ হ'ল – দৌল বা ফল্গু বা হোলী উৎসৱ। ইয়ো সম্প্ৰীতি আৰু সমৃদ্ধিৰ উৎসৱ। ফাগুন বা চ'তৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। বৰপেটা বৰদোৱা আদি ঠাইত তিনিদিনীয়া আৰু অসমৰ অন্য ঠাইত দুদিনীয়া কাৰ্যসূচীৰে এই উৎসৱ পতা হয়। ফাকুৱা বা হোলীত আনন্দ কৰিবলৈ আৰু মংগল কামনা কৰিবলৈ ইজনে সিজনৰ গাত ফাকু গুড়ি সানে। মদাৰ, পলাশ, শিমলু, পুৰৈ গুটি, চন্দন, হালধি, জেতুকা আদিৰে তৈয়াৰ কৰা ফাকু গুড়িহে উৎকৃষ্ট। বৰ্তমান বজাৰত সহজে উপলব্ধ কৃত্ৰিম বিভিন্ন ৰংগুড়ি শৰীৰৰ বাবে ক্ষতিকৰ। ফাকু গুড়িয়ে ছালৰ নানা ৰোগ প্ৰতিৰোধ কৰে, ছাল নিমজ হয়, মুখৰ উজ্জ্বলতা বৃদ্ধি পায়, বসন্ত ৰোগ প্ৰতিৰোধ কৰে ইত্যাদি। ফাকুৱা বা হোলী উৎসৱ হ'ল লোক উৎসৱ। ইয়াৰ লগত অনেক লোক পৰম্পৰা আৰু লোক বিশ্বাস জড়িত হৈ আছে।


লোক-বিশ্বাস অনুসৰি ফাকু গুড়ি পৃথিৱীত পৰিলে মাটিৰ উৰ্বৰতা বৃদ্ধি পায়। মানুহ, জীৱ-জন্তুৰো উৰ্বৰতা বৃদ্ধি পায়। এই হোলী-উৎসৱৰ লগত ৰাধা-কৃষ্ণ, জগন্নাথ-ঘুনুচা, শংখচূড়, হিৰণ্যকশিপুৰ ভগ্নী হোলীকা আদিৰ কাহিনী জড়িত হৈ আছে। দৌল বা ফাকুৱা বা হোলী উৎসৱত সকলোলোকে মিলা প্ৰীতিৰে ফাকুৱাৰ ৰঙৰ আনন্দত মতলীয়া হৈ এক সম্প্ৰীতি আৰু সমন্বয়ৰ মানৱ সমাজ গঢ়ি তোলে।

সামগ্ৰিকভাৱে অসমত ব'হাগ বিহু বা ৰঙালী বিহু চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰপৰা ব'হাগৰ ষষ্ঠ দিনলৈকে 'সাত বিহু' পালন কৰা হয়। এই বিহু প্ৰধানকৈ কৃষিভিত্তিক বসন্তকালৰ উৎসৱ হলেও অসমত বসবাস কৰা সকলো জাতি, উপজাতি, জনজাতি, কৃষক, বনুৱা, ব্যৱসায়ী, কৰ্মচাৰী, নগৰীয়া, গাঁৱলীয়া ইত্যাদি সকলোৰে সাৰ্বজনীন লোক-উৎসৱ। ব'হাগ বিহুৰ সাত বিহু হ'ল — গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙল বিহু, চেনেহী বিহু আৰু চেৰা বিহু। প্ৰথম তিনিটা বিহু যথাৰ্থতে পালন কৰা হয় যদিও পাছৰকেইটাৰ প্ৰয়োগ স্থান আৰু পৰিৱেশ ভিত্তিত হয়। গৰু বিহুৰ দিনা (চ'ত মাহৰ শেষ দিন) পুৱাই গৰুক মাহ-হালধিৰে নোৱাই-ধুৱাই চাটৰ লাও, বেঙেনা, বৰ থেকেৰা, কেৰেলা, হালধি আদি চটিয়াই পথাৰলৈ পঠোৱা হয়। ইজনে-সিজনে চাট সলনা-সলনি কৰে। ঘৰত সকলোৰে মিলি জা-জলপান খায়। আবেলি গোহালি মুখত আৰু পদূলি মুখত ফলিয়া তুহ, বিহলঙনি, মাখিয়তি, দীঘলতি আদিৰ পাত দি জাগ দিয়াৰ সাজু কৰা হয়। গৰু-গাই আহি পালেই জাগত জুই দি মাখিয়তিৰে গৰুক কোবাই নতুন বিচনিৰে বিচি নতুন তৰাৰ পঘাৰে বন্ধা হয়। গৰুক পিঠা, মাহ-প্ৰসাদ খাবলৈ দিয়া হয়। গৰু বিহুৰ দিনা কোনো কোনো গাঁৱত নামঘৰৰ বাকৰিত হুঁচৰি আৰম্ভ কৰে। গাঁৱৰ প্ৰতিঘৰ মানুহত হুঁচৰি গোৱা আৰু গৃহস্থই ৰাইজৰ আশীৰ্বাদ লোৱাৰ পৰম্পৰা বহু বছৰৰ আগলৈকে আমি দেখিছিলোঁ। মঞ্চবিহু আৰু আঞ্চলিক ভিত্তিত বিহু, হুঁচৰি, মুকলি বিহু জেং বিহু প্ৰতিযোগিতা হোৱাৰ পৰা হুঁচৰিৰ পয়োভৰ কমি আহিল। ব'হাগৰ প্ৰথম দিনা মানুহ বিহু। সেইদিনা গৰু, পিতৃ-মাতৃ, শহুৰ-শাহু আৰু জ্যেষ্ঠজনক সেৱা আগবঢ়োৱা হয়। জ্যেষ্ঠজনক গামোচা, চেলেং আদিৰে মান ধৰা হয় আৰু জ্যেষ্ঠজনে কনিষ্ঠ সকলক টঙালি, গামোচা, বিহুৱান, সাজ-পোছাক আদি প্ৰদান কৰি স্নেহ জনোৱা হয়। ব'হাগৰ দ্বিতীয় দিনা গোসাঁই বিহু। নামঘৰ, মন্দিৰ আদিনাম কীৰ্তন, পূজা-সেৱা কৰা হয়। নামনি অসমৰ বৰপেটা আদি সত্ৰত গোসাঁই ফুৰুৱা হয়। দোলাত মন্দিৰৰ পৰা গোসাঁই আনি গাঁৱত ফুৰুৱা হয়। ঘৰৰ পদূলি মুখত গোসাঁই ৰখাই আদৰণি জনাই গৃহস্থই আশীৰ্বাদ লয়। ইয়াৰ পিছত চাৰি-পাঁচদিন মিতিৰ-কুটুম, বন্ধু-বান্ধৱ আদিৰ ঘৰত আহ-যাহ, খোৱা-বোৱা আদি চলি থাকে।

ব'হাগ বিহু বা ৰঙালী বিহুয়েই অসমত বসন্ত কালৰ শেষ উৎসৱ। ইয়াৰ পিছত বিশেষকৈ গ্ৰাম্য অঞ্চলৰ মানুহ কৃষি কৰ্মত ব্যস্ত হ'বলগীয়া হয়। অন্য লোকসকলো ব্যৱসায়-বাণিজ্য, চাকৰি আদিত লাগিবলগীয়া হয়। গতিকে এসপ্তাহতকৈ বেছি দিন উৎসৱত লাগি থকাটোও যুক্তি-যুক্ত নহয়। বসন্ত কালত অনুষ্ঠিত হোৱা বিহু উৎসৱে আমাক দিয়ে প্ৰেৰণা, প্ৰেম-প্ৰীতি, সম্ভাবনা, সমন্বয়, সমৃদ্ধিৰ আশা ইত্যাদি — যি অসমীয়া জাতিৰ আয়ুস-ৰেখা।

*(বিঃদ্ৰঃ — প্ৰবন্ধটি যুগুত কৰোঁতে বিভিন্ন উৎসৰ পৰা তথ্যসমূহ লোৱা হৈছে। — লেখক)*

❖



# জাতি গঠনৰ অন্যতম কাৰক শিক্ষাগুৰু

✍ ***অৰুণ চন্দ্ৰ বৰুৱা***
*অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক*
*শ্ৰীমন্ত শংকৰ বিদ্যাপীঠ, তিতাবৰ*

**জন্মদাতা পিতৃ আৰু মাতৃৰ পিছতেই** আমাৰ বাবে সন্মানৰ উচ্চতম শিখৰত অধিষ্ঠিত শিক্ষাগুৰুসকলক আজি কিয়, অতি প্ৰাচীন কালতেই ভাৰতবৰ্ষত গুৰুৰ আসনত বহুৱাই কেৱল শিক্ষৰ্থীসকলৰ বাবেই নহয়, সমাজৰ সৰ্বত্ৰত, সকলোৰে দৃষ্টিত উচ্চ সন্মানৰ অধিকাৰী কৰি থকা হৈছে। এই সন্মান কেৱল অতীতত বা আজিৰ প্ৰেক্ষাপটতেই নহয়, প্ৰকৃত শিক্ষকৰ বাবে চিৰদিনৰ বাবে অক্ষত থাকিব। অজ্ঞানৰ অন্ধকাৰ নাশি দিব্য জ্যোতিৰে জ্যোতিষ্মান কৰি ছাত্ৰ-ছাত্ৰীক 'মানুহ' কৰি তোলা শিক্ষকৰূপী গুৰু সমাজক নমস্কাৰ জনোৱা হৈছে এনেদৰে —

"অজ্ঞান তিমিৰান্ধস্য জ্ঞানাঞ্জন শলাকয়া।
চক্ষুৰু মিলীতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ।।"

কোঠাৰী শিক্ষা আয়োগে অতি যুক্তিনিষ্ঠভাৱেই কৈ গৈছে যে "The destiny of India is being shaped in the class-rooms." , অৰ্থাৎ ভাৰতবৰ্ষৰ ভৱিষ্যত ভাগ্য নিৰ্মিত হৈ আছে শ্ৰেণীকোঠাসমূহত। এই মন্তব্য কেৱল ভাৰতবৰ্ষতেই নহয়, সমগ্ৰ বিশ্বত প্ৰযোজ্য নিশ্চয়। কাৰণ আনুষ্ঠানিক শিক্ষালয়বিলাকেই মানৱ সম্পদ গঢ়াৰ প্ৰকৃষ্ট স্থান আৰু সেই মানৱ সম্পদসমূহেই দেশৰ ভৱিষ্যত আশা-ভাৰষাৰ স্থল। এই ভৱিষ্যত ধৰণীসকলক গঢ়া খনিকৰ শিক্ষাগুৰুসকলৰ দায়িত্ব আৰু কৰ্তব্যও অপাৰ।

এটি শিশু মোটামুটি ভাৱে তিনি বছৰ বয়সত বিদ্যালয়লৈ যায় আৰু **১৮-১৯** বছৰ বয়সত বিদ্যালয়ৰ গণ্ডীৰ বাহিৰলৈ ওলাই যায়। অৰ্থাৎ জীৱনৰ প্ৰায় **১৫/১৬** বছৰ বিদ্যালয় চৌহদত শিক্ষাৰ্থীয়ে নতুন নতুন জ্ঞান আৰু অভিজ্ঞতাৰ সন্ধানত তথা আহৰণত কটায়। মুঠতে বিদ্যাৰ্থীসকলৰ ভৱিষ্যত জীৱন গঢ়ি উঠে প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক আৰু মাধ্যমিক স্তৰতে। গতিকে বিদ্যালয় স্তৰৰ শিক্ষকৰ দায়িত্ব আৰু ভূমিকাৰ প্ৰশ্নটি অতি গুৰুত্বপূৰ্ণ হৈ উঠিছে। কাৰণ প্ৰথম গুৰু পিতৃ-মাতৃয়ে সন্তানক দ্বিতীয় গুৰু শিক্ষকৰ ওচৰলৈ পঠায় দিয়ে জ্ঞান চক্ষু প্ৰদানৰ বাবে। 'নতুন ভাৰত গঠনে শিক্ষকদেৰ ভূমিকা ও দায়িত্ব' (মূল ইংৰাজী – স্বামী ৰঙ্গনাথানন্দ, বঙলা অনুবাদ – সুদীপ্ত কুমাৰ চক্ৰৱৰ্তী) পুথিত 'গুৰু' সম্পৰ্কীয় এই মন্তব্যটি অবিকল দাঙি ধৰিলোঁ — "প্ৰাচীন ভাৰতে আমৰা আমাদেৰ শিক্ষকদেৰ অভিসিক্ত কৰেছিলাম মহা সন্মানেৰ। আমৰা তাদেৰ 'গুৰু' বলে সম্বোধন কৰতাম। আজ আমৰা গুৰু' শব্দটিকে ধৰ্মীয় জগতেৰ সীমাতেই

আটকে ৰেখেছি। আসলে এই শব্দটির একটি ব্যাপক অর্থ আছে। গুরু হচ্ছেন তিনিই, যিনি শিশুকে চক্ষুষ্মান করেন, আর তার মনের দরজা খুলে দেন জ্ঞানের জগতের দিকে। তাই শিশুর প্রথম গুরু তার মা, দ্বিতীয় গুরু তার বাবা, আর তৃতীয় গুরু হচ্ছেন তার শিক্ষক........। কোন কোন ক্ষেত্রে পিতা ও শিক্ষকের কর্তব্য সারাইয়ে গেলে বিদ্যার্থীর জীৱনে আসেন ধর্মীয় শিক্ষা গুরু" (পৃ ঃ **৩৩**)। গতিকে দেখা গ'ল এই অভিমত অনুযায়ী ব্যক্তিৰ জীৱনত প্ৰথম শিক্ষা গুৰু মাতৃ, দ্বিতীয় পিতৃ আৰু তৃতীয় স্থানত শিক্ষক। পৰৱৰ্তী পৰ্যায়ত আহে ধৰ্মীয় গুৰু।

ইয়াত আলোচ্য বিষয় শিক্ষাগুৰু। গতিকে শিক্ষাগুৰু সম্পৰ্কে দুই-এটি আলোকপাতৰহে প্ৰয়াস কৰিছোঁ। মাননীয় শিক্ষকসকলে গভীৰভাৱে অনুধাৱন কৰিব লাগিব যে তেওঁলোকে পৱিত্ৰৰো পৱিত্ৰ কৰ্মত নিয়োজিত জাতি, দেশ তথা সমাজসেৱক। লগতে আমাৰ দেশৰ প্ৰতিগৰাকী শিক্ষাগুৰুৰ মন-মগজুত অংকুৰিত হ'ব লাগিব যে তেওঁলোক স্বাধীন দেশৰ মুক্ত নাগৰিক, কণ কণ শিক্ষাৰ্থীসকলক শিক্ষিত আৰু আলোকিত কৰাৰ দায়িত্ব তেওঁলোকৰ কান্ধত ন্যস্ত। তেওঁলোকে অনুভৱ কৰিব লাগিব যে এনে মহৎ সেৱাই তেওঁলোকক কৰি তুলিব এই দেশৰ নীৰৱ আৰু জাতি সংগঠনৰ সন্মানিত একোজন।

উল্লেখিত পুথিখনত অতি যুক্তিযুক্তভাৱে উল্লেখ কৰিছে যে পৰাধীনতাৰ নিকৰুণ কালিমা মচি (ব্ৰিটিচৰাজৰ অন্ত পেলায়) দীৰ্ঘদিনীয়া নিদ্ৰাৰ পৰা সাৰ পোৱা সত্তৰ কোটি ভাৰতীয়ৰ (তেতিয়াৰ জনসংখ্যা – **১৯৮৬** চন) প্ৰথম যি সমস্যা – সেয়া হ'ল যে প্ৰায় আধা সংখ্যক জনগণৰ নিদাৰুণ দাৰিদ্ৰ আৰু অনগ্ৰসৰতা। দ্বিতীয়তে, লক্ষ লক্ষ জনতাৰ শিক্ষাহীনতা আৰু তৃতীয় সমস্যাটো হ'ল আমাৰ সৰ্বনাশী জাতিভেদ আৰু ধৰ্মীয় অন্ধ গোড়ামি, যিটোৱে আমাৰ নতুন গণতন্ত্ৰক অচিৰেই কৰি তুলিব অস্বাস্থ্যকৰ আৰু এখন ভগ্নপ্ৰায় দেশ (কথাখিনি অৱতাৰণাৰ সময় সাম্প্ৰতিক নহয়। **১৯৮৬** চনৰ **২** এপ্ৰিল তাৰিখে নতুন দিল্লীৰ তিনিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সভাত দিয়া এটা ভাষণত প্ৰাপ্ত তথ্য)। নিঃসেন্দেহে ক'ব পাৰি যে উল্লেখিত তেতিয়াৰ অৱস্থাকেইটাৰ প্ৰথম দুটা অৱস্থা বা সমস্যাৰ সমাধান সম্পূৰ্ণ নহ'লেও কিছু পৰিমাণে হৈছে বুলিব পাৰি যদিও তৃতীয় সমস্যাটো কমক চাৰি দিনক দিনে বাঢ়িছে বুলিহে ক'ব পাৰি। সাম্প্ৰতিক কালত ভাৰতবৰ্ষত ধৰ্মীয় মৌলবাদ, জাতি তথা সাম্প্ৰদায়িক ভেদাভেদ আদিয়ে তীব্ৰ ৰূপ লোৱা কাৰো অবিদিত নহয়। এনে অশুভ পৰিস্থিতি বন্ধ হোৱা উচিত। আমি ভাৰতীয় সংবিধানৰ ধৰ্ম নিৰপেক্ষতা অটুট ৰখা উচিত।

পুথিখনত নিৰ্ভীকভাৱে এনেদৰে উল্লেখ কৰিছে যে এই ভীষণ সমস্যাৰ সমাধানৰ গধুৰ দায়িত্ব দেশবাসীৰ ওপৰত, কোনো বিদেশী শক্তিৰ সাহাৰ্যত নহয়, আৰু সি কাম্য নহয়। জাতিক ৰক্ষা কৰাৰ দায়িত্ব আমি কোনেও এৰাই চলিব নোৱৰোঁ। এনে বিশেষ পৰিস্থিতিত দেশৰ মাননীয় শিক্ষক সকলৰ ভূমিকা আৰু দায়িত্ব কেনে হ'ব সেই বিষয়ে পুথিখনত গুৰুত্বপূৰ্ণ মন্তব্য উপলব্ধ। পুথিখনত উল্লেখ কৰা হৈছে যে স্বাধীনতাৰ প্ৰকৃত অৰ্থ জনসাধাৰণক উপলব্ধি কৰোৱাৰ মুখ্য দায়িত্ব শিক্ষকসকলৰ, যিসকলে অসীম ধৈৰ্যৰে আমাৰ শিশুসকলক স্বাধীনতাৰ সোৱাদৰ লগতে নিজৰ দায়িত্ব আৰু মৰ্যাদাৰ শিক্ষা দিয়ে। আৰু কোৱা হৈছে — নাগৰিকতাৰ সম্যক অৰ্থ কি? ইয়াৰ উত্তৰ — ই এক দুৰ্লভ গৌৰৱ। অৰ্থাৎ এক মুক্ত সমাজৰ স্বাধীনতা আৰু দায়বদ্ধতাৰ অংশত পৰিণত হোৱাৰ পৱিত্ৰ মৰ্যাদা। এইটো পাহৰিলে ভুল হ'ব যে নাগৰিকতাৰ সংজ্ঞাত 'স্বাধীনতা' আৰু 'দায়বদ্ধতা'

শব্দ দুটাক প্ৰাধান্য দিয়া হৈছে। বলিষ্ঠ কণ্ঠে কোৱা হওক যে আমি কেৱল এই দেশৰ বাসিন্দাই নহয়, আমি এই দেশৰ সন্তান। প্ৰয়োজনত আমি এই দেশৰ বাবে আত্মবলিদান দিব লাগিব। পুথিখনত উৎসাহজনকভাৱে উল্লেখ কৰিছে যে শিক্ষকসকলে ভাবিব লাগিব যে এইখন আমাৰ পৱিত্ৰ মাতৃভূমি, এইখন আমাৰ দেশ, এই দেশৰ সকলো ভাল-বেয়াৰ অংশীদাৰ আমি। এই দেশ আৰু দেশবাসীৰ পৱিত্ৰ সেৱাত আমি আমাৰ সমস্ত কৰ্মপ্ৰচেষ্টা নিয়োজিত কৰিম। লগতে শিক্ষকসকলে ভাবিব লাগিব যে আমি স্বাধীন দেশৰ মুক্ত নাগৰিক। শিক্ষাৰ্থীসকলক শিক্ষিত আৰু আলোকিত কৰাৰ দায়িত্ব আমাৰ কান্ধত ন্যস্ত। এনে অনুভৱে আমাক কৰি তুলিব দেশ আৰু জাতি গঠনৰ নীৰৱ সংগঠকৰ সন্মানিত একোজন।

দেশৰ পৱিত্ৰ মানৱ সম্পদ সৃষ্টি কৰোঁতা শিক্ষাগুৰুৰ নিখুঁত শিক্ষাদানৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কেও পুথিখনত উল্লেখ পোৱা যায়। ইয়াত উল্লেখ কৰা হৈছে যে শিক্ষণ প্ৰশিক্ষণৰ গুৰুত্ব কোনো কাৰণতে নুই কৰিব নোৱাৰি। অতি প্ৰাচীন তথা অবৈজ্ঞানিক চিন্তা-চৰ্চাৰ পৰিৱেষ্টনীৰ পৰা আমাৰ শিশুসকলক আধুনিক, বিজ্ঞানসন্মত মানসিকতালৈ উলিয়াই অনাৰ আৰু প্ৰতিজন শিক্ষাৰ্থীৰ অন্তৰত সুপ্ত হৈ থকা প্ৰতিভা উলিয়াই অনা পৱিত্ৰ দায়িত্ব শিক্ষকসকলৰেই। নৱ প্ৰজন্মৰ শিশুসকলে সংকীৰ্ণতাৰ প্ৰাচীৰ ভাঙি ওলাই আহি সঙ্গী হওক সৃষ্টিশীল মানসিকতাৰ, সম্ভৱ হৈ উঠক ব্যক্তিত্বৰ সৰ্বাঙ্গীন বিকাশ। এইক্ষেত্ৰত আমাৰ শিক্ষকসকলৰ দায়িত্ব হ'ব অপাৰ। কাজেই প্ৰসাৰিত দৃষ্টিভঙ্গী, কৌশলৰ দক্ষতা আদিৰ বাবে অতীব প্ৰয়োজন শিক্ষক শিক্ষণ (Teachers' Training)। উল্লেখ নিস্প্ৰয়োজন যে যি শিক্ষকৰ নিজৰেই, শিক্ষকতাৰ প্ৰতি, জ্ঞান আহৰণৰ প্ৰতি, নিজ পেছাৰ প্ৰতি ইতিবাচক মনোভাৱৰ অভাৱ তেওঁৰ পৰা সমুচিত সেৱা আশা কৰাটো সম্ভৱ নহয়। প্ৰতিজন শিক্ষকৰ পৰা এইটো আশা কৰিব লাগিব যেন নিত্য নতুন জ্ঞান সম্ভাৰেৰে তেওঁ সদায় সতেজ হৈ থাকে আৰু শিক্ষাৰ্থীক জ্ঞান বিতৰণেই হৈ থাকে একমাত্ৰ কৰ্তব্য। মুঠতে শিক্ষকসকলে নিজে শিকা আৰু আনকো শিকোৱা স্বভাৱ কস্মিন কালেও এৰিব নালাগে। এনেবোৰ দৃষ্টিভংগীৰ বাবে প্ৰশিক্ষণবিলাক মহৌষধ।

পুথিখনত শিক্ষাগুৰুসকলৰ আৰু এটা অতি গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰা পোৱা যায়। সেয়া হ'ল শিক্ষাৰ্থীসকলক কেৱল বক্তৃতাধৰ্মী পাঠদানেৰে নহয়, শিক্ষকজন মাথোঁ সহায়ক (Facilitator) হিচাপে থাকি, শিক্ষাৰ্থীকেন্দ্ৰিক কাৰ্যকলাপেৰে, অনুপ্ৰেৰণা প্ৰদানেৰে তেওঁলোকৰ ব্যক্তিত্বৰ সৰ্বাঙ্গীন বিকাশৰ প্ৰচেষ্টা শিক্ষকৰ মূল কৰ্তব্য। শিক্ষাৰ্থীসকলৰ চৰিত্ৰ গঠন, জাতীয়তাবোধ জগোৱা আদিৰ যোগেদি শিক্ষকৰ পাৰদৰ্শিতা প্ৰকাশ পায়। তাৰ বিপৰীতে পুথিখনত উল্লেখ কৰিছে যে আত্মকেন্দ্ৰিক আৰু জনপ্ৰিয়তাহীন বা সকলো পৰিৱেশত জীণ যাব নোৱাৰা শিক্ষকক ইংৰাজ চিন্তাবিদ বাৰ্ট্ৰাণ্ড ৰাছেলে বিলিয়াৰ্ড খেলৰ বলটোৰ লগত তুলনা কৰিছে এই বুলি যে যি শিক্ষকে বিলিয়াৰ্ড বলটো অন্য বলৰ লগত ঠেকা-ঠুকুলি খাই আগবঢ়াৰ দৰে লগৰবিলাকৰ লগত বা ছাত্ৰ-ছাত্ৰীৰ লগত কেৱল সংঘৰ্ষ, ঠোঁটা-মোজাৰ মাজেৰেহে আগবাঢ়ে। এনে শিক্ষকৰ দ্বাৰা মানৱ সম্পদ গঢ়াৰ পথ হ'ব কণ্টকাকীৰ্ণ।

ভাৰতত আজি শিক্ষিত লোকৰ যদিও অভাৱ নাই, তথাপি সকলো শিক্ষিত লোকক পুনৰ কিছু জ্ঞান-গৰিমাৰে নবীকৰণৰ প্ৰয়োজন হৈছে, শিক্ষক সমাজৰ মাজতো বহু সচেতনতা তথা নিত্য নতুন কলা-কৌশলৰ প্ৰয়োজন হৈছে যাৰ দ্বাৰা

আমাৰ নতুন গণতন্ত্ৰই নতুন শক্তিৰে পাব স্থায়ীত্বৰ শুভ সংকেত। আজিৰ পৰা প্ৰায় ৪০ বছৰ পূৰ্বৰ ভাৰতৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক পৰিৱেশৰ ভিত্তিত উক্ত অভিমত পুথিখনত প্ৰকাশ কৰিছিল যদিও তাৰ প্ৰাসঙ্গিকতা যেন আজিও বিদ্যমান। দেশৰ উদ্‌গতিৰ বাবে নৱ প্ৰজন্মক প্ৰশিক্ষিত শিক্ষকৰ দ্বাৰা শিক্ষাদানৰ জৰিয়তে মূল্যবোধৰ উৎকৰ্ষ সাধন নিশ্চিত হ'ব লাগিব। বিশ্ব সভ্যতাৰ সমৃদ্ধিত ভাৰতৰ অৱদান অতুলনীয় – এই ধাৰণা অটুট ৰখাৰ মুখ্য দায়িত্ব শিক্ষক সমাজৰ। এইবোৰ সম্ভৱ হ'ব সেৱা, ত্যাগ, সাধনা আৰু সমুচিত প্ৰশিক্ষণৰ জৰিয়তে। উক্ত পুথিখন এনে অনেক মূল্যবান তথ্যৰে সমৃদ্ধ।

ইতিমধ্যে উল্লেখ কৰিছোঁৱেই যে উল্লেখিত পুথিখনত আলোচ্য বিষয়সমূহ আজিৰ পৰা দুকুৰি বছৰ আগৰ ভাৰতবৰ্ষৰ শৈক্ষিক-সামাজিক প্ৰেক্ষাপটৰ। উল্লেখিত সমস্যাৰাজিৰ বহুলাংশে ইতিমধ্যে সমাধান হৈছে। বিশেষকৈ নতুন শিক্ষানীতি-২০২০ত বহু ইতিবাচক দিশ সংযোজনে শিক্ষা ক্ষেত্ৰখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে।

শিক্ষাক আধুনিকৰণ কৰি নতুন প্ৰজন্মক আধুনিক সভ্যতাৰ লগত খাপ খাব পৰা কৰিবলৈ, ব্যক্তিত্বৰ সৰ্বাঙ্গীন বিকাশৰ বাবে আধুনিক শিক্ষাবিদসকলে স্থিৰ কৰা নীতিসমূহৰ ভিতৰত অধিক গুৰুত্বপূৰ্ণ কেইটামান হ'ল —

(১) বিদ্যালয়ত প্ৰাপ্ত শিক্ষা জীৱনৰ লগত সাঙোৰ খাব লাগিব, অৰ্থাৎ শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া কেৱল শ্ৰেণীকোঠাতেই আবদ্ধ নহয়।

(২) কেৱল মুখস্থ বিদ্যাই শিক্ষা সম্পূৰ্ণ নকৰে। আৰ্জিত শিক্ষা সম্পূৰ্ণ হৃদয়ঙ্গম হোৱা আৰু প্ৰয়োগ কৌশল সম্পূৰ্ণ আয়ত্বাধীন হোৱাটো নিশ্চিত হ'ব লাগিব।

(৩) কেৱল পাঠ্যপুথিকেন্দ্ৰিক নহৈ শিক্ষা হ'ব লাগিব বিদ্যালয়ৰ বাহিৰে-ভিতৰে থকা সম্পদ ভিত্তিক।

(৪) দেশৰ গণতান্ত্ৰিকতাৰ ভিত্তিত হ'ব লাগিব শিক্ষাৰ প্ৰতিপালন।

প্ৰায় চল্লিশ বছৰ পূৰ্বে প্ৰকাশিত পুথিখনত শিক্ষা আৰু দেশৰ অন্যান্য দুই-এটা বিষয় সম্পৰ্কে অনেক বিশ্লেষণৰ মাজৰ পৰা মাথোঁ শিক্ষা আৰু শিক্ষক সম্বন্ধীয় দুই-এটা বিষয় আলোচনা কৰিলোঁ, সেইবিলাক এতিয়াও প্ৰাসঙ্গিক বুলি অনুভৱ কৰি। আমাৰ আশা, অতি সম্প্ৰতি উদ্ভাৱন কৰি ইতিমধ্যে প্ৰয়োগ কৰা নতুন শিক্ষানীতিয়ে সম্পূৰ্ণ সমস্যামুক্ত কৰিব ভাৰতীয় শিক্ষা ব্যৱস্থাক আৰু শিক্ষা ব্যৱস্থাৰ ছত্ৰছাঁয়াত ভাৰত অধিষ্ঠিত হ'ব বিশ্বৰ উচ্চতম আসনত। তাৰ বাবে শিক্ষা ব্যৱস্থাত উন্মোচিত হ'ব নতুন দিগন্ত। সৰ্বোপৰি আমাৰ তন-মন-ধ্যান-ধাৰণা সকলোতে এই চিন্তাটো কেন্দ্ৰীভূত হ'ব লাগিব যে এটা জাতি গঠনৰ সমূদায় কাৰিকৰৰ ভিতৰত অন্যতম শক্তিটো হ'ল শিক্ষাগুৰুসকল আৰু যাক দেশৰ ভৱিষ্যত মানৱ সম্পদ ৰূপে গঢ় দিয়াৰ গধুৰ দায়িত্ব শিক্ষক সমাজৰ ওপৰত ন্যস্ত, সেইসকলেই হ'ল দেশৰ ভৱিষ্যতৰ আশা-ভৰষাৰ স্থল লাখ লাখ শিক্ষাৰ্থী।

*(বিঃ দ্ৰঃ--- 'নতুন ভারত গঠনে শিক্ষকদের ভূমিকা ও দায়িত্ব' পুথিখনত উল্লেখিত অনেকটা বিষয় আজিও প্ৰাসঙ্গিক যেন অনুভৱ কৰি সেই সমূহৰ ভিত্তিতে প্ৰৱন্ধটো যুগুতোৱা হ'ল। প্ৰৱন্ধটো যুগুতাওঁতে উক্ত পুথিখনৰ সহায় স্বীকাৰ্য —লেখক)*

❖

# গুণগত শিক্ষা আৰু শিক্ষক

✍ *অনুপমা বড়া চেতিয়া*
*অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী*
*ধলি উচ্চ মাধ্যমিক বিদ্যালয়, তিতাবৰ*

**'ন চ বিদ্যা সমো বন্ধু**
**বিদ্যা দদাতি বিনয়ম্,**
**বিনয়াদ্ মাতি পাত্ৰতাম্।'**

**এই পৃথিবীত বিদ্যাৰ দৰে বন্ধু পোৱা নাযায়, বিদ্যাই মানুহক বিনয়ী কৰে, বিনয়ী হ'লে মানুহে যোগ্য ব্যক্তিত পৰিণত হয়।**

মাৰ্টিমাৰ এড্‌লাৰ মতে "শিক্ষাৰ উদ্দেশ্য হৈছে বিকাশ, জীৱনজুৰি শিক্ষাৰ অন্ত নপৰে, কাৰণ মনটোৰ বিকাশ ঘটি থাকে।" শিক্ষা হ'ল সমাজ পৰিবৰ্তনৰ প্ৰধান আহিলা। এজন সুস্থ নাগৰিক-এখন সমাজ আৰু জাতিৰ আশা ভৰষাৰ থল। শিক্ষা সম্পৰ্কত ককা নীলমণি ফুকনে কৈছিল, "যি শিক্ষাই ল'ৰা-ছোৱালীক পৰৱৰ্তী জীৱনত শাৰীৰিক পৰিশ্ৰম কৰিবলৈ নিশিকায় সেই শিক্ষা কোনো শিক্ষা নহয়। লিখিব-পঢ়িব জানিলেই শিক্ষা লাভ হোৱা বুলি কোৱাটো ভুল, যদিহে সেই শিক্ষাই এজন ল'ৰাৰ হাত, ভৰি, চকু, নাক, কাণ আৰু ইন্দ্ৰিয় - কামবোৰ মগজুৰে ঢুকি পোৱা কৰি নোতোলে।"

**গুণগত শিক্ষা ঃ**

যি শিক্ষাই এজন ব্যক্তিৰ অন্তৰ্নিহিত শক্তি, প্ৰতিভা আৰু সম্ভাৱনাপূৰ্ণ গুণসমূহৰ বিকাশ ঘটায়, ব্যক্তিক দিয়ে আত্মবিশ্বাস, আত্মতৃপ্তি, চেতনাবোধ, পৰিত্ৰতা, চিন্তন আৰু মনন শক্তি, ধৈৰ্য আৰু সহিষ্ণুতা ইত্যাদি গুণবোৰ। নৈতিকতা হৈছে এই শিক্ষাৰ এক উল্লেখযোগ্য অংগ যি জীৱনৰ প্ৰকৃত সম্বল। শিষ্টাচাৰ হ'ল নৈতিক চৰিত্ৰৰ আধাৰ। সজ চৰিত্ৰ বা সংস্কৃতিয়েই হ'ল সজ আচৰণৰ আধাৰ।

অৱশ্যে বৰ্তমান বেগী পৃথিৱীত নৈতিক আদৰ্শৰ অৰ্থও সময় অনুপাতে পৰিৱৰ্তিত হোৱাটো স্বাভাৱিক। তথাপি যুগৰ বাহ্যিক জীৱনলৈ পৰিৱৰ্তন আহিছে যদিও মানৱ জীৱন আৰু সমাজৰ চিৰন্তন সত্য-সম্ভাৰৰ কোনো মৌলিক পৰিৱৰ্তন ঘটা নাই। বেলেগ পোহৰত বস্তুৰ ৰূপ বেলেগ হোৱাৰ দৰে বাখ্যাৰ সালসলনি হৈছে যদিও এইবোৰৰ মূলগত পৰিৱৰ্তন যুগে আনিব পৰা নাই। এইটো অনস্বীকাৰ্য, যি চিৰসত্য তাৰ ৰূপ সতকাই নেহেৰায়। এইবোৰৰ মূল্য চিৰকাল আছে আৰু চিৰকালে থাকিবও। বৰ্তমান পৃথিৱীত শৃঙ্খল আৰু শান্তিৰ অভাৱত উন্মত্ত চাকনৈয়াত এই মানবীয় গুণৰাশি তলহে পৰিছে, সেইবোৰ লুপ্ত বা নষ্ট হৈ যোৱা নাই।

প্ৰকৃত সত্যটো হৈছে এই মানৱীয় গুণসমূহ নতুন প্ৰজন্মৰ জীৱনত প্ৰতিফলিত কৰিবলৈ এখন ভাল শিক্ষানুষ্ঠান লাগিব য'ত সুস্থ পৰিবেশ, ভাল শিক্ষক, শৃংখলাবোধ থাকিব আৰু লগতে থাকিব দক্ষ, ব্যক্তিত্ব সম্পন্ন, সময় সচেতক প্ৰধান শিক্ষক - যিয়ে অন্য শিক্ষক, কৰ্মচাৰী সকলৰ লগতে ছাত্ৰ-ছাত্ৰীকো প্ৰভাৱান্বিত কৰি বিদ্যালয়খনি মূল লক্ষ্যত উপনীত

হোৱাত অৰিহণা যোগায়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল, “বিদ্যালয়ৰ শ্ৰেণীকোঠাতেই ছাত্ৰ-ছাত্ৰীৰ ভাগ্য নিৰ্ণীত হয়।” সেইবাবে বৰ্তমান কেৰিকুলামত সাহিত্য চৰ্চা, কলা, শিক্ষা, সংগীত, খেল-ধেমালি, কম্পিউটাৰ ইত্যাদি কৰ্মপটুতা অন্তৰ্ভূক্ত কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা সাং কৰি তেওঁলোকৰ প্ৰতিভা বিকাশ ঘটাই ভৱিষ্যতে আত্মনিৰ্ভৰশীল হ'ব পাৰে।

উঠি অহা প্ৰজন্মক সৰ্বতোপ্ৰকাৰে উন্নতি সাধন কৰিবলৈ হ'লে গুৰুসকলৰ কৰ্তব্য হ'ব লাগিব তেওঁলোকৰ চৰিত্ৰ গঠন, ফলদায়ক, শিক্ষাদান, আত্মনিৰ্ভৰশীল হোৱাৰ শিক্ষাদান, ছাত্ৰৰ কৰ্ম-মূল্যায়ন, মূল্যবোধৰ শিক্ষাৰে শিক্ষিত কৰি তোলাৰ। আমি সকলোৱে জানো, গুৰু হ'ল তিনি প্ৰকাৰৰ। আদ্যগুৰু, পিতা-মাতা যিয়ে ল'ৰা-ছোৱালীক প্ৰথম ভাষা শিক্ষা দিয়ে, দ্বিতীয় গুৰু হ'ল শিক্ষাগুৰু যিয়ে ব্ৰহ্মা শব্দৰ লগত চিনাকি কৰি দিয়ে, পাৰ্থিৱ অপাৰ্থিৱ বস্তুৰ জ্ঞান দিয়ে, তৃতীয় গুৰু হ'ল দীক্ষা গুৰু, যিয়ে শিষ্যক তত্ত্বজ্ঞানেৰে জ্ঞানী কৰি তোলে। এই তিনি গুৰুৰ ভিতৰত বেছিকৈ দায়বদ্ধ হৈছে শিক্ষাগুৰু — যিজন হ'ব পাৰে শিশুৰ জীৱন গঢ়াৰ ক্ষেত্ৰত এক পথ প্ৰদৰ্শক আৰু আদৰ্শ। শিক্ষাগুৰু সেইজন - যিজনৰ সংগত মানুহে জ্ঞানৰ সঁফুৰা বুটলে। বাল্যকাল, শৈশৱ, কৈশোৰ আৰু যৌৱনৰ প্ৰাণোচ্ছল দিনবোৰত যাৰ মহান ত্যাগ, পৰিশ্ৰম আৰু সেৱাৰে মানৱ সম্পদ গঢ়াত অতীজৰে পৰায়ে নিজক উৰ্চগা কৰি আহিছে। শিক্ষক বৃত্তিটো হৈছে আটাইতকৈ মহান বৃত্তি। কাৰণ শিক্ষকসকলেই হৈছে সমাজ পৰিবৰ্তনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মাধ্যম। এইটো সত্য যে শিক্ষকৰ তত্বাৱধানত যুগে যুগে ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান লাভ কৰি বিভিন্ন স্তৰত বিভিন্ন ধৰণে সমাজক আগুৱাই নিয়াত সহায় কৰি আহিছে। দেশৰ শীৰ্ষপদত থকা ব্যক্তিজনৰ পৰা গাঁৱৰ শিক্ষিত কৃষকজনলৈকে শিক্ষকৰ সৃষ্টি। শিক্ষকসকল সমাজৰ বাবে নিষ্ঠা আৰু আদৰ্শৰ প্ৰতীক। আমি শিক্ষকসকলেও শিক্ষাবৃত্তিক সেৱা হিচাপে লৈ নিজকে আধ্যয়নপুষ্ট, নৈতিক চৰিত্ৰত বলিষ্ঠ, সময় সচেতক আৰু শৃংখলাবোধ সম্পন্ন হিচাপে গঢ় দিবলৈ চেষ্টা কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলক পাঠদানৰ বাবে পাঠদানৰ পৰিকল্পনা, যেনে — পাঠদানৰ উদ্দেশ্য, পূৰ্বজ্ঞানৰ পৰীক্ষা, পাঠদানৰ প্ৰণালী, মূল্যায়ন, ঘৰুৱা কাম আদি উপযুক্ত ক্ৰমত সজাই পাঠদানৰ বাবে গ'লে সেই পাঠদান নিশ্চয় ফলপ্ৰসু আৰু আনন্দদায়ক হোৱাৰ লগতে শিক্ষকজনৰো আত্মবিশ্বাস বাঢ়িব।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল, “শিক্ষকসকল সমাজৰ এক শাশ্বত প্ৰয়োজন, তেওঁলোকে বৌদ্ধিক, সাংস্কৃতিক আক প্ৰযুক্তিগত কৌশল এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংবহন কৰি সভ্যতাৰ চাকি গছি জ্বলাই ৰাখে।” শিক্ষকসকল জ্বলি জ্বলি পোহৰ বিলোৱা একোডাল মমবাতিৰ দৰে। শিক্ষকসকল ছাত্ৰ-ছাত্ৰীৰ আস্থাভাজন হ'বলৈ চেষ্টা কৰিব লাগে কাৰণ আস্থাভাজন ব্যক্তিৰ সান্নিধ্যত থাকিলে বেয়া লোকো ভাল হৈ যায়। আমি শিক্ষক সমাজে নিজৰ কৰ্মজীৱনত সদায় মনত ৰখা উচিত যে এটা জাতিৰ মান-সন্মান নিৰ্ভৰ কৰে প্ৰত্যেকজন নাগৰিকৰ ওপৰত, আকৌ নাগৰিকজনৰ মান নিৰ্ভৰ কৰে তেওঁৰ শিক্ষা-দীক্ষাৰ ওপৰত আৰু তেওঁৰ শিক্ষা-দীক্ষা নিৰ্ভৰ কৰে মূলতঃ শিক্ষকৰ মানদণ্ডৰ ওপৰত। তাৰোপৰি প্ৰতি নিয়ত মনত ৰখা উচিত সেইজনা বিশ্ববিশ্ৰুত শিক্ষাবিদ, দাৰ্শনিক পণ্ডিত ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক, যিজনা মহান মণিষীয়ে তেখেতৰ জন্মদিনটো আমাৰ শিক্ষক সকলৰ বাবেই উছৰ্গা কৰি থৈ গৈছে। লগতে ভাৰতৰত্ন, 'মিছাইলমেন' হিচাপে খ্যাত পৃথিৱীবিখ্যাত বিজ্ঞানী ভাৰতৰ ৰাষ্ট্ৰপতি পদ অলংকৃত কৰি থৈ যোৱা মহান মণিষী ড° এ.পি.জে. আব্দুল কালামৰ আদৰ্শ আমাৰ শিক্ষক সমাজৰ বাবে সদায় অনুকৰণীয় হৈ ৰওক। ❖

# পেছাদাৰী শিক্ষক, শিক্ষা আৰু ভাৰতৰ ভৱিষ্যত ঃ আশা আৰু প্ৰত্যাশা

✍ *বিকাশ পেগু*
প্ৰৱক্তা, ডায়েট - যোৰহাট, তিতাবৰ

**মহাত্মা গান্ধীয়ে কৈছিল –** 'শিক্ষাই হৈছে সেই শক্তি যি মানুহক মানুহ কৰে।' কিন্তু সেই শিক্ষাক জীৱন্ত, অৰ্থপূৰ্ণ আৰু ৰূপান্তৰকাৰী কৰি তোলে কোনে? শিক্ষকে। শিক্ষক কেৱল পাঠ্যক্ৰমৰ বাহক নহয়; তেওঁ এক সভ্যতাৰ স্থপতি, মানৱ মনৰ ভাস্কৰ, ৰাষ্ট্ৰৰ ভৱিষ্যত নিৰ্মাতা। আৰু সেই কাৰণেই শিক্ষক-শিক্ষা অৰ্থাৎ শিক্ষকক প্ৰশিক্ষণ দিয়াৰ প্ৰক্ৰিয়া কেৱল ডিগ্ৰী-ডিপ্লমা দিয়া কাৰ্যসূচী নহৈ, এক গভীৰ সামাজিক আৰু দাৰ্শনিক দায়িত্বলৈ পৰিণত হ'ব লাগে। ভাৰত আজি এক ঐতিহাসিক সন্ধিক্ষণত থিয় হৈ আছে। এফালে ১৪০ কোটিৰো অধিক জনসংখ্যাৰ সৈতে বিশ্বৰ সৰ্ববৃহৎ সফল গণতন্ত্ৰ হিচাপে উঠি অহাৰ স্বপ্ন, আনফালে শিক্ষাৰ মানদণ্ড আৰু সমতাৰ প্ৰশ্নত দেশখন এতিয়াও গভীৰ সংকটৰ মাজত। ASER (Annual Status of Education Report)ৰ প্ৰতিবেদন অনুযায়ী, বহু ৰাজ্যত তৃতীয় শ্ৰেণীৰ ছাত্ৰই দ্বিতীয় শ্ৰেণীৰ পাঠ পঢ়িব নোৱাৰে। এই সংকটৰ মূলতে আছে শিক্ষকৰ প্ৰস্তুতি আৰু বৃত্তিগত শিক্ষা-প্ৰণালীৰ দুৰ্বলতা। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ এ এই সংকটক স্বীকাৰ কৰি শিক্ষক-শিক্ষাক শিক্ষা-সংস্কাৰৰ কেন্দ্ৰবিন্দুত স্থাপন কৰিছে। কিন্তু প্ৰশ্ন হৈছে নীতি আৰু বাস্তৱতাৰ মাজৰ দূৰত্ব কেনেকৈ অতিক্ৰম কৰিব পাৰি? পেছাদাৰী শিক্ষকৰ শিক্ষাৰ বৰ্তমান স্থিতি, তাৰ সীমাবদ্ধতা, আৰু ভৱিষ্যতৰ সম্ভাৱনা পৰ্যালোচনা কৰা আমাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ হৈ উঠিছে।

ভাৰতত বৰ্তমান প্ৰায় ১৭,০০০ ৰো অধিক শিক্ষক-প্ৰশিক্ষণ প্ৰতিষ্ঠান আছে। সংখ্যাৰ দিশত এই পৰিসংখ্যা আশাব্যঞ্জক যেন লাগিব পাৰে, কিন্তু গুণমানৰ বিচাৰত ছবিখন সম্পূৰ্ণ বেলেগ। জাষ্টিচ বাৰ্মা কমিশ্যন (২০১২) ৰ প্ৰতিবেদনত উল্লেখ আছে যে বহু B.Ed আৰু D.El.Ed প্ৰতিষ্ঠান মূলতঃ 'ডিগ্ৰী বিক্ৰীৰ দোকান' য'ত কোনো প্ৰকৃত পেডাগজিকেল প্ৰশিক্ষণ নাই, শিক্ষণ-অভিজ্ঞতা নাই, আৰু বৌদ্ধিক চৰ্চাৰ পৰিৱেশ নাই। এই সমস্যাটো কেৱল কাঠামোগত নহয়; ইয়াৰ শিপা আছে এক গভীৰ ধাৰণাগত বিভ্ৰান্তিত। আমাৰ প্ৰতিষ্ঠানৰ প্ৰাক্তন অধ্যক্ষ শ্ৰদ্ধাৰ উত্তম কুমাৰ বৰদলৈ চাৰে ক'বৰ দৰে — আমি শিক্ষক-শিক্ষাক এতিয়াও 'প্ৰশিক্ষণ' (training) হিচাপেই বুজোঁ যেন শিক্ষক এটা জন্তু, যাক

কিছুমান কৌশল শিকালেই হ'ব। কিন্তু প্ৰকৃত শিক্ষক-শিক্ষা হ'ব লাগে 'গঠন' (formation) — এক সামগ্ৰিক, মানৱিক আৰু বৌদ্ধিক বিকাশৰ প্ৰক্ৰিয়া, য'ত শিক্ষকজনে নিজেই এক চিন্তাশীল, সংবেদনশীল, আৰু সমাজ-সচেতন ব্যক্তিত্বলৈ পৰিণত হয়। আৰু আটাইতকৈ উদ্বেগজনক বিষয়টো হ'ল প্ৰায়বোৰ পাঠ্যক্ৰমত শিক্ষণ-অভিজ্ঞতা (Internship/Practice Teaching) এতিয়াও আনুষ্ঠানিক আৰু অপ্ৰাণৱন্ত। এজন শিক্ষক-প্ৰশিক্ষাৰ্থীয়ে বছৰত মাত্ৰ ২০-৩০ টা শিক্ষণ-পাঠ দিয়ে — অধিকাংশই 'পাঠ্যপুথি মুখস্থকৰণ'ৰ প্ৰদৰ্শন মাত্ৰ। প্ৰকৃত শিক্ষণ-চিন্তা, প্ৰতিফলনমূলক অভ্যাস (reflective practice), আৰু কাৰ্য-গৱেষণা (action research)ৰ সংস্কৃতি গঢ়ি উঠা নাই। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ এ শিক্ষক-শিক্ষাৰ সন্দৰ্ভত কিছুমান মৌলিক দৃষ্টিভঙ্গীগত পৰিৱৰ্তনৰ প্ৰস্তাৱ দিছে যি সঁচাকৈয়ে যুগান্তকাৰী হ'ব পাৰে। প্ৰথমতে, ২০৩০ চনৰ ভিতৰত সকলো শিক্ষকৰ বাবে নুন্যতম চাৰি বছৰীয়া ইন্টিগ্ৰেটেড B.Ed ডিগ্ৰী বাধ্যতামূলক কৰাৰ পৰিকল্পনা। দ্বিতীয়তে, দুৰ্বল মানদণ্ডৰ B.Ed প্ৰতিষ্ঠানসমূহ ক্ৰমে বন্ধ কৰাৰ প্ৰতিশ্ৰুতি। তৃতীয়তে, শিক্ষকৰ Continuous Professional Development (CPD)ক এক পদ্ধতিগত কাঠামোৰ মাজলৈ অনাৰ পদক্ষেপ। কিন্তু NEP-ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান হ'ল এই স্বীকৃতি যে শিক্ষক কেৱল 'কৌশল-বাহক' নহয় — তেওঁ এজন চিন্তাশীল পেছাদাৰী — এই দৃষ্টিভঙ্গীটো যদি বাস্তৱত ৰূপায়িত হয়, তেন্তে ভাৰতীয় শিক্ষাত এক শৈক্ষিক বিপ্লৱ আহিব পাৰে।

এটা মৌলিক প্ৰশ্ন হৈছে সমাজত শিক্ষকতা পেছাটো মনেপ্ৰাণে গ্ৰহণ কৰিবলৈ কিমান আগ্ৰহী? ফিনলেণ্ডৰ উদাহৰণ আমাৰ সন্মুখত আছে য'ত শিক্ষকতা হৈছে সৰ্বাধিক প্ৰতিযোগিতামূলক পেছা। কিন্তু ভাৰতত বহু ক্ষেত্ৰত শিক্ষকতা প্ৰথম পছন্দ নহয়; ই প্ৰায়ে 'বিকল্পহীনৰ বিকল্প।' এইয়া মোৰ নিজৰ অভিজ্ঞতাই তাকে কয়। শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰত বি এড, ডি এল এড কৰিবলৈ অহা ৯৫ শতাংশ প্ৰশিক্ষাৰ্থীয়েই বেলেগৰ পৰা উফৰি আহিয়েই এটা সংস্থাপনৰ আশাত ডিগ্ৰী ডিপ্লমা পাঠ্যক্ৰম কৰিবলৈ আহে। অসমকে ধৰি উত্তৰ-পূব ভাৰতত পৰিস্থিতি কিছু ভিন্ন। ইয়াত শিক্ষকতাক এতিয়াও সামাজিক সন্মান আৰু পৰিচয়ৰ উৎস হিচাপে চোৱা হয়। কিন্তু পৰিহাসৰ বিষয় হ'ল সেই সন্মানটো প্ৰায়ে পেছাগত কাৰ্যদক্ষতাৰ ওপৰত নিৰ্ভৰশীল নহৈ মাত্ৰ পদমৰ্যাদাৰ ওপৰত নিৰ্ভৰশীল। আমাক একবিংশ শতিকাৰ শ্ৰেণীকোঠাই এনে এজন শিক্ষকৰ দাবী কৰে যি একাধাৰে বিষয়-জ্ঞানত সমৃদ্ধ, পেডাগজিকেল কৌশলত দক্ষ, সমালোচনামূলক আৰু সৃজনশীল চিন্তাৰ সুবিধা প্ৰদানত সক্ষম, আৰু মানৱীয় মূল্যবোধত প্ৰতিষ্ঠিত। এই চাৰিটা মাত্ৰা যদি এটা কাঠামোতে ন্যস্ত কৰিব লাগে, তেন্তে ইউনেস্ক'ৰ 'চাৰিটা স্তম্ভ'ৰ কথা মনলৈ আহে। জানিবলৈ শিকা (learning to know), কৰিবলৈ শিকা (learning to do), একেলগে থাকিবলৈ শিকা (learning to live together) আৰু হ'বলৈ শিকা (learning to be)। বিশেষভাৱে উল্লেখযোগ্য হ'ল তৃতীয় স্তম্ভটো —'learning to live together'। ভাৰতৰ দৰে বৈচিত্ৰ্যময় দেশত, য'ত জাতি, ধৰ্ম, ভাষা, লিংগ, আৰু শ্ৰেণীৰ বৈষম্যই শিক্ষণ-প্ৰক্ৰিয়াত প্ৰভাৱ পেলায়,

শিক্ষকজনে নিজেই এজন মানৱতাবাদী হ'ব লাগিব। অন্যথা তেওঁৰ শিক্ষণ সমতাৰ আদৰ্শ পূৰণ কৰিব নোৱাৰে। Donald Schön-এ তেওঁৰ বিখ্যাত গ্ৰন্থ The Reflective Practitioner (১৯৮৩)-ত দেখুৱাইছিল যে শ্ৰেষ্ঠ পেছাদাৰসকলে 'কৰি কৰি ভাবে' — অৰ্থাৎ তেওঁলোক নিজৰ কৰ্মৰ ওপৰত প্ৰতিনিয়ত চিন্তা কৰে, ভুলৰ পৰা শিকে, আৰু নিজৰ অভ্যাসক পৰিমাৰ্জিত কৰে। শিক্ষক-শিক্ষাত এই প্ৰতিফলনমূলক চিন্তাৰ (reflective thinking) অভ্যাস গঢ়ি তোলাটো অপৰিহাৰ্য। ভাৰতত DIET (District Institute of Education and Training) আৰু SCERT সমূহে এই কাৰ্য কৰিব পৰা প্ৰাতিষ্ঠানিক সুযোগ আছে। কিন্তু বাস্তৱত এই প্ৰতিষ্ঠানসমূহ প্ৰায়ে আমোলাতান্ত্ৰিক জড়তাত আবদ্ধ।

কোভিড-**১৯** মহামাৰীয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক কঠোৰ সত্য উন্মোচন কৰিলে। আমাৰ শিক্ষকসকল ডিজিটেল শিক্ষণৰ বাবে মুঠেই প্ৰস্তুত নাছিল। গাঁও-নগৰৰ সকলো স্তৰৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে ডিজিটেল শিক্ষণ-শিকনৰ বাবে প্ৰস্তুতি চলালে। অনেকে WhatsApp-ত পাঠ পঠালে; কিন্তু পেডাগজিকেল বোধ নথকাকৈ প্ৰযুক্তি মাত্ৰ শূন্যতাৰ ডিজিটেল সংস্কৰণহে হ'ল। প্ৰযুক্তি শিক্ষাৰ সমাধান নহয়; প্ৰযুক্তি শিক্ষাৰ হাতিয়াৰ মাত্ৰ। হাতিয়াৰটো যদিও উন্নত, কিন্তু ব্যৱহাৰকাৰীজনৰ দৃষ্টি আৰু দক্ষতা নাথাকে, তেন্তে সেই হাতিয়াৰ বিফল। শিক্ষক-শিক্ষাত ডিজিটেল সাক্ষৰতাৰ বাহিৰেও 'ডিজিটেল পেডাগজি'ৰ — অৰ্থাৎ ডিজিটেল পৰিবেশত কেনেকৈ অৰ্থপূৰ্ণ শিক্ষণ পৰিকল্পনা কৰিব পাৰি সেই জ্ঞানৰ বিকাশ ঘটাব লাগিব।

ভাৰতৰ শিক্ষা-বৈষম্যৰ মাত্ৰাটো বুজিবলৈ মাত্ৰ এটা তথ্যই যথেষ্ট। এই দেশত এক শতাংশ অভিজাত বিদ্যালয়ত যি শিক্ষণ মান, আৰু নবৈ শতাংশ চৰকাৰী বিদ্যালয়ত যি বাস্তৱতা –সেইয়া আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। অন্তৰ্ভুক্তিমূলক শিক্ষা (inclusive education)ৰ ধাৰণাটো য'ত বিশেষ প্ৰয়োজনসম্পন্ন শিশু, প্ৰান্তীয় (Remote area) সম্প্ৰদায়ৰ শিশু, আৰু প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীসকলক মূলধাৰাৰ শিক্ষায়তনত সন্মানজনক স্থান দিয়া হয় এই ধাৰণাটো কেৱল নীতিগত হ'লে নহ'ব; শিক্ষকৰ মন-মানসিকতাত, তেওঁৰ প্ৰশিক্ষণত ইয়াক ৰোপিত কৰিব লাগিব। অসমৰ শিক্ষক-শিক্ষাৰ পৰিপ্ৰেক্ষিতত কিছু বিশেষ চিন্তাৰ প্ৰয়োজন আছে। ইয়াত ভাষাগত বৈচিত্ৰ্য অতি গভীৰ। ঘৰত বেলেগ ভাষা কোৱা বহুত শিশুক অসমীয়া বা ইংৰাজী মাধ্যমত শিক্ষা দিয়া হয়। বহু ক্ষেত্ৰত শিক্ষকে শ্ৰেণীকোঠাত শিশুৰ মাতৃভাষা নুবুজে ফলত শিক্ষণ হয় একমুখী আৰু কৰ্তৃত্ববাদী।

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বহুভাষিক শিক্ষাৰ আদৰ্শটো অসমৰ বাবে অতিশয় প্ৰাসঙ্গিক। কিন্তু বহুভাষিক শিক্ষা কাৰ্যকৰী কৰিবলৈ হ'লে শিক্ষক-শিক্ষাত বহুভাষিক পেডাগজিক অন্তৰ্ভুক্ত কৰিব লাগিব এটা দাবী, যি এতিয়াও অপূৰণ হৈয়ে আছে। তদুপৰি, অসমৰ চাহ-বাগিচা অঞ্চল, নামনি অসমৰ চৰ-চাপৰিৰ বিদ্যালয়, আৰু পৰ্বতীয়া জিলাসমূহত শিক্ষক-নিয়োগ আৰু ধাৰণ (retention) এক গুৰুতৰ সমস্যা। দূৰৱৰ্তী অঞ্চললৈ দক্ষ শিক্ষক কেনেকৈ আকৰ্ষণ কৰিব পাৰি এই প্ৰশ্নৰ উত্তৰ কেৱল বেতনবৃদ্ধিত নাই; ইয়াত পেছাগত মৰ্যাদা, কেৰিয়াৰ বিকাশৰ সুযোগ, আৰু স্থানীয় পৰিচয়ৰ স্বীকৃতিও জড়িত।

বিশ্বজুৰি শিক্ষা-গৱেষণাই এটা কথা প্ৰমাণ কৰিছে — বিদ্যালয় সংস্কাৰৰ আটাইতকৈ শক্তিশালী চালিকাশক্তি হৈছে শিক্ষক-নেতৃত্ব (teacher leadership)। ভাৰতত NIPUN Bharat, FLN Mission, আৰু PM SHRI বিদ্যালয়ৰ দৰে কাৰ্যসূচীত শিক্ষক-নেতৃত্বৰ ধাৰণাটো ক্ৰমে বাস্তৱতা পাইছে। এই কাৰ্যসূচীসমূহৰ সফলতা নিৰ্ভৰ কৰিব শিক্ষকসকলক কেনেকৈ এই প্ৰক্ৰিয়াৰ সক্ৰিয় অংশীদাৰ কৰা হয় তাৰ ওপৰত। ফিনলেণ্ড, জাপান, আৰু চিঙ্গাপুৰৰ দৰে শিক্ষাত অগ্ৰগামী দেশসমূহত Lesson Study আৰু Professional Learning Communities (PLCs)ৰ মডেল অতি কাৰ্যক্ষম প্ৰমাণিত হৈছে — য'ত শিক্ষকসকলে দলবদ্ধভাৱে পাঠ পৰিকল্পনা কৰে, পৰস্পৰৰ শ্ৰেণীকোঠা পৰিদৰ্শন কৰে, আৰু সহযোগিতামূলকভাৱে উন্নয়ন সাধন কৰে। ভাৰতত BRC (Block Resource Centre) আৰু CRC (Cluster Resource Centre) সমূহে এই ভূমিকা পালন কৰিবৰ বাবে নিৰ্মিত হৈছিল, কিন্তু বাস্তৱত এইবোৰ প্ৰায়ে নিষ্ক্ৰিয় আৰু অকাৰ্যকৰ হৈ পৰিছিল যদিও এতিয়া NEP ২০২০ অহাৰ পাছত মৰুভূমিত পানী পোৱাৰ দৰে জীপাল হৈ উঠিছে।

আমেৰিকান দাৰ্শনিক John Dewey এ কৈছিল 'শিক্ষা জীৱনৰ প্ৰস্তুতি নহয়; শিক্ষা নিজেই জীৱন।' এই কথাষাৰি যদি সত্য, তেন্তে শিক্ষক হৈছে জীৱনৰ দূত আৰু সেই দূতক প্ৰস্তুত কৰাটো এক পৱিত্ৰ সামাজিক দায়িত্ব। ভাৰতৰ ভৱিষ্যত নিৰ্ভৰ কৰে আমি আজি কেনে শিক্ষক গঢ়িছোঁ তাৰ ওপৰত। পেছাদাৰী শিক্ষক-শিক্ষাক যদি শৈক্ষিক, বৌদ্ধিক, নৈতিক, আৰু পেডাগজিকেল গঠনৰ প্ৰক্ৰিয়া হিচাপে পুনৰ সংজ্ঞায়িত কৰিব পাৰোঁ, যদি শিক্ষক-শিক্ষাৰ প্ৰতিষ্ঠানসমূহক কেৱল ডিগ্ৰী-প্ৰদানকাৰী নহৈ প্ৰকৃত জ্ঞান-সাধনাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিব পাৰোঁ আৰু যদি সমাজে শিক্ষকক প্ৰাপ্য সন্মান আৰু সুযোগ দিব পাৰে তেন্তে ভাৰতৰ শিক্ষাৰ মাজেদি উঠি অহা প্ৰতিটো শিশু এদিন এক ন্যায্য, সমতাপূৰ্ণ, আৰু সৃজনশীল সমাজ নিৰ্মাণৰ অংশীদাৰ হ'ব। ভাৰতৰ মহান শিক্ষা-পৰম্পৰা নালন্দাৰ পৰা ৰবীন্দ্ৰনাথৰ শান্তি নিকেতনলৈ, মোক্তাবৰ পৰা আধুনিক গণশিক্ষালৈ — সেই পৰম্পৰাই আমাক মনত পেলাই দিয়ে যে শিক্ষাৰ প্ৰকৃত লক্ষ্য হৈছে মানুহক মুক্ত কৰা — অজ্ঞতাৰ পৰা, ভয়ৰ পৰা, আৰু সংকীৰ্ণতাৰ পৰা। সেই মুক্তিৰ বাহক হোৱাৰ যোগ্যতা অৰ্জন কৰিব লগা শিক্ষকক আমি কেৱল পাঠ্যক্ৰমৰ মাধ্যমেদি নহয়, প্ৰেম আৰু শ্ৰদ্ধাৰে, দৃষ্টি আৰু সাহসেৰে গঢ়ি তুলিব লাগিব। **ভাৰতৰ ভৱিষ্যত শ্ৰেণীকোঠাতেই ৰচিত হয় আৰু সেই শ্ৰেণীকোঠাৰ কেন্দ্ৰত থাকে শিক্ষক।**

❖



# ইতিবাচকতা, মনৰ ইচ্ছা শক্তি আৰু যুৱ সমাজ ঃ বিশ্বব্ৰহ্মাণ্ডৰ শক্তি আৰু মানুহৰ আন্তঃসম্পৰ্ক

*✍ বিষ্ণুপ্ৰিয়া গগৈ*
ডি.এল.এড., দ্বিতীয় যান্মাষিক
DIET , Jorhat

**বৰ্তমান সময়ত যুৱ সমাজ জীৱনৰ এক জটিল আৰু ব্যস্ত সময়ৰ মাজেৰে পাৰ হৈ আছে।** শিক্ষা, কৰ্মসংস্থান, সামাজিক চাপ, প্ৰতিযোগিতা আৰু ভৱিষ্যতক লৈ চিন্তাই বহু যুৱক-যুৱতীৰ মন অশান্ত কৰি তোলে। ইয়াৰ লগতে ব্যক্তিগত সমস্যা, অতিমাত্ৰা চিন্তা কৰা স্বভাৱ, অত্যাধিক আৱেগিক মনোভাৱ আৰু আনৰ দুখ-কষ্ট সহজে অনুভৱ কৰিব পৰা সহানুভূতিশীল স্বভাৱেও বহু যুৱক-যুৱতীক মানসিকভাৱে দুৰ্বল কৰি তোলে। বহু সময়ত তেওঁলোকে নিজৰ অনুভূতি মনৰ ভিতৰতে ৰাখে আৰু নীৰৱে মানসিক উদ্বেগ, হতাশাৰ সৈতে যুঁজ দিয়ে। ফলত আত্মবিশ্বাস কমি যায় আৰু মনত নিৰুৎসাহ, ভয় আৰু অস্থিৰতাৰ অনুভৱ জন্ম লয়। কিন্তু এনে কঠিন সময়তো ইতিবাচক চিন্তা, আত্মবিশ্বাস, মনৰ শক্তি আৰু নিজৰ ওপৰত বিশ্বাসে মানুহক নতুনভাৱে জীৱনক চাবলৈ শিকায় আৰু সকলো বাধাৰ মাজতো আগবাঢ়ি যোৱাৰ সাহস দিয়ে। ইতিবাচক মনোভাৱ, ভাল চিন্তা আৰু গভীৰ বিশ্বাসে মানুহৰ জীৱনত সুন্দৰ পৰিৱৰ্তন আনিব পাৰে। বহুতে বিশ্বাস কৰে যে বিশ্বব্ৰহ্মাণ্ডৰ অদৃশ্য শক্তিয়ে মানুহক ভিতৰৰ পৰা আৰোগ্য লাভ কৰাত সহায় কৰে আৰু ভাল শক্তি জীৱনলৈ আকৰ্ষণ কৰে। সেয়ে এই বিষয়সমূহৰ গভীৰতা বুজিবলৈ প্ৰথমে ইতিবাচকতা, মনৰ আকৰ্ষণ শক্তি আৰু বিশ্বব্ৰহ্মাণ্ডৰ শক্তি সম্পৰ্কে জানি লোৱাটো অত্যন্ত প্ৰয়োজনীয়।

ইতিবাচকতা মানে হৈছে জীৱনৰ প্ৰতিটো পৰিস্থিতিক আশাবাদী দৃষ্টিভংগীৰে চোৱাৰ এক সুন্দৰ মানসিকতা। জীৱনত সুখ-দুখ, সফলতা-বিফলতা আদি থাকিবই, কিন্তু সেই কঠিন পৰিস্থিতিৰ মাজতো আশাৰ পোহৰ বিচাৰি আগবাঢ়ি যোৱাই হৈছে ইতিবাচকতাৰ মূল অৰ্থ। এজন ইতিবাচক ব্যক্তি কেতিয়াও সহজে ভাঙি নপৰে; তেওঁ ব্যৰ্থতাকো জীৱনৰ শিক্ষা আৰু নতুন অভিজ্ঞতা হিচাপে গ্ৰহণ কৰে। এনে মনোভাৱে মানুহৰ ভিতৰত সাহস, ধৈৰ্য আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। ইতিবাচক চিন্তাই মানুহৰ মনক শান্ত আৰু দৃঢ় কৰি তোলে আৰু জীৱনৰ প্ৰতি নতুন উৎসাহ আৰু উদ্যম সৃষ্টি কৰে।

ইতিবাচক মনোভাৱ হৈছে নিজৰ ওপৰত বিশ্বাস ৰখা আৰু যিকোনো পৰিস্থিতিত আশা নেহেৰুৱাকৈ আগবাঢ়ি যোৱাৰ মানসিক শক্তি। যেতিয়া এজন মানুহে সদায় ভাল চিন্তা কৰে আৰু নিজৰ সামৰ্থ্যক বিশ্বাস কৰে, তেতিয়া তেওঁ ক্ৰমান্বয়ে জীৱনৰ সমস্যাবোৰ সহজে মোকাবিলা কৰিব পাৰে। নেতিবাচক চিন্তাই মনক দুৰ্বল কৰি

তোলে, আনহাতে ইতিবাচক মনোভাৱে মানুহক ভিতৰৰ পৰা শক্তিশালী কৰি তোলে। যুৱ সমাজৰ বাবে এই ইতিবাচক মনোভাৱ অত্যন্ত প্ৰয়োজনীয়, কিয়নো আজিৰ যুৱক-যুৱতীয়েই আগন্তুক সমাজৰ ভৱিষ্যৎ নিৰ্মাতা। যদি তেওঁলোক মানসিকভাৱে শক্তিশালী, আত্মবিশ্বাসী আৰু আশাবাদী হয়, তেন্তে এখন সুস্থ, শান্তিপূৰ্ণ আৰু উন্নত সমাজ গঢ়ি উঠিব।

মনৰ ইচ্ছাশক্তি হৈছে নিজৰ লক্ষ্য, সপোন বা ইচ্ছাক গভীৰ বিশ্বাস, ইতিবাচক চিন্তা আৰু আন্তৰিক অনুভূতিৰ জৰিয়তে বাস্তৱত ৰূপ দিয়াৰ এক মানসিক শক্তি। বহুতে ইয়াক 'আকৰ্ষণৰ নীতি' বা Law of Attraction বুলিও কয়। এই নীতি অনুসৰি মানুহে যি ধৰণৰ চিন্তা কৰে আৰু যি শক্তি বিশ্বব্ৰহ্মাণ্ডলৈ প্ৰেৰণ কৰে, সেই ধৰণৰ শক্তিয়েই পুনৰ তেওঁৰ জীৱনলৈ আকৰ্ষিত হয়। অৰ্থাৎ ভাল চিন্তাই ভাল শক্তি আৰু সুন্দৰ সুযোগ আকৰ্ষণ কৰে, আনহাতে নেতিবাচক চিন্তাই নেতিবাচক পৰিস্থিতিৰ সৃষ্টি কৰে। এই ধাৰণাৰ মূল কথা হৈছে - মানুহে যি গভীৰভাৱে বিশ্বাস কৰে আৰু মনত সজীৱ কৰি ৰাখে, জীৱন ধীৰে ধীৰে সেই দিশলৈ আগবাঢ়িবলৈ আৰম্ভ কৰে। সেয়েহে ইতিবাচক চিন্তা, সুন্দৰ কল্পনা আৰু নিজৰ লক্ষ্যৰ ওপৰত বিশ্বাস অত্যন্ত গুৰুত্বপূৰ্ণ। যদি এজন ব্যক্তিয়ে সদায় নেতিবাচক চিন্তা কৰে, নিজৰ ওপৰত সন্দেহ কৰে আৰু ব্যৰ্থতাৰ ভয় মনত ৰাখে, তেন্তে তেওঁৰ আত্মবিশ্বাস ধীৰে ধীৰে কমি যায়। ফলত জীৱনৰ ওপৰতো নেতিবাচক প্ৰভাৱ পৰে। আনহাতে, ইতিবাচক চিন্তা, আত্মবিশ্বাস, ধৈৰ্য আৰু কঠোৰ পৰিশ্ৰমে মানুহৰ সফলতাৰ পথ মুকলি কৰে। কেৱল সপোন দেখিলেই সফলতা নাহে; সেই সপোন পূৰণৰ বাবে নিয়মীয়া চেষ্টা, বিশ্বাস আৰু মানসিক দৃঢ়তাও প্ৰয়োজন। নিজৰ লক্ষ্যৰ ওপৰত বিশ্বাস ৰাখি আগবাঢ়িলে মানুহে বহু অসাধ্য কামো সাধন কৰিব পাৰে।

বিশ্বব্ৰহ্মাণ্ড কেৱল অসীম আকাশ, তৰা, চন্দ্ৰ আৰু গ্ৰহ-নক্ষত্ৰৰে গঠিত এক বিশাল সৃষ্টি নহয়; ই এক গভীৰ আৰু ৰহস্যময় শক্তিৰ আধাৰ বুলিও বহুতে বিশ্বাস কৰে। মানুহৰ মন, অনুভূতি, আত্মা আৰু জীৱনৰ ঘটনাৱলীৰ সৈতে এই বিশ্বব্ৰহ্মাণ্ডৰ এক সূক্ষ্ম আৰু অদৃশ্য সম্পৰ্ক আছে বুলি বহু দাৰ্শনিক আৰু আধ্যাত্মিক চিন্তাধাৰাই ব্যাখ্যা কৰিছে। জীৱনত বহু সময়ত এনে কিছুমান ঘটনা ঘটে, যাৰ কোনো স্পষ্ট ব্যাখ্যা নাথাকে, কিন্তু সেই ঘটনাবোৰে যেন মানুহক সঠিক পথৰ দিশে আগুৱাই নিয়ে। কেতিয়াবা আকস্মিকভাৱে কিছুমান মানুহ, সুযোগ বা পৰিস্থিতি জীৱনত আহি পৰে, যিয়ে জীৱনৰ গতিপথ সলনি কৰি দিয়ে। এই সকলোকে বহুতে বিশ্বব্ৰহ্মাণ্ডৰ এক বিশেষ সংকেত বা আশীৰ্বাদ বুলি অনুভৱ কৰে। বহুতে এই কথাও বিশ্বাস কৰে যে বিশ্বব্ৰহ্মাণ্ডই মানুহে যি শক্তি, আচৰণ আৰু অনুভূতি চাৰিওফালে বিয়পায়, তাক কোনো নহয় কোনো ৰূপত পুনৰ ঘূৰাই দিয়ে। সেয়েহে জীৱনত প্ৰেম, দয়া, সহানুভূতি আৰু সৎ মনোভাৱ বজাই ৰখাটো অত্যন্ত গুৰুত্বপূৰ্ণ। যেতিয়া মানুহে নিজৰ অন্তৰৰ মাত শুনিবলৈ শিকে, জীৱনৰ প্ৰতি কৃতজ্ঞ হয় আৰু মনক শান্ত কৰি ৰাখে, তেতিয়া তেওঁৰ অন্তৰত এক গভীৰ শান্তি, সাহস আৰু আত্মিক শক্তিৰ জন্ম হয়। বিশ্বব্ৰহ্মাণ্ডৰ এই অদৃশ্য শক্তিয়ে মানুহক ভিতৰৰ পৰা আৰোগ্য লাভ কৰাত সহায় কৰে আৰু জীৱনলৈ নতুন আশা, পোহৰ আৰু প্ৰেৰণা কঢ়িয়াই আনে।

মানুহে আপোনাৰ প্ৰতি যিয়েই আচৰণ নকৰক কিয়, যদি আপুনিও প্ৰতিশোধৰ ভাৱ লৈ তেওঁলোকৰ পথেই অনুসৰণ কৰে, তেন্তে আপোনাৰ আৰু তেওঁলোকৰ মাজৰ পাৰ্থক্য লুপ্ত হৈ যাব। আনৰ কটু বাক্য, অবজ্ঞা বা নেতিবাচক আচৰণৰ প্ৰভাৱত নিজৰ মৰ্যাদা, সৌজন্যবোধ আৰু সুন্দৰ মানসিকতাক বিসৰ্জন দিয়াটো কেতিয়াও উচিত

নহয়। কিয়নো মানুহৰ আচৰণে তেওঁলোকৰ অন্তৰৰ পৰিচয় বহন কৰে, কিন্তু আপোনাৰ সহিষ্ণুতা, সংযম আৰু ইতিবাচক মনোভাৱেই আপোনাৰ ব্যক্তিত্বৰ প্ৰকৃত সৌন্দৰ্য প্ৰকাশ কৰে। নিজৰ অন্তৰৰ পৱিত্ৰতা আৰু মানসিক ঔজ্জ্বল্য অটুট ৰাখিব পৰাটোৱেই হৈছে প্ৰকৃত শক্তিৰ পৰিচয়।

আজিৰ সামাজিক মাধ্যমৰ যুগত মানুহৰ জীৱন বহু পৰিমাণে মোবাইল জগতৰ সৈতে জড়িত হৈ পৰিছে। বিশেষকৈ যুৱ সমাজে দিনটোৰ অধিকাংশ সময় সামাজিক মাধ্যমৰ মাজতেই অতিবাহিত কৰে। তাত আনৰ সফলতা, সুখ, সৌন্দৰ্য আৰু আড়ম্বৰপূৰ্ণ জীৱনৰ ছবি দেখি বহু যুৱক-যুৱতীয়ে নিজৰ জীৱনৰ সৈতে তুলনা কৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে তেওঁলোকৰ মনত হতাশা, নিৰুৎসাহ, আত্মবিশ্বাসহীনতা আৰু অতিমাত্ৰা চিন্তাৰ জন্ম হয়। বহু সংবেদনশীল আৰু সহানুভূতিশীল যুৱকে আনৰ দুখ-কষ্ট সহজেই হৃদয়ত অনুভৱ কৰে আৰু নিজৰ অন্তৰৰ বেদনাবোৰ নীৰৱে বহন কৰি ফুৰে। এই নীৰৱ মানসিক সংগ্ৰামে ধীৰে ধীৰে মনক ক্লান্ত আৰু অশান্ত কৰি তোলে। কিন্তু বাস্তৱতে প্ৰতিজন মানুহৰ জীৱনযাত্ৰা, পৰিস্থিতি আৰু লক্ষ্য সম্পূৰ্ণ পৃথক। সকলো মানুহ একে সময়ত একে ধৰণৰ সফলতা লাভ নকৰে। সেয়েহে আনৰ সৈতে নিজকে তুলনা নকৰি নিজৰ গুণ, সামৰ্থ্য আৰু সপোনক চিনি পোৱাটো অত্যন্ত প্ৰয়োজনীয়। মানসিক শান্তি আৰু আত্মবিশ্বাস অটুট ৰাখিবলৈ ধ্যান, আত্মপ্ৰেম, কৃতজ্ঞতাবোধ আৰু সুন্দৰ চিন্তাৰ বিশেষ ভূমিকা আছে। ধ্যানে মনক শান্ত আৰু স্থিৰ কৰি তোলে, আত্মপ্ৰেমে নিজৰ প্ৰতি সন্মান আৰু বিশ্বাস জগাই তোলে, আৰু কৃতজ্ঞতাই জীৱনৰ সৰু সৰু সুখসমূহক হৃদয়েৰে অনুভৱ কৰিবলৈ শিকায়। যেতিয়া এজন মানুহে নিজৰ মনত শুভ আৰু ইতিবাচক চিন্তা কৰে আৰু নিজকে সাহস দিয়ে, তেতিয়া তেওঁৰ অন্তৰত নতুন শক্তি আৰু আশাৰ সঞ্চাৰ হয়। 'মই সক্ষম', 'মই সফল হ'ম', 'মোৰ জীৱন সুন্দৰ' —এইধৰণৰ ইতিবাচক বাক্যই মানুহৰ মনক দৃঢ় আৰু আশাবাদী কৰি তোলে। বহুতে বিশ্বাস কৰে যে সুন্দৰ চিন্তা, ইতিবাচক মনোভাৱ আৰু মনৰ ইচ্ছাশক্তিয়ে বিশ্বব্ৰহ্মাণ্ডৰ শুভ শক্তিক আকৰ্ষণ কৰে, যিয়ে ধীৰে ধীৰে মানুহৰ অন্তৰক আৰোগ্য দান কৰি জীৱনলৈ নতুন পোহৰ আৰু আশাৰ বতৰা কঢ়িয়াই আনে।

ইতিবাচকতা, মনৰ ইচ্ছাশক্তি আৰু বিশ্বব্ৰহ্মাণ্ডৰ অদৃশ্য শক্তিৰ মাজত এক গভীৰ আৰু সূক্ষ্ম সম্পৰ্ক বিদ্যমান। মানুহে যি চিন্তা কৰে, যি অনুভৱ কৰে আৰু যি শক্তি চাৰিওফালে বিকিৰণ কৰে, তাৰ প্ৰভাৱ ধীৰে ধীৰে তেওঁৰ জীৱনতো প্ৰতিফলিত হয়। সেয়েহে যুৱ সমাজে যদি নিজৰ অন্তৰৰ শক্তিক চিনাক্ত কৰি সুন্দৰ চিন্তা, সৎ কৰ্ম আৰু আশাবাদী মনোভাৱক জীৱনৰ পথ প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰে, তেন্তে তেওঁলোকে কেৱল সফলতাই নহয়, মানসিক শান্তি আৰু আত্মিক তৃপ্তিও লাভ কৰিব পাৰিব। জীৱনৰ কঠিন সময়তো নিজৰ ওপৰত বিশ্বাস ৰাখি ধৈৰ্য, সাহস আৰু আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱাই হৈছে এক সুন্দৰ আৰু সফল জীৱনৰ মূল চাবিকাঠি।

গতিকে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতি সদায় কৃতজ্ঞতা প্ৰকাশ কৰা উচিত। জীৱনত পোৱা প্ৰতিটো সৰু সুখ, শিক্ষা, অভিজ্ঞতা আৰু আশীৰ্বাদৰ বাবে অন্তৰৰ পৰা 'Thank You Universe' বা 'ধন্যবাদ বিশ্বব্ৰহ্মাণ্ড' বুলি অনুভৱ কৰিব পাৰিলেই মনত এক অপূৰ্ব শান্তি আৰু তৃপ্তিৰ জন্ম হয়। কৃতজ্ঞতাই মানুহৰ অন্তৰক পৱিত্ৰ কৰি তোলে আৰু জীৱনৰ প্ৰতি এক গভীৰ আস্থা জগাই তোলে। **'Thank You Universe'** – এই সৰল কিন্তু গভীৰ অনুভৱটোৱে বহু সময়ত মানুহৰ অন্তৰত নতুন আশা, শক্তি আৰু পোহৰৰ সঞ্চাৰ কৰে।

❖

# Chat GPT আৰু শিক্ষা

*অংশুমান বৰুৱা*
ডি.এল.এড.

**বৰ্তমান সময়ত Artificial Intelligence** বা কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ দৈনন্দিন জীৱনত ক্ৰমান্বয়ে অধিক হ'বলৈ ধৰিছে। শেহতীয়াভাৱে Chat GPT ৰ আৱিৰ্ভাৱে কৃত্ৰিম বুদ্ধিমত্তাৰ জগতখনক অন্য এক মাত্ৰা প্ৰদান কৰিছে। Chat GPT ৰ পূৰ্ণৰূপ হ'ল "Chat Generative Pre-trained Transformer"। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ড° ষ্টিভ ৰাটছনে শেহতীয়াকৈ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ বেৱছাইটত এটা কথা উল্লেখ কৰিছে যে — " Chat GPT য়ে নতুন সুযোগ আৰু নতুন জটিলতা দুয়োটাকে আনে।'




শিক্ষাৰ ক্ষেত্ৰত Chat GPT য়ে বৰ্তমান সময়ত ইতিবাচক-নেতিবাচক দুয়োটা দিশত প্ৰভাৱ বিস্তাৰ কৰিছে। হাতৰ মুঠিতে পৃথিৱীৰ সকলো বা-বাতৰি, জ্ঞান-বিজ্ঞান, পৰিৱেশ, গণিত সকলোবোৰ বিষয় বিদ্যমান। কোনো প্ৰশ্ন বৰ্তমান Chat GPT তে বিচৰা দেখা যায়। ইয়াৰ জৰিয়তে কম সময়ৰ ভিতৰতে জ্ঞান লাভ কৰিব পাৰি। ভাষাৰ জ্ঞান – অৰ্থাৎ যিকোনো ভাষা শিকিব-বুজিব পৰা যায়। Chat GPT চৌবিশ ঘণ্টাই ব্যৱহাৰ কৰিব পৰা যায়, যাৰ ফলত যিকোনো মুহূৰ্তত যিকোনো তথ্য লাভ কৰিব পৰা হয়। জটিল বিষয় Chat GPT য়ে সহজ ভাষাত বুজাবলৈ সক্ষম হয়। Chat GPT ৰ অধিকতম ব্যৱহাৰে কিতাপৰ মৰ্য্যদা কমাই তুলিছে, ছাত্ৰী-ছাত্ৰীয়ে কিতাপ পঢ়িবলৈ অনীহা প্ৰকাশ কৰা দেখা গৈছে। Chat GPT ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন জ্ঞান লাভ কৰিছে যদিও নৈতিক জ্ঞান বা ব্যৱহাৰিক জ্ঞান লাভ কৰিকবলৈ সক্ষম হোৱা নাই। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা আৰু চিন্তাশক্তি ক্ৰমান্বয়ে হ্ৰাস হ'ব ধৰিছে। Chat GPT ৰ ব্যৱহাৰ সঠিক দিশত আৰু সমন্বিত ভাৱে হ'লে শিক্ষা জগতত এক বৈপ্লৱিক পৰিৱৰ্তন ঘটিব পাৰে। সকলো বিষয়ত Chat GPT ব্যৱহাৰৰ পৰা বিৰত থাকি সঠিক ব্যৱহাৰ কৰিলে ফলপ্ৰসু হ'ব।

❖

# শিশুৰ সৰ্বাংগীন বিকাশত অভিভাৱক আৰু সমাজৰ দায়িত্ব

*✍ তৰুণ সোণোৱাল*
বি.এড., চতুৰ্থ ষান্মাসিক
(ৰোল নং ঃ **২১**, বৰ্ষ ঃ **২০২৪–২০২৬**)

**শিশুৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত** অভিভাৱক আৰু সমাজৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিশু এটি সমাজৰ ভৱিষ্যত আৰু তেওঁলোকৰ শাৰীৰিক, মানসিক, সামাজিক আৰু নৈতিক বিকাশৰ দায়িত্ব অভিভাৱক আৰু সমাজ উভয়ৰে ওপৰত নিৰ্ভৰ কৰে। এই দায়িত্ব পালনৰ জৰিয়তে শিশুৰ সম্ভাৱনা প্ৰস্ফুটিত হয় আৰু তেওঁলোক এজন সুস্থ, দায়িত্বশীল আৰু সৃজনশীল নাগৰিক হিচাপে গঢ়ি উঠে।

অভিভাৱক হৈছে শিশুৰ প্ৰথম শিক্ষক আৰু পথ প্ৰদৰ্শক। শিশুৰ জীৱনৰ প্ৰাৰম্ভিক বছৰবোৰত অভিভাৱকৰ ভূমিকা সৰ্বাধিক। শাৰীৰিক বিকাশৰ বাবে পুষ্টিকৰ খাদ্য, স্বাস্থ্য সেৱা আৰু নিৰাপদ পৰিৱেশ প্ৰদান কৰাটো অভিভাৱকৰ দায়িত্ব। মানসিক বিকাশৰ বাবে শিশুক পঢ়া-শুনাৰ প্ৰতি উৎসাহিত কৰি, তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দি আৰু সৃজনশীলতা বৃদ্ধিত সহায় কৰিব লাগে। অভিভাৱকসকলেই শিশুক মৰম, শাসন আৰু উৎসাহ দি মানসিক ভাৱে শক্তিশালী কৰিব পাৰে। এটা সুস্থ পৰিৱেশতহে যে এটি সুস্থ শিশুৰ জন্ম হয় এই কথা অভিভাৱকসকলে সদায় মনত ৰাখিব লাগে। এটি শিশুৱে কিবা ভুল কৰিব পাৰে, কিন্তু তাক গালি পৰাৰ পৰিৱৰ্তে ভালদৰে বুজাই শুধৰাবলৈ চেষ্টা কৰাটো আমাৰ অভিভাৱক সকলৰ দায়িত্ব আৰু কৰ্তব্য। এটি শিশুৰ আত্মবিশ্বাস তেতিয়াই বাঢ়িব, যেতিয়া শিশুটিৰ লগত মাক-দেউতাক বা অভিভাৱকসকলে একেলগে খেলিব, একেলগে খোৱা-বোৱা কৰিব। এই কাৰ্য্যই শিশুটিক মিলাপ্ৰীতিৰ ভাৱ জগাই তোলাত সহায়ক হয়।

এটি শিশু সুস্থ-সবল কৰি গঢ়ি তোলাত অভিভাৱকৰ যেনে দায়িত্ব, ঠিক তেনেকৈ সমাজৰো দায়িত্ব আমি নুই কৰিব নোৱাৰোঁ। কাৰণ সমাজ হ'ল শিশুৰ বাবে এখন ডাঙৰ পৃথিৱী, য'ত এটি শিশুৱে ঘৰৰ বাহিৰত নতুন মানুহ, নিয়ম আৰু সংস্কৃতিৰ সৈতে মিলি জীয়াই থাকিবলৈ শিকে। এখন ভাল সমাজে এটি শিশুক নিৰাপদ পৰিৱেশ দিয়ে। উদাহৰণস্বৰূপে যদি গাঁও এখনত বা চুবুৰী এটাত শিশুসকলে খেলিবৰ বাবে ভাল খেলপথাৰ থাকে বা সুবিধাসমূহ থাকে, এটা পুথিভঁৰাল থাকে তেতিয়া শিশুসকলৰ শাৰীৰিক আৰু মানসিক দুয়োটাৰে উৎকৰ্ষ সাধন হয়।

মুঠৰ ওপৰত আমি সকলোৱে এটা কথাই মনত ৰাখিব লাগে যে আজিৰ শিশুৰ কাইলৈ দেশৰ নাগৰিক। গতিকে শিশুৰ সৰ্বাংগীন বিকাশত অভিভাৱকৰ যেনে দায়িত্ব সমাজৰো একেই দায়িত্ব।

❖

# সাম্প্ৰতিক সময়ত বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা

*পম্পী নাথ*
ডি.এল.এড., দ্বিতীয় ষান্মাষিক
(২০২৫ বৰ্ষ)

**বৃত্তিমূলক শিক্ষা হ'ল এনে এক শিক্ষা** যাৰ সহায়ত ব্যক্তিৰ কোনো বিশেষ ক্ষেত্ৰত ব্যৱসায়, চাকৰি আদিত সংস্থাপনৰ বাবে প্ৰয়োজন হোৱা দক্ষতা, যোগ্যতা আৰু ব্যৱহাৰিক জ্ঞান অৰ্জন কৰা হয়। এনে শিক্ষাৰ উদ্দেশ্য হ'ল যিকোনো ব্যক্তিক সম্পূৰ্ণ জীৱন অতিবাহিত কৰিব পৰা কোনো এক উপায় প্ৰদান কৰা। সাম্প্ৰতিক সময়ত বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা যথেষ্ট পৰিমাণে বৃদ্ধি পোৱা দেখা গৈছে। ইয়াৰ প্ৰধান কাৰক হৈছে এজন ব্যক্তিৰ মজত অন্তৰ্নিহিত হৈ থকা কৰ্মশক্তিক জগাই তোলা, আৰ্থিকভাৱে স্বচ্ছল কৰি তোলা বা সামাজিকভাৱে দক্ষতা বৃদ্ধি কৰা। এই শিক্ষাই প্ৰযুক্তিগত তথ্য, স্বাস্থ্যসেৱা আদিৰ দৰে বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰিক জ্ঞান আৰু দক্ষতা লাভ কৰাৰ লগে লগে ভৱিষ্যত জীৱন বাটত নিযুক্তি লাভত অৰিহণা যোগায়। ইয়াৰ উফৰিও সমাজ এখনৰ অগ্ৰগতিত বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা অপৰিসীম। সমাজৰ এজন ব্যক্তি শিক্ষিত হ'লেহে সেই শিক্ষাৰ পোহৰেৰে আনকো পোহৰাই তুলি সমাজৰ উন্নয়মনূলক দিশত সহযোগিতা কৰাৰ ফলতহে সমাজৰ উন্নতি সম্ভৱপৰ হয়।

এখন দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশত বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব আছে। এই শিক্ষাৰ জৰিয়তে ব্যক্তিৰ দক্ষতা আৰু জ্ঞান বৃদ্ধি পায়, যাৰ ফলত তেওঁলোকে দক্ষতাৰ মাধ্যমেৰে নিযুক্তি লাভ কৰি ভৱিষ্যত জীৱনৰ বাবে আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰে। এক কথাত ক'ব গ'লে কৰ্মশক্তিক জাগ্ৰত কৰি তাক কাৰ্যলৈ ৰূপান্তৰ কৰা। ইয়াৰ উফৰিও কৰ্মই যে সকলোৰে জীৱনক অন্য এক পৰ্যায়লৈ পৰ্যবেসিত কৰিব পাৰে তাৰ প্ৰমাণ দিয়ে। বৃত্তিমূলক শিক্ষাই মানুহক সামাজিক দক্ষতাৰো বিকাশ সাধন কৰে, জীৱন সম্পৰ্কে এক সুন্দৰ মনোভাৱ গঢ়ি তোলে। কেৱল এয়াই নহয়, ই মানুহৰ মানসিক জগতত উৎকৰ্ষ সাধন বা বৌদ্ধিক দক্ষতাও বিকাশ কৰে।

বৰ্তমান সময়ত কেৱল অধ্যয়ন কৰিয়েই কোনো কৰ্ম সংস্থাপন লাভ কৰাটো সহজসাধ্য নহয়। ইয়াৰ বাবে আমাক প্ৰয়োজন হয় প্ৰযুক্তিগত কৌশল, দক্ষতা আৰু প্ৰযুক্তিগত জ্ঞান। সেয়েহে এনে জ্ঞান আহৰণ কৰিবৰ বাবেই বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজন অনস্বীকাৰ্য। ইয়াৰ উপৰিও এনে শিক্ষা লাভৰ দ্বাৰা শিক্ষাৰ্থীসকলে স্ব-নিৰ্ভৰশীল হৈ নিজা ব্যৱসায় আৰম্ভ কৰি আৰ্থিকভাৱে সবল হৈ এখন ঘৰ বা এটা পৰিয়াল পোহপাল দিব পাৰে। ইয়াৰ ফলত সমাজত দিনক দিনে বৃদ্ধি পাই অহা নিবনুৱা সমস্যা ক্ৰমান্বয়ে হ্ৰাস পাব। অৱশ্যে বৃত্তিমূলক শিক্ষাত তথ্য প্ৰযুক্তি,

স্বাস্থ্যসেৱা, কৃষি আদি ভিন ভিন পাঠ্যক্রমৰ ভূমিকা আছে। এই শিক্ষাই আনুষ্ঠানিক শিক্ষাৰ উপৰিও মানুহৰ ব্যৱহাৰিক জ্ঞান, বোধ আদি বৃদ্ধিত যথেষ্ট পৰিমাণে সহায় কৰে।

বৃত্তিমূলক শিক্ষাই মানুহক প্ৰায়োগিক দিশৰ জ্ঞান দিয়ে, যাৰ ফলত তেওঁলোকৰ শৈক্ষিক মানদণ্ড যথেষ্ট বৃদ্ধিপায়। বৰ্তমান সময়ত বৃত্তিমূলক শিক্ষাৰ অগ্ৰগতিত আৰু অধিক বৰঙণি আগবঢ়োৱা এটা দিশ হৈছে 'সকলোৰে বাবে শিক্ষা' — গাঁও, চহৰ অঞ্চলৰ সকলোৱে শিক্ষা গ্ৰহণ কৰাত এনে শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি বৃত্তিমূলক প্ৰশিক্ষণৰ দ্বাৰা শিক্ষাৰ্থীৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশ সাধন হয় আৰু বৰ্তমান একবিংশ শতিকাৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন দক্ষতা আয়ত্ত কৰিবলৈ সক্ষম হয়। লগতে বৃত্তিমূলক শিক্ষাৰ দ্বাৰা সমাজতথকা শিক্ষাৰ্থীসকলৰ দক্ষতাৰ ব্যৱধান গ্ৰহণ কৰা হয়।

বৃত্তিমূলক শিক্ষাই মানুহক আজীৱন শিক্ষা লাভৰ ক্ষেত্ৰত উৎসাহিত কৰে, যাতে তেওঁলোকে জীৱনৰ প্ৰয়োজনত নিজৰ দক্ষতা আৰু জ্ঞান সংশোধন কৰিব পাৰে। গতিকে এনেদৰে চালে দেখা যায় যে শিক্ষাৰ বৃত্তিমূলক লক্ষ্যই ব্যক্তিক নিৰ্দিষ্ট লক্ষ্য বা জীৱনৰ সফলতাৰ বাবে তৈয়াৰ কৰা শিক্ষাৰ প্ৰাথমিক উদ্দেশ্যক বুজায়। ইয়াত শিক্ষাৰ্থীসকলক নিজ কৰ্মশক্তিৰে পাৰদৰ্শিতা দেখুৱাবলৈ প্ৰয়োজন হোৱা জ্ঞান, দক্ষতা আৰু কৌশল আদি আয়ত্ত কৰাত গুৰুত্ব দিয়া হয়। এই শিক্ষাই ব্যৱহাৰিক, চাকৰি সম্পৰ্কীয় শিক্ষা আৰু প্ৰশিক্ষণক গুৰুত্ব দিয়ে, যাৰ লক্ষ্য হৈছে নিযুক্তি লাভৰ যোগ্যতা, কৰ্মশক্তি বৃদ্ধি কৰা আৰু সমাজলৈ যথেষ্ট পৰিমাণে অৰিহণা যোগোৱা।

❖

## শিক্ষা আৰু স্বাধীন চিন্তাৰ প্ৰসংগত আইনষ্টাইন

এজন ব্যক্তিক বিশেষজ্ঞ হ'বলৈ শিকোৱাটোৱেই যথেষ্ট নহয়। এইটোৰ যোগেদি অৱশ্যেই ব্যক্তিজন এটা কামত অহা যন্ত্ৰত পৰিণত হয়, কিন্তু ব্যক্তিজনৰ বহুপাৰ্শ্বিক ব্যক্তিত্বই বিকাশ লাভ কৰিব নোৱাৰে। এজন ছাত্ৰই বিভিন্ন মূল্যবোধৰ সম্পৰ্কে অৱগত হোৱাটো আৰু এটা প্ৰমূল্যবোধত বিশ্বাস কৰাটো প্ৰয়োজনীয়। সৌন্দৰ্য আৰু নৈতিকতা সম্পৰ্কে তেওঁৰ চেতনা সজীৱ হ'ব লাগিব। ব্যক্তিয়ে জীৱনৰ অৰ্থ বিচাৰিব জানিব লাগিব, মানুহৰ ভ্ৰান্ত বিশ্বাসবোৰৰ বিৰুদ্ধে সজাগ হ'ব লাগিব, মানুহৰ দুখ-কষ্টই তেওঁক জোকাৰিব লাগিব — তেতিয়াহে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ স'তে তেওঁৰ এটা ভাল সম্পৰ্ক স্থাপিত হ'ব..........।

# শিক্ষক-শিক্ষয়িত্ৰীসকল সমাজৰ চিৰনমস্য ব্যক্তি

✍ ***ৰঞ্জুমণি দুৱৰা***
বি.এড., চতুৰ্থ যান্মাষিক

**গুৰু হৈছে আমাৰ তিনিজন।** আদি গুৰু, জন্মদাতা পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল। বিদ্যালয়ৰ শিক্ষা আহৰণ কৰা সময়ৰ পৰা সন্তানসকল হৈ পৰে ছাত্ৰ-ছাত্ৰী। ছাত্ৰ-ছাত্ৰী তথা সমাজৰ সকলো লোকৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকল হৈছে সমাজৰ চিৰ সমস্য ব্যক্তি। আগৰ দিনত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগুৰুৰ ওচৰত আঁঠু লৈ আশীৰ্বাদ লৈছিল। শিক্ষাগুৰুসকলে শিক্ষাৰ্থীৰ মূৰত হাত বুলাই আশীৰ্বাদ দিছিল। সেই সময়ত গুৰু-শিষ্যৰ মাজত আন্তৰিক শ্ৰদ্ধা-ভক্তি, মৰম-চেনেহ আদিৰ সুমধুৰ সম্পৰ্ক আছিল। বৰ্তমান সময়ত গুৰু-শিষ্যৰ মাজত আন্তৰিক শ্ৰদ্ধা-ভক্তিৰ দৰে সম্পৰ্কৰ সাল-সলনি ঘটা দেখা যায়। অৱশ্যে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সম্পৰ্ক ঠিকেই থাকে, কিন্তু উচ্চ শ্ৰেণী পোৱাৰ লগে লগে বহুতো ছাত্ৰ-ছাত্ৰীৰ মহান শিক্ষাগুৰুসকলৰ প্ৰতি থকা ভক্তি ভাৱ আগৰ তুলনাত বহুগুণে কম হোৱা দেখা যায়।

'আজিৰ ছাত্ৰ ভৱিষ্যতৰ দেশৰ ধৰণী স্বৰূপ।' গতিকে এঁলোকক একো একোজন সু-নাগৰিক কৰি গঢ়ি তোলাত শিক্ষকৰ অৱিহণা অতুলনীয়। তেওঁলোকক প্ৰতিটো দিশতে সাহসেৰে থিয় দিব পৰাকৈ গঢ় দিয়াত শিক্ষক-শিক্ষয়িত্ৰীসকলেই অৱিহণা যোগাই আহিছে। যদিও সন্তানে প্ৰাৰম্ভিক শিক্ষা আহৰণ কৰে পিতৃ-মাতৃ তথা ঘৰৰ পৰিৱেশৰ পৰা, তথাপি শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতে উজ্জ্বল জীৱন গঢ়াত অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।

শিক্ষকৰ শিক্ষা কেতিয়াও অন্ত নহয়। প্ৰতি মুহূৰ্ততে তেওঁলোকে নতুন নতুন কথা শিকিব লগা হয়। কিয়নো বিশ্ব চৰাচৰ চিৰ পৰিৱৰ্তনশীল। শিক্ষক সমাজে ছাত্ৰ-ছাত্ৰীৰ বাবে বহুত শিকিবলগা হয়। সেয়েহে তেওঁলোকে নিজৰ কথা নাভাবি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিজকে আগবঢ়াই নিব লাগে। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকসকলক নিজৰ আদৰ্শ হিচাপে লয়। শিক্ষকে ভুল কৰিলেও সেয়া শুদ্ধ বুলিয়েই ভাবে।

মৌ-মাখিয়ে যেনেকৈ ফুলৰ ৰস বিচাৰি আনি মৌ-বাহত ৰসঘৰা তৈয়াৰ কৰে, তেনেকৈয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলেও জ্ঞানৰ মৌ-ৰস বিচাৰি আনি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিলাব লগা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও চৌপাশৰ সকলোৱে শিক্ষক সমাজৰ পৰা বিভিন্ন কথা জানিব বিচাৰে।

ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকসকল একেডাল সূতাৰে বান্ধ খাই সমাজখন সু-শৃংখলিতভাৱে চলাত অৱিহণা

যোগাই আহিছে। শিক্ষক হৈছে মহাশক্তিমান। তেওঁলোকে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে, ইতিহাস নিয়ন্ত্ৰণ কৰিব পাৰে। গুৰুৰ স্থান কাৰো লগত তুলনা নহয়। ই এক পৱিত্ৰ অনুভূতি।

মহান মনিষী, লেখক, গৱেষক, সুবক্তা, ৰাজনীতিবিদ, শিক্ষাবিদ তথা ভাৰত মাতৃৰ সুসন্তান ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ যে জনতাৰ প্ৰকৃত শিক্ষক আছিল তাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ মাধ্যমেদি শিক্ষাগুৰুসকলক উক্ত দিনটোত উচিত সন্মান জনাবলগা বিষয়টো ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়াটো প্ৰণিধানযোগ্য। শিক্ষক দিৱসৰ দিনটোত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন দৰ্শন আলোচনা কৰি ছাত্ৰ-ছাত্ৰীসকলক এখন সুস্থ আৰু সবল সমাজ গঠনত ড° ৰাধাকৃষ্ণণে যি অহোপুৰুষাৰ্থ কৰিছিল তাৰ কৃতজ্ঞতা জনোৱাত, সন্মান জনোৱাত ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব লাগে। সেই চিন্তাধাৰাৰ আঁত ধৰিয়েই জীৱন পথত বাট বোলোতে পোৱা যি কোনো শিক্ষা দান কৰাজনক গুৰুজ্ঞান কৰিবলৈ শিকোৱাটো আজিৰ সময়ৰ দাবী হোৱা উচিত।

গতিকে সমাজৰ নমস্য ব্যক্তি হিচাপে শিক্ষক-শিক্ষয়িত্ৰী সকলেই ছাত্ৰ-ছাত্ৰীসকলক শিকাব লাগিব যে যি কোনো শিক্ষাদান কৰাজনক গুৰুজ্ঞান কৰা উচিত। বোধহয়, তেতিয়াহে ছাত্ৰ-ছাত্ৰীসকলেও সমাজৰ প্ৰতিজন নমস্য ব্যক্তিক শ্ৰদ্ধা কৰিবলৈ শিকিব আৰু এখন সুস্থ সমাজ গঢ়াত আগভাগ ল'ব।

❖

## আব্ৰাহাম লিংকনে এগৰাকী শিক্ষকলৈ লিখিছিল —

"........... মই ভাবো, সকলো মানুহেই যে সাধু নহয় আৰু সকলো মানুহেই যে সত্যবাদী নহয় এই কথা ছাত্ৰ-ছাত্ৰীয়ে শিকিব লাগিব। কিন্তু তেওঁক এইটো শিক্ষাও দিব যে প্ৰতিজন দুৰ্জন ব্যক্তিৰ বিপৰীতে একোজন বীৰ থাকে, প্ৰতিজন স্বাৰ্থপৰ ৰাজনীতিকৰ বিপৰীতে নিষ্ঠাবান সেৱক থাকে......। ছাত্ৰক শিকাওক যে প্ৰতিজন শত্ৰুৰ বিপৰীতে একোজন বন্ধু থাকে। এনে শিক্ষাই যে সময় ল'ব মই জানোঁ। কিন্তু আপুনি যদি পাৰে, তেওঁক শিকাওক যে এনেয়ে পোৱা পাঁচ ডলাৰতকৈ আৰ্জিত এক ডলাৰৰ মূল্য বহু বেছি....... পৰাজয়কো মানি ল'বলৈ তেওঁক শিকাব..... আপুনি পাৰিলে তেওঁক কিতাপৰ মহিমা শিকাওক..... লগতে তেওঁক আকাশৰ চৰাই, মিঠা ৰ'দত বিচৰণ কৰা মৌ-মাখি আৰু সেউজীয়া পাহাৰৰ গাতে লাগি থকা ফুলৰ চিৰন্তন ৰহস্যৰ আঁত বিচাৰিবলৈ নীৰৱ সময় দিয়ক। ......... স্কুলত এইটো শিক্ষা দিব যে ফাঁকি দিয়াতকৈ অকৃতকাৰ্য্য হোৱা বহুত বেছি সন্মানজনক........। আন সকলোৱে ভুল বুলি ক'লেও তেওঁক ধ্যান-ধাৰণাত আস্থা ৰাখিবলৈ শিকাওক........। নম্ৰজনৰ লগত নম্ৰ হ'বলৈ আৰু কঠোৰৰ লগত কঠোৰ হ'বলৈ শিকাওক। ঢাকঢোলৰ পিছে পিছে যোৱা জনতাক অনুসৰণ নকৰিবলৈ মোৰ ল'ৰাক শক্তি দিবলৈ চেষ্টা কৰক। তেওঁক সকলোৱে বক্তব্য শুনিবলৈ শিকাওক.... কিন্তু শুনা সকলো কথা সত্যৰ চালনিৰে চালি চাবলৈ শিক্ষা দিয়ক, আৰু তাৰ পিছতহে শুদ্ধখিনি গ্ৰহণ কৰিবলৈ শিকাওক। ....... নিজৰ বল-বুদ্ধিক সবাতোকৈ বেছি মূল্য দিবলৈ, কিন্তু কেতিয়াও আন্তৰিকতাৰ দৰদাম নকৰিবলৈ তেওঁক শিকাওক। জুম বান্ধি ফুৰা জনতাৰ কোলাহললৈ কাণ নিদিবলৈ তেওঁক শিকাওক ........."

# ইজৰাইল-পেলেষ্টাইনৰ আঁৰৰ যুদ্ধ ইতিহাস আৰু ইয়াৰ ৰাজনীতি

✍ *নীহা বৰা*
ডি.এল.এড., দ্বিতীয় ষান্মাষিক
(২০২৫ বৰ্ষ)

ISLAEL & PALESTINE




**প্ৰায় তিনিহেজাৰ বছৰ আগতেই** **১৩০০** খৃঃপূঃত পূব ভূমধ্যসাগৰ ঠাইত (বৰ্তমান ইজৰাইল দেশত) ইহুদী (Jewish) নামৰ জনজাতি এটাই বাস কৰিছিল। সেই ঠাইখন এছিয়া, আফ্ৰিকা আৰু ইউৰোপে চাৰিওফালে আগুৰি আছে। সেইবাবে খুব সঘনাই বাহিৰৰ লোক প্ৰব্ৰজন কৰিছিল আৰু লাহে লাহে ইহুদী লোকসকলে ভিন্ন দেশলৈ ওলাই গৈছিল। অৱশেষত এই ঠাইত ৭০ খৃষ্টাব্দত ৰোমান সাম্ৰাজ্য স্থাপন হৈছিল আৰু ঠাইডোখৰৰ নাম পেলেষ্টাইন ৰখা হৈছিল।

৭ শতিকা খৃষ্টাব্দত পেলেষ্টাইনৰ কাষতে থকা চৌদি আৰবত মুছলমানসকলৰ জন্ম হৈছিল। লাহে লাহে কাষৰ অঞ্চলবোৰতো মুছলমান ধৰ্ম সিঁচৰিত হৈ পৰে। তেনেদৰে পেলেষ্টাইনতো আৰবী ভাষা কোৱা মুছলমান লোকৰ সমাগম হয়। ইহুদী লোকসকলে নিজৰ ঐতিহাসিক ঠাইখন এৰি ভিন্ন দেশলৈ যোৱাৰ পাছত হাৰাশাস্তি ভুগিবলগীয়া হ'ল। সেইবাবে তেওঁলোকে নিজৰ ঠাইলৈ ঘূৰি আহিবৰ মন মেলিলে। ইহুদীসকল থকা পুৰণি ঠাইখন আধ্যাত্মিক ঠাই হিচাপে মানিছিল। অকল ইহুদীসকলেই নহয়, খ্ৰীষ্টান আৰু মুছলমানসকলেও সেই ঠাইক আধ্যাত্মিকভাৱে মানিছিল। ইহুদীসকল পুনৰ নিজ ঠাইলৈ ঘূৰি অহা এই আন্দোলনটোৰ নাম যাইনিজম আন্দোলন হিচাপে জনা হৈছিল। এই আন্দোলনত আমেৰিকা, ব্ৰিটেইন আদি দেশে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল।

**১৯১৪** চনত প্ৰথম বিশ্বযুদ্ধ ব্ৰিটেইন আৰু জাৰ্মানীৰ মাজত সংঘটিত হৈছিল। এই যুদ্ধত জাৰ্মানী পৰাজিত হ'ল। তাৰ পাছতেই জাৰ্মানীত অৰ্থনীতিৰ অভাৱে দেখা দিলে। হিটলাৰে প্ৰথম বিশ্বযুদ্ধত জাৰ্মানী পৰাজিত হোৱাৰ কাৰণ হিচাপে ইহুদীসকলক অত্যাচাৰ কৰিব ধৰিলে। আনহাতে **১৯৩৯** চনত হোৱা দ্বিতীয় বিশ্বযুদ্ধত আৰৱে হিটলাৰক সহযোগিতা কৰিছিল আৰু ইহুদী লোকসকলে ব্ৰিটেইন, আমেৰিকা, ৰাছিয়াক সহযোগিতা কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছতেই কিছু কিছু ইহুদী লোকে নিজৰ ঐতিহাসিক ঠাইলৈ ঘূৰি গৈছিল।

আমেৰিকাই ইহুদী লোকসকলৰ বাবে ৰাষ্ট্ৰসংঘত এটা প্ৰস্তাৱ আগবঢ়ায় যে ইহুদী

লোকসকলৰ বাবে এখন বেলেগকৈ দেশ স্থাপন কৰা যাওক। এই প্ৰস্তাৱত বহুতো দেশে আমেৰিকাৰ সপক্ষে মাত লগালে। অনহাতে ইহুদী, খ্ৰীষ্টান আৰু মুছলমানসকলৰ আধ্যাত্মিক ঠাই জেৰুজালেমক কোনো এখন দেশৰ অধীনত নাৰাখি আন্তৰ্জাতিক চহৰ হিচাপে ঘোষণা কৰিলে। কাৰণ এই চহৰখন তিনিওটা ধৰ্মৰ লোকে পবিত্ৰ আধ্যাত্মিক ঠাই হিচাপে বিশ্বাস কৰে।

**১৯৩৯** চনৰ **১৪** মে' তাৰিখে ইজৰাইলক দেশ হিচাপে স্থাপিত কৰিছিল। সেই কথা কাষৰ আৰব দেশবিলাকে মানি ল'ব পৰা নাছিল। তাৰ পৰিণতি স্বৰূপে ইজিপ্ত, লেবানন, চিৰিয়া আদি আৰব দেশবিলাকে ইজৰাইলৰ ওপৰত আক্ৰমণ কৰিছিল। তাক প্ৰথম আৰব-ইজৰাইল যুদ্ধ বুলি কোৱা হয়।। ইজৰাইলে যুদ্ধৰ উত্তৰ হিচাপে পুনৰ আক্ৰমণত নামিল। ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱ হিচাপত ইজৰাইলে যিমান ঠাই দেশ হিচাপে পাইছিল তাতকৈ বেছি ঠাই পুনৰ যুদ্ধৰ যোগেৰে আগুৰি ল'লে। **১৯৫০** চনত ইজৰাইলে এটা আইন প্ৰস্তুত কৰি উলিয়ালে যাক 'Law of Return' নামেৰে জনা যায়। এই আইনৰ মতে ইহুদীসকল পৃথিৱীৰ যিকোনো অঞ্চলতে নাথাকক লাগে, তেওঁলোকে ইজৰাইলৰ নাগৰিকত্ব লাভ কৰিব আৰু যেতিয়াই মন কৰে তেতিয়াই ইজৰাইললৈ আহিব পাৰিব। পুনৰ আক্ৰমণৰ পাছত পেলেষ্টাইনৰ কেৱল সৰু সৰু দুটা অঞ্চলহে বাকী থাকিলে। এই অঞ্চলক কোৱা হয় দক্ষিণতম বেংক আৰু আনটো অঞ্চলক কোৱা হয় গাজা। দুয়োটা অঞ্চলেই ইটোৰে সিটোৰ লগত লগ লগা নহয়।

গাজা অঞ্চলত এটা সক্ৰিয় সংগঠন আছে, যাক হামাচ নামেৰে জনা যায়। হামাচ আতংকবাদী নে আন্দোলনকাৰী তাৰ ওপৰত ভিন্ন দেশৰ ভিন্ন মত। এই হামাচ সংগঠনটোৱে **২০২৩** চনৰ **৭** অক্টোবৰ তাৰিখে ইজৰাইলৰ ওপৰত বোমা বিস্ফোৰণ কৰে আৰু তাৰ প্ৰত্যুত্তৰত ইজৰাইলে নেৰানেপেৰাকৈ আক্ৰমণ চলায়। এই আক্ৰমণত পেলেষ্টাইনৰ বহুতো নিৰীহ জনসাধাৰণৰ মৃত্যু হয়। লগতে ক্ৰমান্বয়ে চলাই থকা আক্ৰমণৰ বাবে পেলেষ্টাইনত ভোকমাৰীয়ে দেখা দিয়ে।

এই সমগ্ৰ ঘটনাটো যদিও ৰাষ্ট্ৰসংঘত আলোচনা চলিছে তথাপিও আমেৰিকাৰ ইজৰাইলৰ ওপৰত পূৰ্ণ সহযোগিতা থকাৰ বাবে এই যুদ্ধ যুদ্ধবিৰতি (Ceasefire) কৰিব পৰা নাই। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত (UNSC) পাঁচখন দেশৰ স্থায়ী ভেটো ক্ষমতা বা প্ৰতিষেধ ক্ষমতা আছে আৰু আন **১০** খন দেশৰ অস্থায়ীভাৱে সদস্য দেশ। ভেটো ক্ষমতা (Veto Power) থকা দেশকেইখনৰ নাম হ'ল আমেৰিকা, চীন, ৰাছিয়া, ব্ৰিটেইন আৰু ফ্ৰান্স। নিৰাপত্তা পৰিষদৰ নিয়ম মতে কোনো উক্তি নিৰাপত্তা পৰিষদত উত্থাপিত হ'লে সেই উক্তি যদি ভেটো ক্ষমতা থকা যিকোনো দেশে নাকচ কৰে, তেন্তে সেই উক্তি মানি লোৱা নহয়। এনে ক্ষমতা থকাৰ বাবেই আমেৰিকাই ইজৰাইলৰ বিপক্ষে অহা উক্তি নাকচ কৰিব পাৰে। শেহতীয়াকৈ আমেৰিকাই যুদ্ধ বিৰতিৰ ওপৰত ছয় নম্বৰ বাৰ যুদ্ধবিৰতিৰ উক্তিটো নাকচ কৰিছে। বিচাৰ কৰিলে যুদ্ধবিৰতি নাকচৰ বিপৰীতে আমেৰিকাৰ বহুতো স্বাৰ্থ জড়িত হৈ আছে। যিহেতু দক্ষিণ এছিয়াৰ দেশবিলাক তেল আৰু প্ৰাকৃতিক গেছৰ বাবে চহকী দেশ। যদি দক্ষিণ এছিয়াৰ দেশবিলাক আমেৰিকাৰ হাতৰ মুঠিত আহিব পাৰে তেন্তে ভৱিষ্যতে **৩০**ৰ পৰা **৪০** বছৰ পৰ্যন্তলৈকে অৰ্থনীতি ক্ষেত্ৰত চহকী হৈ পৰিব। ❖

# পৰম্পৰাগত গীত-মাতত ঠেঙ্গাল-কছাৰী সমাজ জীৱনৰ প্ৰতিফলন

✍ *মাখন শইকীয়া*
শিক্ষক প্ৰশিক্ষাৰ্থী, বি.এড., দ্বিতীয় যান্মাষিক
(২০২৫–২৭ বৰ্ষ)



**সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে** গতিশীল সময়ে মানুহক শিকাই আহিছে জীৱনবোধৰ ধাৰণা। মানুহে সমাজ পাতি বাস কৰিবলৈ শিকাৰ পৰাই বিভিন্ন উপলক্ষত কৰা সহজাত আচৰণে সৃষ্টি কৰিছে ৰীতি-নীতি, লোকাচাৰৰ। গঢ় লৈ উঠিছে কৃষ্টি-সংস্কৃতি, পৰম্পৰা, নিৰ্দ্ধাৰিত হৈছে সমাজৰ নিৰ্দিষ্ট গতিপথ, গঠন হৈছে একোটা জনগোষ্ঠীৰ। বিভিন্ন সময়ত প্ৰাপ্তিৰ আনন্দত মতলীয়া হৈ মুখৰ পৰা উচ্চাৰিত স্বতঃস্ফূৰ্ত মাত-কথা বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ভীতিবিহ্বল হৈ কৰা ক্ৰিয়া-কলাপৰ আধাৰতেই সৃষ্টি হৈছে পৰম্পৰাগত গীত-মাত, ৰীতি-নীতিৰ। গতিকে এটা জাতিৰ প্ৰচলিত ৰীতি-নীতি, গীত-মাত, লোকাচাৰৰ মাজতেই সেই জাতিৰ সমাজ জীৱনৰ প্ৰতিফলন ঘটে। সূক্ষ্ম বিশ্লেষণ, গভীৰ উপলব্ধিৰ মাজেৰেই পঢ়িব পাৰি এটা জাতিৰ সমাজৰ সামাজিক জীৱনগাঁথা।

জনগাঁথনিৰ দিশৰ পৰা অসম এনে এখন ৰাজ্য, য'ত অতি সীমিত ভৌগোলিক পৰিসৰৰ ভিতৰত বিভিন্ন জাতি-জনজাতিয়েই সুকীয়া সুকীয়া কৃষ্টি-সংস্কৃতিৰে মহীয়ান, যদিও তেওঁলোকৰ সমাজ জীৱন ইটোৰ লগত সিটো খাপ খাই পৰা বিধৰ। ই নিশ্চয় একেই প্ৰাকৃতিক পৰিবেশ, একেই কৃষি নিৰ্ভৰ জীৱন ধাৰণ প্ৰক্ৰিয়াৰেই ফলশ্ৰুতি। ঠেঙ্গাল কছাৰী লোকসকৰ মাজতো প্ৰচলিত গীত-মাত, ফকৰা-যোজনা, খণ্ডবাক্য, বিয়ানাম, বিহুনামত সমাজ জীৱনৰ এখন স্পষ্ট ছবিৰ প্ৰতিফলন ঘটা দেখা পোৱা যায়। তাৰেই আধাৰত দৈনন্দিন জীৱনৰ এক অৱলোকন –

সাধাৰণতে নতুনকৈ যৌৱনৰ দুৱাৰডলিত ভৰি দিয়া চেঙেলীয়া ডেকা এটিৰ চাল-চলনত স্বভাৱগত চঞ্চলতা দেখিবলৈ পোৱা যায়। এই বয়সত বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে, ডাঙৰ সকলৰ কথা নেমানি সমনীয়াৰ লগত ঘৰখনৰ

কাম-কাজ এৰি ওলাই যোৱা স্বভাৱত পৰিণত হয়। সেয়ে এনেদৰে কোৱা হয় —

*ক'লৈ যাৱ কলিয়া গধূলি বেলিকা*
*মাৰকো নোবোল আই,*
*অত গৰু-ম'হে হেদালি মেলিলি*
*ছোৱালীৰ বাতৰি পাই।*

গাওঁখনৰ ধুনীয়া ছোৱালীজনীৰ ওপৰত ডেকাহঁতৰ চকু। সকলোৰেই চেষ্টা তাইৰ কাষ চাপিবলৈ, মন পাবলৈ। ডেকাহঁতৰ এই আচৰণে গাভৰুজনীক আমনি নকৰাও নহয়, যোজনাত গাভৰুজনীৰ মুখত ইয়াৰ প্ৰতিফলন ঘটিছে এনেদৰে —

*খাই খাই আমনি লতা পনিয়ল*
*বহি বহি আমনি তাত,*
*দেখি দেখি আমনি গাঁৱৰ ডেকা ল'ৰা*
*লগায় ঘনে ঘনে মাত।*

আনহাতে ডেকামখাৰ উৎপাতত ছোৱালী এজনীৰ গতিবিধিৰ ওপৰত ঘৰখনৰ চোকা নজৰ। এই বয়সৰ ছোৱালীহঁতে নিজকে সাজি-কাচি ধুনীয়া হৈ থাকিব বিচাৰে, তাতো ককায়েকহঁতৰ বাধা —

*আয়ে নিদিলে সেউতা ফালিব*
*দেউতাই নিদিলে মণি,*
*বৰটি ককায়ে নিলে খেদামাৰি*
*বাৰু কৈ এজনী হ'লি।*

এনে অৱস্থাত ছোৱালীজনীক ঘৰখনে বান্ধোনত ৰাখিব লগা হয়। যিহেতু জনজাতীয় সমাজত ছোৱালীৰ অমতত বাটৰ পৰা ধৰি নিয়ো ছোৱালী বিয়া পাতে। পৰৱৰ্তী সময়ত অনিচ্ছাকৃতভাৱে ৰাইজৰ হেঁচাত মিতিৰ হ'ব লগা হয়। সেয়ে ছোৱালীক সতকাই কলৈকো অকলে যাবলৈ নিদি ককায়েকহঁত কোনোবা এটা লগত যায়। ককায়েকক উদ্দেশ্যি ডেকাহঁতে বিহুগীতত এনেদৰে গায় —

*আহুধানৰ লেচেৰী কলৈ যাৱ জেঠেৰী*
*ভনীয়েৰক আগতে লৈ,*
*এইবেলি জেঠেৰী সাৱধানে থাকিবি*
*ভনীয়েৰে নিলামত যাবৈ।*

অসমৰ সমাজ জীৱনত তাঁতশালে এক বিশেষ স্থান দখল কৰি আহিছে। ঠেঙ্গাল কছাৰী সমাজতো তাঁতশালে পৰম্পৰাগত গীত-মাতৰ জৰিয়তে স্থান লাভ কৰি আহিছে। তাঁতশালতেই গঢ়ি উঠে জীৱন সংস্কৃতি। প্ৰাণ পাই উঠে শিপিনীৰ নিপুণতাই। ইয়াতেই ৰচিত হয় বহুতৰ আশাৰ ৰঙীন সপোন, কাৰোবাৰ সপোন ভাগে। তাঁতশাল গাভৰুৰ প্ৰেম, বিৰহ-বেদনা আৰু আবেগ অনুভূতিৰ থল। তাঁতশালক লৈ যে কত বিহুনাম —

*কেলৈ আহিলি থিয় দুপৰীয়া*
*কেলৈ লগালি মাত,*
*তোৰে খতি হ'লে হাতৰ কাঠি কামি*
*মোৰে খতি হ'ল তাঁত।*
*খিটিপ-খিতিপ কৰি তাঁতে বৈ আছিলোঁ*
*দুৰপতিৰ শুৱলা মাত,*
*তাঁতৰ মাতে শুনি ৰ'বকে নোৱাৰোঁ*
*এৰি যাওঁ পেটৰে ভাত।*
*তিতিকি তিতা পাত যোৰহাটৰ চিৰাম পাট*
*চাদৰে চেলেঙে বান্ধোঁ,*
*চাদৰে চেলেঙে মন নোখোৱা হ'ল*
*মজিয়াত পেলাই থৈ কান্দোঁ।*

'বুঢ়ামেঠা' ঠেঙ্গাল কছাৰীসকলৰ সামাজিক বান্ধোনৰ অন্যতম প্ৰধান হোতা। প্ৰতিটো সামাজিক অনুষ্ঠান, যেনে – বিয়া-সবাহ, দহা-কাজ, জগৰ ভঙা আদিত এই বুঢ়ামেঠাই নিৰ্ণায়ক ভূমিকা লৈ অহাৰ লগতে ৰীতি-নীতি লোকাচাৰ আদিৰো আঁত ধৰি আহিছে। বুঢ়ামেঠাক ভৰসা কৰিহে গৃহস্থই যিকোনো সামাজিক অনুষ্ঠান পাতিবলৈ আগবাঢ়ে। ই ঠেঙ্গাল কছাৰী সমাজৰ প্ৰাথমিক স্তৰৰ জাতীয় প্ৰশাসনিক

স্তম্ভ। বিহু মাৰিবৰ আগতে ডেকা-গাভৰুহঁতে বুঢ়ামেঠাক সম্বোধি এনেদৰে গায় —

*পহু চেলাবৰে দবুৰা কটাৰী*
*গৰু চেলাবৰে মিত্,*
*গাঁৱৰ বুঢ়ামেঠা দায় নধৰিবা*
*গাই যাওঁ বিহুৰে গীত।*

ঠেঙ্গাল কছাৰী সমাজত ডেকা-গাভৰুৱে একেলগে বিহু মৰাটো নিষেধ। পুৰুষসকলৰ পৰা আঁতৰি গাভৰু আৰু মহিলাসকলে বেলেগে বেলেগে বিহু মাৰে। মহিলাসকলৰ মাজত শুনিবলৈ বেয়া অথচ প্ৰচলিত শব্দচয়নৰ বিহুনামো আছে। সেয়ে পুৰুষ বা ডেকাল'ৰাই তেনে বিহু শুনিবলৈ যোৱা আৰু চোৰাতো একপ্ৰকাৰ জগৰেই। মহিলাসকলৰ মুখে মুখে চলি অহা বিহুগীতবোৰত তাৰেই ইংগিত দিয়া হৈছে এনেদৰে–

*মেঘে গিজ্‌গিজালে কাৰৈ মাছ ওলালে*
*ধৰি আন খৰিকাত দিওঁ,*
*আমাৰ বিহুতলীত ডেকাল'ৰা উজালে*
*ধৰি আন ফাটেকত দিওঁ।*

মদ আৰু জনজাতীয় সমাজ এক এৰাব নোৱাৰা সম্পৰ্ক। ঠেঙ্গাল কছাৰীৰ প্ৰতিটো উৎসৱ অনুষ্ঠানত ইয়াৰ প্ৰচলন আছে। মদক তেওঁলোকে 'হেৰেকা' বোলে। ঘৰলৈ অহা অতিথিক মদেৰে আপ্যায়ন কৰাটো নিয়ম। অকল অতিথিকেই নহয় কোনোবা গাভৰুৱে মনে বিচৰাজনক এবাটি হেৰেকো যাচি মন ভুলাবলৈ চেষ্টা কৰে। লগতে বৰা, লাহি চাউলৰ মদৰ সোৱাদ কেনে হয় তাকো নামত প্ৰকাশ পাইছে এনেদৰে —

*কেনৈ খুৱালি বগা মদ এবাটি*
*কেনৈ ভুলালি মন,*
*বৰাধানৰ হেৰেকা খাবলৈয়ে মিঠা*
*শালিধানৰ হেৰেকা টান।*

যান্ত্ৰিক সভ্যতাৰ অন্যতম নিদৰ্শন হ'লেও অসমৰ জনজীৱনৰ লগত ৰেলগাড়ীখনৰ এক এৰাব নোৱাৰা সম্পৰ্ক। সমাজ জীৱনৰ বহুখিনি কথাই কৈ যায় ৰেলগাড়ীখনে। উজনি অসমৰ ৰেল আলিয়ে স্পৰ্শ কৰি যোৱা ঠাইবোৰত ৰেলগাড়ীক লৈ অনেক যোজনা, বিহু নাম সৃষ্টি হৈছে, সৃষ্টি হৈছে বহুতো জনপ্ৰিয় সাহিত্যৰ। এই ৰেলগাড়ীখনৰ চকাৰ শব্দ আৰু উকিয়ে বহুতৰে হৃদয়ত তুলি যায় মৃদু শিহৰণ —

*উকিয়াই উকিয়াই ৰেলগাড়ী চলিলে*
*গোদামৰ মুখলৈ চাই,*
*একেটা উকিতে চিনামৰা পালেগৈ*
*খাবলৈ তৰণি নাই।*
*চিৰিপাটৰ ওপৰে ৰেল চলে দুপৰে*
*মেলেঙতে গধূলি হ'ল,*
*উঠি যাম উঠি যাম বাটে চাই আছিলোঁ*
*চেলেঙত ৰ'বৰে নহ'ল।*

বিয়ানামৰ মাজেৰেও সমাজ জীৱনৰ বিভিন্ন দিশ উন্মোচিত হয়। মাক-জীয়েকৰ মৰ্ম স্নেহ, শাহু-বোৱাৰীৰ সম্বন্ধ আদিৰে এই গীতবোৰ জীপাল হৈ থকাৰ উপৰিও গুৰু ভক্তি, পতি ভক্তিৰ উপদেশ নিহিত হৈ থাকে। লগতে থাকে সমাজ জীৱনৰ ভিন্ন ডুখৰীয়া ছবি।

*"শহুৰে বৰঘৰ দাতৰি ওলোৱা*
*চাপৰি চাপৰি যাবা,*
*ৰজাই ভেটা দিয়া ঠেঙ্গালৰ পাগুৰি*
*এলান্ধু লাগিব চাবা।*
*লাগিলে লাগিব কলিয়া এলান্ধু*
*শহুৰৰ জীয়েকে ধুব,*
*শহুৰৰ জীয়েকে নোধোঁও বুলি ক'লে*
*ধোবালৈ বাতৰি দিব।*

*বৰঘৰ সোমালে ভালকো কৰিলে*
*কেইখন কিহেৰে খালা,*

*মাছ পাতত দিয়া অকণমান পাবাগৈ*
*পচলা খৰিকাত দিয়া।"*

বিবাহ কাৰ্য সম্পন্ন হৈ যোৱাৰ পিছত দৰা-কইনাক ৰঘৰলৈ নি কেইবাটাও নীতি-নিয়ম পালন কৰা হয়। এই নিৰ্দিষ্ট সময়তেই এই নামফাকি আয়তীসকলে দৰাক উদ্দেশ্যি গায়। জনজাতীয় মানুহৰ বৰঘৰ এটি কেনেধৰণৰ হ'ব পাৰে তাক ইয়াত প্ৰকাশ পাইছে। প্ৰকাশ পাইছে ঠেঙ্গাল কছাৰীৰ বিয়াত দৰাই পৰিধান কৰা পাগুৰিৰ বিষয়ে। মুগাৰ চোলা চুৰীয়াৰ লগতে এটি বিশেষ পাগুৰিও দৰাই পিন্ধে।

চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ বুধবাৰে ঠেঙ্গাল কছাৰী সকলে তৰা ছিৰা বিহু উদ্‌যাপন কৰে। প্ৰতি বছৰে এই নিৰ্দিষ্ট দিনটোত তৰা ছিৰা বিহু, কৰ্মসূচীৰে মূল ব্যক্তিজনে যাক কোৱা হয় গীতঘাই – তেখেতৰ নেতৃত্বত গাঁৱৰ আদহীয়া, প্ৰৌঢ়, ডেকা সকলো লগলাগি ক'ত হালি জালি থকা তৰাণি আছে আলচ কৰি তৰা বিচাৰি যায়। পিতনি, গেৰেকনি, নৈ বা বিলৰ পাৰত তৰা ছিৰে। তৰা ছিৰাৰ আগতে দায়-দোষৰ পৰা হাত সাৰিবলৈ প্ৰথমে বিল বা তৰাগছ গজা জলাশয়ত পূৰ্বপুৰুষ/ ইষ্ট দেৱতাক স্মৰণ কৰে।। তৰা চিঙিবলৈ যাওঁতে গোৱা গীত —

*"বগীদৈ বিলৰ পৰা তৰা কাটি আনিলোঁ*
*তৰাজৰী বনামে বুলি*
*চিটি চিটি কৰি তৰা ছিৰি গ'লো*
*ঐ ৰংদৈ ৰহিমলা.......*
*ৰিচিপৌ চিপৌ হুৰুহ হুৰুহ হেই।"*

এই গীতবোৰৰ বাদেও অন্য কেতবোৰ ফকৰা-যোজনা, খণ্ডবাক্যতো ঠেঙ্গাল সমাজ জীৱনৰ প্ৰতিফলন ঘটে। কিছুমান বিশেষ সময়ত বিশেষ অৰ্থত এইবোৰৰ প্ৰচলন হৈ আহিছে। যেনে–

*"কলিয়াবৰতে পৈয়েক মৰিলে,*
*ঢেঁকী দিওঁতে মনত পৰিলে।*
*বৰাৰ ঘৰৰ তৰাৰ আতি,*
*বৰা থাকিব কেইৰাতি।*
*ধিনদাওঁ বগৰী পাত,*
*এইফালে নাহিবি ফুকনৰ টেকেলা*
*চেলেং চাদৰ নায়ে গাত।"*

বৰ্তমান ঠেঙ্গাল কছাৰীসকলৰ সমাজ জীৱন বহু পৰিমাণে পৰিৱৰ্তন হৈছে। সৰ্বদা শান্তিপ্ৰিয় হৈ থাকি ভালপোৱা ঠেঙ্গাল কছাৰী লোকসকলৰ জীৱন যাপন প্ৰণালী আন জনজাতিবোৰতকৈ উন্নতমানৰ, তদুপৰি জনজাতীয় সংকীৰ্ণ মনোভাৱৰ মাজতো তেওঁলোক আৱদ্ধ নহয়। সেয়ে ঠেঙ্গাল কছাৰী অধ্যুষিত প্ৰায়বোৰ ঠাইতেই অন্য জাতি, জনগোষ্ঠীৰ লগত ঠেঙ্গালসকলৰ ঘনিষ্ঠতা দেখিবলৈ পোৱা যায়। তথাপি তেওঁলোকৰ স্বকীয়তাত ইয়াৰ প্ৰভাৱ পৰা দেখা নেযায়, পৰম্পৰগত ধৰ্ম বিশ্বাস, দৈনন্দিন জীৱন-যাপন প্ৰণালীত লুকাই আছে স্ব-গোষ্ঠীয় বৈশিষ্ট্যৰাজি। ঠেঙ্গাল কছাৰী লোকসকলৰ মাজত জীৱনৰ নিখুঁত প্ৰতিচ্ছবি পাবলৈ হ'লে জনগোষ্ঠীটোৰ জীৱনশৈলীৰ ওপৰত আৰু অধিক সূক্ষ্ম অধ্যয়নৰ প্ৰয়োজন হ'ব।

***(বিঃ দ্ৰঃ –নিবন্ধটিত সন্নিবিষ্ট যোজনা, বিহুনাম, বিহুগীত, বিয়ানাম ঠেঙ্গাল জনগোষ্ঠীৰ শ্ৰদ্ধাৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ পৰা সংগ্ৰহ কৰা হৈছে।)***

❖

# ‘ডায়েট’, যোৰহাট, তিতাবৰত
# বি.এড. প্ৰশিক্ষণৰ মিঠা অনুভৱ

*কবিতা বৰুৱা*
বি.এড., চতুৰ্থ যান্মাসিক

**এগৰাকী শিক্ষয়িত্ৰী হিচাপে** শিক্ষাৰ জগতখনত প্ৰতিদিনে নতুন নতুন অভিজ্ঞতা লাভ কৰাৰ সুযোগ পাওঁ। কিন্তু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET), যোৰহাট, তিতাবৰত লাভ কৰা বি.এড. ডিগ্ৰীৰ প্ৰশিক্ষণ মোৰ জীৱনৰ এক বিশেষ আৰু স্মৰণীয় অভিজ্ঞতা।

এই প্ৰশিক্ষণে মোক কেৱল শিক্ষাদানৰ কৌশলেই শিকোৱা নাই, বৰঞ্চ এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী হোৱাৰ বাবে প্ৰয়োজনীয় দায়িত্ববোধ, সৃজনশীলতা আৰু আত্মবিশ্বাস বৃদ্ধি কৰিছে। পাঠ পৰিকল্পনা প্ৰস্তুত কৰা, আধুনিক শিক্ষণ পদ্ধতিৰ প্ৰয়োগ, ছাত্ৰ-ছাত্ৰীৰ মনস্তত্ব বুজি পোৱা আদি বহু বিষয়ৰ ওপৰত গভীৰ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছোঁ।

প্ৰশিক্ষণকালীন সময়ত প্ৰৱক্তাসকলৰ স্নেহ, দিক্-নিৰ্দেশনা আৰু উৎসাহে প্ৰতিটো মুহূৰ্তক অধিক অৰ্থপূৰ্ণ কৰি তুলিছিল। লগতে বিভিন্ন বিদ্যালয়ৰ পৰা অহা সহপাঠী শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু ছাত্ৰ-ছাত্ৰী প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মন বিনিময় আৰু অভিজ্ঞতা ভাগ-বতৰা কৰাৰ সুযোগে মোৰ জ্ঞানৰ পৰিসৰ অধিক বিস্তৃত কৰিছিল।

জিৰণি সময়ত ‘DIET’ৰ ওচৰত থকা আমাৰ মামাৰ দোকানত মৰা আড্ডাবোৰ, মনালিছা, দীপা, ৰঞ্জুমণিৰ বাইদেউসকলৰ লগত টিফিন ভগোৱা আদি বিভিন্ন ঘৰুৱা কথা-বতৰা পতাৰ কথা মনত পৰিলে এক মিঠা অনুভৱে হৃদয় ভৰাই তোলে। বিশেষকৈ তেওঁলোকৰ লগত ডিব্ৰু-চৈখোৱা, অৰুণাচলৰ নামচাইলৈ শিক্ষামূলক ভ্ৰমণত যোৱা মুহূৰ্তবোৰৰ ৰসাল স্মৃতিয়ে মনবোৰ আজিও আনন্দৰে ভৰাই তোলে।

মই বিশ্বাস কৰোঁ, DIET যোৰহাট, তিতাবৰত লাভ কৰা এই মূল্যবান প্ৰশিক্ষণে মোক এগৰাকী অধিক দক্ষ, সচেতন আৰু দায়িত্বশীল শিক্ষয়িত্ৰী হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই মিঠা স্মৃতিবোৰ সদায় মোৰ কৰ্মজীৱনৰ অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব।

❖

# সহজলভ্য বন দৰবৰ গুণ

✍ *(সংগ্ৰাহক) মুকুল চন্দ্ৰ মহন্ত*
বি.এড., চতুৰ্থ যাণ্মাসিক
(ৰোল নং ঃ ১৬, বৰ্ষ ঃ ২০২৪–২০২৬)



**'Nature is Medicine'.** প্ৰকৃতিৰ যিমান গছ-গছনি, উদ্ভিদৰ প্ৰজাতি আছে, প্ৰত্যেকৰে একো একোটা ঔষধি গুণ আছে। বনৌষধি আয়ুৰ্বেদ শাস্ত্ৰৰ অন্তৰ্গত। ই হৈছে ভাৰতীয় প্ৰাচীন চিকিৎসা বিজ্ঞান। ইয়াত দেহ, মন আৰু আত্মাৰ সমন্বিত স্বাস্থ্যক গুৰুত্ব দিয়া হৈছে। মানুহৰ দেহত বাত, পিত্ত আৰু কফ নামৰ তিনিধৰণৰ দোষ (ত্ৰিদোষ) থাকে। এইবোৰৰ সঠিক সমতাৰ ফলত স্বাস্থ্য ভাল থাকে আৰু অমিল হ'লেই ৰোগে জন্ম লয়।

আয়ুৰ্বেদ শাস্ত্ৰত চিকিৎসা লগতে খাদ্যাভ্যাস, ব্যায়াম, যোগ, ধ্যান আদি সমগ্ৰিক জীৱন শৈলীকো স্বাস্থ্য অংশ হিচাপে ধৰা হৈছে। ঔষধ হিচাপে মূলতঃ গছ-গছনি, গুটিকা, মূল, ছাল আদি প্ৰাকৃতিক বস্তু ব্যৱহাৰ কৰা হয়।

আয়ুৰ্বেদৰ উৎপত্তি প্ৰায় পাঁচহেজাৰ বছৰৰ পূৰ্বে ভাৰতত হৈছিল বুলি বিশ্বাস কৰা হয়। বিশেষকৈ অথৰ্ব বেদত আয়ুৰ্বেদ চিকিৎসাৰ বিধান পোৱা যায়।

**বিভিন্ন ৰোগৰ বাবে সহজলভ্য বনৌষধি আৰু তাৰ গুণ ঃ**

### (১) হালধি (Turmeric)

ইয়াত Curcumin নামৰ এবিধ ৰাসায়নিক পদাৰ্থ থাকে, যিয়ে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। Antioxidant হিচাপে কাম কৰে। জণ্ডিচ, যকৃৎ সমস্যা, পাচন শক্তি বৃদ্ধি কৰা, ছালৰ ৰোগত ইয়াক ব্যৱহাৰ কৰা হয়।

### (২) আদা (Ginger)

*গুণ ঃ* পাচন শক্তি উন্নত কৰে, ৰক্ত সঞ্চালন বৃদ্ধি কৰে, অজীৰ্ণ, অৰুচি, বমি, বায়ু ৰোগ (flatulence) আদিত ইয়াক ব্যৱহাৰ কৰা হয়।

### (৩) তুলসী (Tulsi)

*গুণ ঃ* কাহ, কফ, পিত্তনাশক, শ্বাস-প্ৰশ্বাসৰ সমস্যা কমায়। কাহ, কফ, জ্বৰ, অজীৰ্ণ, অৰুচি ইত্যাদি ৰোগত ইয়াক ব্যৱহাৰ কৰা হয়।

### (৪) নীম (Neem)

*গুণ ঃ* ৰক্ত শোধক, চৰ্মৰোগ নাশক। ছালৰ বিভিন্ন ৰোগ, কটা-চিঙা, খহু, খজুৰতি, ডায়েবেটিছ, পেটচলা (Diarhoea), অৰুচি (loss of appetite), কৃমি (Thrad worm) ইত্যাদি ৰোগত ইয়াক ব্যৱহাৰ কৰা হয়।

### (৫) বেল

*গুণ ঃ* বিভিন্ন পেটৰ ৰোগ, গ্ৰহণী-অৰুচি নাশক, অজীৰ্ণ নাশক, পেটচলা আদি ৰোগ নাশক।

### (৬) গোলনেমু

*গুণ ঃ* পেটৰ ৰোগ যেনে, পেট চিকুট মাৰি ধৰা, কৃমি, চৰ্বি নাশক হিচাপে ব্যৱহাৰ কৰা হয়।

ছালৰ ৰোগ, অজীৰ্ণ, অৰুচি, পেটচলা, পেটৰ চৰ্বি কমোৱা, কৃমি নাশ কৰিবলৈ, গেছ,

এছিডিটি ৰোগত ইয়াক ব্যৱহাৰ কৰা হয়। ৰক্তচাপ নিয়ন্ত্ৰণ কৰিবলৈও ইয়াক ব্যৱহাৰ কৰা হয়।

**কেইটামান ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ তলত উল্লেখ কৰা হৈছে ঃ**

## (১) অম্ল (Acidity)

(i) মৌৰ লগত আমলখিৰ ৰস এই ৰোগত সৰ্বশ্ৰেষ্ঠ প্ৰাকৃতিক দৰব।

(ii) কাজিনেমুৰ ৰস গৰম পানীৰ লগত ৰাতিপুৱা খালী পেটত খাব লাগে।

## (২) অৰুচি (Loss of appetite)

(i) তিনিটা জালুক পিহি তাত সামান্য নিমখ মিহলি কৰি দিনটোত তিনিবাৰকৈ খালে অৰুচি সম্পূৰ্ণ আৰোগ্য হয়।

(ii) পানীত নেমুৰ ৰস মিহলি কৰি খোৱা উপকাৰী।

(iii) আমলখি খাব লাগে।

## (৩) যকৃত ৰোগ (Liver Diseases)

(i) কেঁচা বা পকা অমিতা খাব লাগে।

(ii) কলডিল পাৰ মাংসৰ সৈতে ভাজি খালে যকৃত ৰোগ ভাল হয়। উচ্চ ৰক্তচাপত ই নিষিদ্ধ।

(iii) আমলখি খাব লাগে।

## (৪) জণ্ডিচ ৰোগ (Jaundice)

(i) কেঁচা হালধি ৰস খাব লাগে।

(ii) কুঁহিয়াৰৰ ৰস খাব লাগে।

(iii) এগিলাছ পানীত কাজিনেমুৰ ৰস মিহলি কৰি খাব লাগে।

## (৫) ৰক্তহীনতা (Anaemia)

(i) গোলনেমুৰ ৰস একাপত আধা কাপ পানী মিহলি কৰি খাব লাগে।

(ii) কেঁচা পিয়াঁজ খালে তেজ বৃদ্ধি হয়।

(iii) মৌৰ ৰস খাব লাগে।

## (৬) উচ্চ ৰক্তচাপ (High Blood Pressure)

(i) কেঁচা নহৰু ২ টাকৈ দৈনিক ভাতত দি একেৰাহে এক/ডেৰ মাহ খালে উচ্চ ৰক্ত চাপ স্বাভাৱিক অৱস্থালৈ আহে।

(ii) কেঁচা আমলখি খাব লাগে।

(iii) বিলাহী ৰস খোৱাটো ভাল।

(iv) চজিনাৰ কুঁহিপাত আঞ্জা কৰি খাব লাগে।

## (৭) হৃদৰোগ (Heart Disease)

(i) অৰ্জুন গছৰ ছালৰ ৰস খালে হৃদৰোগ ভাল হয়।

(ii) দিনে দুটাকৈ আপেল খাব লাগে।

(iii) আমলখি খাব লাগে।

(iv) নিতৌ লং ৬/৭ টা খাব পাৰিলে ভাল।

(v) মাটি দাইল দুদিনত এবাৰকৈ খাব লাগে।

(vi) গৰু গাখীৰৰ দৈ উপকাৰী।

## (৮) কাহ (Caugh)

(i) হালধি ৰসত মৌ মিহলি কৰি খাব লাগে।

(ii) তুলসী সুপথ্য।

## (৯) অকালতে চুলি পকা

(i) জেতুকাৰ পাত **১৫** গ্ৰাম, আমলখি **৭/১০** টা পিহি জাৰ্চি গাইৰ গাখীৰত মিশ্ৰণ কৰি এঘণ্টা চুলিত লগালে পকা চুলি ক'লা হয়। পিছত কুহুমীয়া পানীৰে ধুই পেলাব লাগে। এনেদৰে সপ্তাহত দুবাৰ ব্যৱহাৰ কৰিব লাগে।

(ii) ৰঙা জবা ফুল চুলিত সানিব লাগে।

(iii) তিল ৫০ গ্ৰামকৈ সদায় খাব লাগে। চুলি ক'লা হোৱাৰ উপৰিও দীঘল আৰু সুন্দৰ হয়। তিলৰ তেল ব্যৱহাৰ কৰাও ভাল। ❖

**উৎস ঃ** (i) **সহজলভ্য বন দৰবৰ গুণ**
— *ড° গুণাৰাম খনিকৰ*
(ii) Chat GPT

# The Student Zen

## Why Meditation is your Secret Academic Weapon ?

✍ *Gaurav Gogoi*
4th Semester

**Between constant notifications,** academic pressure, and looming deadlines, a student's mind rarely gets a real break. We spend years preparing for carreers and exams, but we often forget to train the mind itself. Meditation isn't just a wellness trend - it's a practical, high-performance tool for academic success.

Modern students life keeps the brain in "high alert", triggering stress, anxiety, and mental fatigue. Overtime, this leads to burnout and poor concentration. Meditation works like a reset button. By focusing on the present moment, often through simple breathing, you calm your nervous system, reduce stress hormones, and clear mental clutter. The result is sharper thinking and better decision-making.

Think of attention as a muscle. Everytime your mind wanders and you gently bring it back, you strengthen your focus. With regular practice, you can absorb complex informnation more easily, retain facts during high pressure exams, and ignore distractions in a noisy environment. Focus becomes a skill, not a struggle.

Meditation also builds emotional resilience. Students life is full of highs and lows, from success to disappointment. Meditation creates a small gap between what happens and how you react, allowing you to respond calmly instead of being overwhelmed by stress or self doubt. Just like a laptop needs a reboot to function well, your brain needs moments of stillness. Silence is not wasted time instead its where clarity, focus, and confidence grow.

❖



# SPORTS AS A SUCCESSFUL CAREER FOR STUDENTS

✍ ***Queen Kumar Thengal***
*H.M. (i/c)*
*Titaram Bordoloi High School*
*Na-Ali Dhekiajuli, Titabar*

**In today's competitive world,** students are often encouraged to pursue traditional careers in fields like medicine, engineering, NDA, business, etc. However, for many students, a career in sports can be a rewarding and lucrative option. In recent years, the world of sports has undergone a significant transformation, evolving from a mere recreational activity to a lucrative career option for many. For students, pursuing a career in sports can be a thrilling and rewarding experience, offering a unique blend of physical activity, competition, and personal growth. With the growing popularity of sports globally , the industry has expanded, creating numerous opportunities for students to turn their passion into a profession.

## Benefits of a Sports Career :

A career in sports offers several benefits, such as :

**1. Personal fulfillment:** - Pursuing a career in sports allows students to combine their passion with their profession, leading to a sense of purpose and fulfillment.

**2. Diverse career options.** The sports industry encompasses various roles, such as athlete, coach, sports manager, sports journalist, and sports therapist, providing students with a range of career paths.

**3. Job security and growth:** The sports industry is growing rapidly, with increasing demand for professionals in areas like sports management, marketing, and broadcasting.

**4. Opportunities for advancement:** With hard work and dedication , students can advance to leadership positions or start their own sports-related businesses.

### Career Paths in Sports

Some potential career paths for students in sports includes :

**1. Professional athlete:** Students with exceptional athletic abilities can pursue careers as professional athletes in various sports.

**2. Sports Coaching :** Students can become coaches, trainers, or mentors, sharing their expertise and passion with others.

**3. Sports management:** Students can work in sports management, handling tasks like event planning, marketing, and team administration.

**4. Sports journalism:** Students can pursue careers in sports journalism, reporting on sports news, events, and athletes.

**5. Sports therapy and fitness :** Students can work as sports therapists, trainers, or fitness instructors, helping athletes prevent and recover from injuries.

**6. Sports video-analyst:** - Students can work as an video analyst and achieve success.

**Preparing for a Sports Career :**

To succeed in a sports career, students should :-

**1. Develop their skills:** Focus on building their athletic, coaching, or sports-related skills through training and practice, also doing video-analyst, physiotherapist etc.

**2. Gain experience:** Participate in sports-related activities, internships, or volunteer work to gain hands-on experience.

**3. Network:** Connect with professionals in the sports industry to learn about opportunities and best practices.

**4. Stay updated :** Students should always try to keep up-to-date with industry trends, news, and developments to remain competitive.

**Education and Training :**

To build a successful sports career, students need to acquire the necessary education and training. Many universities and colleges offer degree programs in sports-related fields, such as sports management, sports science, and sports journalism. These programs provide students with a solid foundation in sports theory, business, and marketing, preparing them for various roles in the sports industry.

Sports play a significant role in shaping an individual's personality, skills, and character

Few ways sports can impact an individual are:

**Personality Development:**

**1. Confidence and Self-Esteem:** Sports participation can boost confidence and self-esteem, especially when individuals achieve their goals or overcome challenges.

**2. Discipline and Time Management:** Sports require a structured schedule, teaching individuals to prioritize tasks, manage time effectively, and develop discipline.

**3. Resilience and Perseverance:** Sports help individuals develop coping mechanisms for dealing with setbacks, failures, and injuries, fostering resilience and perseverance.

**4. Teamwork and Communication:** Team sports promote collaboration, communication, and mutual respect among teammates, essential skills for personal and professional life.

**Skill Development :**

**1. Physical Skills:** Sports improve physical fitness, coordination, and motor skills, contributing to overall health and well-being.

**2. Strategic Thinking:** Sports require strategic planning, problem-solving, and adaptability, developing critical thinking skills.

**3. Leadership and Decision-Making:** Sports provide opportunities for individuals to take on leadership roles, make decisions, and develop leadership skills.

**4. Emotional Intelligence:** Sports help individuals develop emotional awareness, regulation, and expression, essential for personal and professional relationships.

**Character Building:**

**1. Sportsmanship and Fair Play:** Sports promote values like fair play, respect for opponents, and graciousness in victory or defeat.

**2. Accountability & Responsibility:** Athletes learn to take responsibility for their actions, teammates, and performance.

**3. Coping with Pressure:** Sports help individuals develop coping mechanisms for managing pressure, stress, and anxiety.

**4. Goal Setting and Achievement:** Sports encourage individuals to set and work towards goals, developing a growth mindset and motivation.
Few successful sports characters in different disciplines from Assam :-

1. Lovelina Borgohain built her career in boxing.
2. Hima Das in athletics.
3. Jayanta Talukdar in Archer.
4. Riyan Parag in cricket.
5. Nayanmoni Saikia in Lawn ball.etc.etc.

**Conclusion :**

A career in sports can be a rewarding and successful option for students who are passionate about athletics and the sports industry. With various career paths available, students can choose roles that align with their skills, interests, and strengths. By developing their skills, gaining experience, and networking, students can set themselves up for success in the sports industry. As the sports industry continues to grow and evolve, it is an exciting time for students to pursue careers in this field.

❖

# QUIZ

1. What is the name for the tiny, plastic or metal oheath found on the ends of shoelaces ?

**Ans :** An aglet.

2. What was the original name of the clothing company Nike before it was changed in 1971 ?

**Ans :** Blue Ribbon Sports

3. Who was the only U.S President to deserve more than two terms in office ?

**Ans :** Franklin D. Roosevelt

4. Which ancient document issued by King John of England in 1215, established for the first time that the king and his gouernment were not above the law ?

**Ans :** The Magna Carta

5. Which flower is often called the 'corpse flores' ?

**Ans :** Rafflesia Arnddii

6. Which treaty officially ended World War I, signed in 1919 ?

**Ans :** The Treaty of Versailles.

7. Name the phenomenon due to which hot water freezes faster than cold water ?.

**Ans :** Mpemba Ieeffet

8. Name the ship that rescued the surviving passengers of the titanic.

**Ans :** The Carpathia

9. Name the secret projet that developed the first atomic bombs.

**Ans :** The Manhattan Project.

*Colletted by*
***Tonmoy Mahanta***
B.Ed (2nd Sem)
2025-27

গল্প

# জোনাক

✍ *মানসী নেওগ*
বি.এড. (২০২৩–৩৫ বর্ষ)
প্ৰাক্তন প্ৰশিক্ষাৰ্থী



**মই তধা লাগি চাওঁ মানুহজনীলৈ।**
ৰাতিপুৱাৰ পৰা শোৱা পাটিলৈ যোৱালৈকে দেও পাৰি ফুৰে মানুহজনী। ক'লা ধঁপাতেৰে চুণ এসোপা পাণ এখনত সানি তামোল এফাল অনবৰতে মুখত লৈ পাগ উঠাই থাকে তেওঁ। মুখত তামোলৰ পাগ উঠোৱাৰ ধৰণ দেখিলেই মই বুজি পাঁও তেওঁৰ মনটো। বুকুত কি কঢ়িয়াই তেওঁ তামোলটো কাটিছে মই উমান কৰিব পাৰোঁ। নোৱাৰিমেইনো কিয়! যোৱা বাৰটা বছৰে মই মানুহজনীৰ সৈতে আছোঁ। সুখৰ সময়তো, দুখৰ সময়তো। হাঁহি এটা যদি মাৰিছোঁ মানুহজনীৰ সৈতেই মাৰিছোঁ, কান্দিছোঁ যদিও মানুহজনীৰ সৈতেই কান্দিছোঁ। তথাপি যেন মানুহজনী কোনোবা মুহূৰ্তত ৰহস্য হৈ পৰে মোৰ বাবে।

ঃ 'কি অঁকৰা লাগি চাই আছ? বৰষুণ দিছে দেখা নাই! যা, খৰি দুচটা আগফালৰ চোতালত আছে। ভৰাই থহি।'

মই উচপ খাই উঠিলো। দৌৰি যোৱাদি আগ চোতাললৈ গৈ খৰিখিনি জাপি একেবাৰতে ভিতৰলৈ আনিবলৈ চেষ্টা কৰিলো। যথেষ্ট গধুৰ। মায়ে কোৱাৰ দৰে দুটা নহয়। বহুখিনি। দুৱাৰৰ ভিতৰলৈ আনি পাকঘৰ পোৱালোহি। একেহাতে জুইশালৰ জুইকুৰা ধৰি ল'লো। পিছফালৰ বাৰান্দাৰ পৰা মই মাক বিচাৰিলোঁ। ক'ত বা গ'ল। বৰষুণজাকো ঘন হৈ আহিছে। পুখুৰীটোৰ পাৰেৰে পিছফালৰ পথাৰডৰালৈ চাই পঠিয়ালো মই। মূৰত জাপি এটা লৈ এৰাল দিয়া গৰুজনী টানি টানি আহি আছে তেওঁ।

ঃ 'বৰ দান্‌মান্ কৰে বৰষুণজাকে। পকাধানৰ ওপৰত এজাক পৰিবই পৰিব। নহলে শান্তি নালাগে। চাচোন বাৰু, গোটেই পায়জামখিনি অহা সপ্তাহও ভৰপক দিলেহেঁতেন, এতিয়া বৰষুণজাক সৰিবলৈ ৰৈ আছে!' — মুখখনেৰে বকি বকি গোহালিত গৰুজনী বান্ধিলে। পোৱলীটো এবছৰীয়া। বতৰ ডাৱৰীয়া আছিল বাবে তাক আজি মাকৰ লগত নিদিলেগৈ। গোহালিতে আছিল। মাকক পাই চিঞৰিবলৈ ধৰিলে। মই চাই আছিলোঁ। মায়ে মোৰ সন্মুখতেই ছাগলী গড়াল বান্ধিলে। হাঁহ-কুকুৰাৰ গড়ালত দাং মাৰিলে। এইবোৰ কাম মই নকৰোঁ। মা নাথাকিলেহে কৰোঁ। মা থকা অৱস্থাত এইবোৰ

কৰিবলৈ গ'লে অযথা গালি খাব লাগে। মোৰ কাম ভিতৰখন চাফা কৰা। দেউতাই চাকৰি কালতে বান্ধি থৈ যোৱা আগফালৰ 'এল' পেটাৰ্ণক ঘৰখনৰ পকা মজিয়া আইনাৰ দৰে চকচকীয়া হ'ব লাগিব। পিছফালৰ বাৰান্দা আৰু পাকঘৰৰ মজিয়াখন ৰঙা মাটিৰে সমৃণকৈ লেপা হ'ব লাগিব। গেছৰ বাৰ্ণাৰখনত তেল এটোপ, হালধি অকণ ছিটিকি পৰি থাকিব নোৱাৰিব, ভাতখোৱা মেজখন চাফা হৈ থাকিব লাগিব প্ৰতি সময়ত। এইবোৰ কৰি থাকিলে মায়ে ভাল পায়। তামোল পাণ, চূণ-চাধাৰ ডাঙৰ খৰাহীটো হাতে পোৱাকৈ ৰাখিলে ভাল পায়। নিজৰ সৰা চুলিসোপা গোটাই বাটেদি যোৱা চুলি নিয়া ল'ৰাটোৰ পৰা প্লাষ্টিকৰ খৰাহীবোৰ লৈ গোটাই থয়। অনা-অসমীয়া ল'ৰাটোৱে প্ৰতিবাৰেই আক্ষেপ কৰে —

ঃ 'এইকেইডাল চুলিত ডাঙৰ খৰাহী বিচাৰে!'

কেতিয়াবা দিয়ে। কেতিয়াবা নিদিয়ে। মায়ে তাক ওভোতাই পথায়।

ঃ তোৰ বস্তুও নালাগে। মোৰ চুলিও নাপাৰ।'

টকা পঞ্চাশটা মোৰ হাতত গুজি দি কয় -

ঃ 'টাউনলৈ গ'লে মোৰ বাবে খৰাহী এটা লৈ আহিবি। তামোলকেইটা তেনেই আথানি হৈছে পলিথিনটোত।'

মই চাঁও। ঠিকেই আছেচোন। তামোল কেইটাও, খৰাহীটোও। তথাপি আনি দিওঁ। তেওঁ বিচৰা ধৰণেই আচলতে প্ৰতিটো কাম মই কৰিব বিচাৰোঁ। মাহেকে পষেকে মই টাউনলৈ যাওঁ। কাপোৰ চিলোৱা কাম কৰোঁ মই ঘৰতে। বৰ নিচা আছিল সৰুৰে পৰা। এতিয়া পেচা। নিচা থাকিলেহে পেচা কৰিব পাৰি। প্ৰয়োজনীয় বস্তুকেইটা আনিবলৈ টাউনলৈ যাওঁ। যোৱা শনিবাৰেও গৈছিলোঁ। কাপোৰৰ দোকানতে লগ পাইছিলোঁ বিমলক। লম্বোধৰ দদাইটিৰ পুতেক। বিমলেই লগ পাই বতৰা দিছিল মোক ৰমেনৰ।

ঃ 'চাহ এবাটি বনা অ' ৰমা।'

মেচিনৰ কাষৰ পৰা উঠি পাকঘৰত সোমালোঁ।

ৰমা!

ৰমা!

মনোৰমা। মামায়ে দিয়া নাম আছিল মোৰ। মনোৰমা! এইখন ঘৰলৈ অহাৰ পাছত মোৰ নামটো বহুত দীঘল যেন দেখি 'মনো'টো হেৰুৱাই 'ৰমা' হৈছিল। নহয়, নহয়! এইখন ঘৰলৈ অহাৰ আগতেই মোৰ নাম ৰমা হৈছিল। ৰামেনক লগ পাওঁতেই মোৰ নামটো সলনি হৈছিল। মৰমত মাতিছিল সি 'ৰমা'। বেয়া পোৱা নাছিলো মই। ৰমেনৰ লগত মিলি যায় দেখোন। সি মতা দেখিয়েই বিয়া হৈ অহাৰ পাছত সকলোৱে ৰমা বুলি মতা হ'ল। বিয়ানো কি! হায়াৰ ছেকেণ্ডাৰী পাছ কৰালৈকে মাৰ্কশ্বিট চাৰ্টিফিকেটৰ টোপোলাটো বুকুত বান্ধি পিন্ধি থকা ভাগেই গুচি আহিছিলোঁ ৰমেনৰ লগত। সি মোৰ মনত শিপাইছিল। দুখীয়াৰ ঘৰলৈ আহিলি বুলি মা-দেউতাই সেইদিনাই চৰু ধুলে। মই ভাবিছিলোঁ দুদিন বেয়া পালেও মায়ে আঁকোৱালি ল'ব, দেউতাই মাতিব, দাদাহঁতে খবৰ ল'ব। কিন্তু নাই। ইকাণে-সিকাণে খবৰ পালোঁ, মই মৰা কাজহে কৰিবলে বাকী থাকিল। আঁকোৱালি ধৰিছিল সেই সময়ত মোক ৰমেন আৰু ৰমেনৰ মাকে। মুখত তামোল এসোপা লৈ 'কি দেখি আহিলি' বুলি গালি দি থকা ৰমেনৰ মাকক দুদিন পাছত 'মা' বুলি মাতিব পৰা হ'লো। পঢ়া-শুনা তাতে সামৰিলোঁ। ৰমেনৰ পুলিচৰ চাকৰিলৈ মন আছিল। চেষ্টা কৰি আছিল। ময়ো তাক সহযোগ কৰিলো।

ঃ 'আজিকালি অজিত বোলাটো বৰকৈ অহা হৈছে।' — চাহৰ কাপটোত শোহা এটা মাৰিছিলোহে। জিভাখনত বৰকৈ পুৰিলে মোৰ।

ঃ 'সেইদিনা মাকৰ কাপোৰজোৰ নিবলৈ আহিছিল। চাদৰ আৰু ব্লাউজ দি পথালো। আজি মেখেলাখন নিবলৈ আহিছিল।'

ঃ 'মাকজনীও কম নহয়! মেখেলা, পেটিকোট নিবলৈ বাৰে বাৰে ডেকা ল'ৰাটোক পঠিয়াব লাগে নেকি?'

মই একো নামাতিলো। সেইদিনা টাউনত লগ পাওতে বিমলে কোৱা কথা কেইটাও ক'বলৈ আছে। কিন্তু কিবা এটা যেন সোপা সাৰি ধৰিলেহি ডিঙিত। কিমান আৰু কষ্ট খাব এইজনী মানুহে! তেওঁ নকলেও মই জানোঁ। কম যাতনা সহা নাই তেওঁ! নিজৰ মানুহজনৰ পৰা! ল'ৰা-ছোৱালীৰ পৰা! ৰমেনক দূৰ সম্পৰ্কীয় মাহীয়েক এজনীয়ে কৈছিল এদিন।

ঃ 'বাই বুলিহে সহিলে অ'। কাৰণ নোহোৱাকৈ কমখন মাৰ খোৱা নাই ভিনিৰ পৰা। ককাইদেউহঁতে কিমান বাৰ যে নিবলৈ আহিল। কিন্তু নাই। ল'ৰা-ছোৱালী তিনিটা বুকুত সাৰটি বহি থাকিল বাই।'

ঃ 'মাহী, তিনিটা বুলিলে যে!'

ঃ 'তিনিটা আকৌ। তই হবলা গম নাপাৰ?'

মই মূৰ জোকাৰিলোঁ নঞাৰ্থক ভংগীত।

ঃ অ' আই। ৰমেনৰ ওপৰৰটো আলফাত গ'ল।' ফুচ্‌ফুচাই বেৰেও নুশুনাকৈ ক'লে মোক মাহীয়ে।

ৰমেনৰ ককায়েক গজেন। গতি-বিধি ভাল আছিল ল'ৰাটোৰ। পঢ়া-শুনাতো ভাল আছিল। কিন্তু পঢ়ি-শুনি চাকৰি নাপাই ঘৰৰ পৰা ওলোৱা বন্ধ কৰি দিছিল। নিজৰ মাজতে সোমাই থাকে। এদিন ঘৰতে নাইকিয়া হ'ল ৰাতি। সকলো ফালে খবৰ কৰিলে। নাই। নাই যি নাই একেবাৰে নাইকিয়া হৈ থাকিল। ছমাহমানৰ পাছত খবৰ পাইছে আলফা হ'লগৈ। কোনোবাই কোনোবাই টি.ভি.ত দেখিছে। আলফাৰ শিবিৰত বিহু পাতিছে, সি ঢোল বজাইছে। দৌৰি দৌৰি গৈ মাকজনীয়ে জয়ৰামৰ ঘৰত টিভিত আলফা পুতেকক চাই আহিলগৈ। সেইদিনাহে যেন জ্বলিছিল মানুহজনী। বৰ পুতেকৰ ঢোলটো বৰপেৰাত ভৰাই থৈছিল মৰমতে। সেইটো উলিয়াই আনি দেওলগা মানুহৰ দৰে দাখনেৰে কাটি দুচেও কৰিলে। গাঁৱৰ মানুহসোপাই মানুহজনীক ধৰি-বান্ধিও শান্ত কৰিব পৰা নাছিল। বহু সময়ৰ পাছত ৰৈ ৰৈ কান্দিছিল মানুহজনীয়ে। কম ডাঙৰ আঘাট পাইছিলনে মানুহজনীয়ে বুকুত!

ককায়েক আলফা হোৱাৰ বতৰা পাই মাকক শান্তনা দিবলৈ আহিছিল তিনিখন গাঁও পাৰ হৈ বিয়া দিয়া জীয়েক, ৰমেনৰ বায়েক কাঞ্চন। ল'ৰা-ছোৱালী নাই তাইৰ। তিনি বছৰমান হৈছিল বিয়া হোৱা। মাকৰ লগত এসপ্তাহ থাকিল। নিজন ঘৰখনো তাই নধৰিলে নহয়। সেয়ে গুচি গৈছিল মাকক ভায়েকৰ সৈতে গটাই। কিন্তু সেই যোৱাৰ ছমাহমান পাছতে অঘটন ঘটালে। শোৱা কোঠাৰ ফেনখনতে চাদৰত ওলমিল। কোনেও কাৰণ নাজানিলে। শহুৰেকৰ ঘৰৰ মানুহবোৰে কয়, ককায়েকৰ দুখে খুলি খুলি খালে তাইক। সকলোৱে এয়াই ভাবিলে। কিন্তু তিনিমাহ নৌহওঁতেই গিৰিয়েকে আৰু এজনী গোটালে। কাঞ্চনৰ মৃত্যু সাঁথৰৰ দৰে হ'ল। ৰমেনৰ মাকজনী এইবাৰ বলিয়াৰ দৰে হ'ল। তাৰ পিছত মই আহি পাইছোহি এই ৰূপত। সকলোৱে নিজৰ বুলি ভাবিবলৈ এৰি দিলে। আজি বাৰটা বছৰে মানুহজনীয়ে মোক মৰমৰ মাত এষাৰ দি নাপালে। কিন্তু বেয়াকৈও কোনোদিন কৈ পোৱা নাই। তামোল এখন অনবৰতে মুখত সুমুৱাই মানুহজনীয়ে নিজৰ জগততে ডুব গৈ থাকে। মাতষাৰ ভালদৰে এদিনেই দিছিল তেওঁ মোক। হয়। ভালদৰেই মনত আছে মোৰ। ৰমেন গুচি গ'ল বুলি জনাৰ দিনা ৰাতি।

ঃ 'তয়ো মোক এৰি যাবি নেকি ৰমা!' — মই কান্দিছিলো। বহুত সময় কান্দিছিলো মাক সাৰটি। নিজৰ মানুহটোক হেৰুৱাই মনেৰে বিধ্বস্ত হৈ পৰা মই দুহাতেৰে তুলি ধৰিছিলোঁ মাক।

সময়বোৰ বেলেগ হৈ হৈছিল আমাৰ বাবে। সময়বোৰ তেতিয়াই সলনি হৈছিল যেতিয়া ৰমেনে পুলিচৰ চাকৰিটো পাইছিল। ৰমেন গৈছিলগৈ। মনটো মোৰ হাততে থৈ ৰমেনে মাকৰ পৰা আশীৰ্বাদ লৈ টোপোলা বান্ধি গুচি গৈছিল। বিদায়ৰ সময়বোৰ বৰ দুখলগা। কিন্তু দুজনী মানুহে কোনোদিনে ভবা নাছিলোঁ যে এই বিদায়ে আঁতৰাই পথাব পাৰে ৰমেনক আমাৰ পৰা চিৰদিনলৈ।

ৰমেনৰ ট্ৰেইনিং শেষ হৈছিল। তাৰ পাছত পাষ্টিং। ঘৰৰ পৰা অহা-যোৱা কৰিব নোৱাৰাকৈ ডিউটি তাৰ। বাটলে চাই অপেক্ষা কৰোঁ ৰমেন অহালৈ। অপেক্ষাৰ সময়বোৰ বৰ আস্থিৰ হয়। অস্থিৰ সময়বোৰ স্থিৰ হয়। ৰমেন আহে। প্ৰথমতে সঘনাই, পিছলৈ সেৰেঙাকৈ। নহাৰ কাৰণবোৰ ভিন্ন হয়। মই বিশ্বাস কৰোঁ। সন্দেহৰ পোক এটায়ো লাহে লাহে সাৰটি ধৰিলেহি মনত।

ঃ 'তইয়ে দেখোন শিপাই আছ মোৰ বুকুত।'

ৰমেনৰ মৰমৰ আতিশয্যত মই সকলো পাহৰি যাওঁ।

ঃ 'তাক ভালকৈ সুধিবিচোন কথাটো। ছাগলীজনী মই বাৰীত এড়াল দিব যাওঁতেই শুনি আহিছোঁ, ক'ৰবাত চাপিচেগৈ বোলে।'

চাপিচেগৈ!

বুকুত যেন হাতুৰিৰ কোব পৰিল মোৰ। কথাটো হয়। দুদিন পাছত আলিমূৰৰ দোকানখনৰ পৰা বস্তু আনিবলৈ গৈ শুনি আহিলোঁ কথাষাৰ। গাঁৱৰে জানকীয়ে একাষৰীয়াকৈ নি ফুচ্‌ফুচালে —

ঃ বৌৱে পিছে গম পাইছা নে কথাটো?'

মোন বুকুখন ঢুককৈ গ'ল।

ঃ 'কি হ'ল!'

ঃ 'ৰমেন কাইটিয়ে বোলে নতুন বৌ আনিলে!'

তাইৰ মনত উল্লাস! কিবা যেন বন্য! আনৰ দুখত ভোজে-ভাতে খাব পৰা মানুহ ইহঁত।

সঁচাকৈয়ে ৰমেনে বেলেগ এজনী বিয়া পাতিলে। চাপিলেগৈ সি। তেজ-মঙহৰ গভৰু মানুহ এজনী থাকোতেও চাপিলে সি বেলেগ এজনীৰ। ধনী ঘৰৰ। বয়সত তাতকৈ ডাঙৰ। এবাৰ বিয়া হৈ গৈ ঘূৰি অহা। খবৰটো পাই মোৰ ভৰিৰ তলৰ মাটিকণো হেৰাই গ'ল।

ঃ 'তেজত আছে বুজিছ! বাপেকটোও একে আছিল।'

একো নোহোৱা-নজনা যেন দেখুৱাই ৰমেন আহিছিল। মায়ে দা লৈ খেদিলে। মোকো হুংকাৰ দিলে।

ঃ 'খবৰদাৰ। তই যদি তাৰ লগত সতিনীৰ মুখ চাবলৈ যাৱ আৰু ঘূৰি নাহিবি।'

মই ৰৈ গ'লো। মাৰ লগত একেবাৰলৈ।

বহু বছৰ পাৰ হৈ গ'ল এই ঘটনাৰ। নতুন খবৰ আহিছে। বিমলে আনিছে।

ৰমেনৰ সংসাৰ ভাগিছে! শহুৰেকৰ ঘৰৰ পৰা উলিয়াই দিছে। থাকিবলৈ চালি এখন নতুনকৈ যোগাৰ কৰিছে। মনত ৰং লগা নাই মোৰ! বেজাৰো লগা নাই! ৰমেন নামৰ সত্বাটোক প্ৰকৃততে মোৰ দেহ আৰু মনে পাহৰি পেলাইছে।

ঃ 'অজিতৰ মাকক নামঘৰত বৰসবাহত পাইছিলোঁ।'

চিলাই থকা মেচিনটো মই ৰখাই দিলোঁ। অজিতে মন খাইছে মোৰ। মৌজাদাৰৰ অফিচত কাম কৰে সি। কথা বিশেষ নাপাতিলেও বুজি পাঁও। কেতিয়াবাই তাৰ মনটো মোৰ ওচৰত বন্ধকত থৈছে।

ঃ 'মাষ্টৰণী মানুহ। পুতেকলৈ তোক বিচাৰিছে। একো আপত্তি নাই হেনো।'

মই তভক মাৰিলোঁ। কি কম ভাবি নাপালোঁ। কেতিয়াবা যদি পুৰণি কথাবোৰে গা কৰি উঠে!

ঃ 'সেইবোৰ শিক্ষা থকা মানুহ। মনৰ জোখাতকৈ বিবেকক বেছি গুৰুত্ব দিয়ে। অলপো চিন্তা নকৰিবি। সমাজ গোটাই, এসাজ খুৱাই মই তোক বিয়া দিম।'

মই ৰ' লাগি চালো মানুহজনীলৈ। চকুৰ পানীসোপা টপ্ টপ্‌কৈ পৰিছে। একেবাৰে মোৰ কাষত আহি থিয় হোৱা মানুহজনীক মই সাৰটি ধৰিলো। বছৰ বছৰ ধৰি মোক নিৰাপত্তা দি ৰখা এজনী নাৰী......। প্ৰতি সময়ত আৱৰি ৰখা এজনী নাৰী...... মা! কুৰুকি কুৰুকি সোমালো মই তেখেতৰ বুকুত। বৰ মধুৰ এই আলিংগন! বৰ বিশাল এই মাতৃৰ মমতা!

❖

## চেতনাৰ আলোক ঃ মহাত্মা



✍ *অৰূপজ্যোতি কলিতা*
*ডি.এল.এড., দ্বিতীয় ষান্মাসিক*

যুগসন্ধিৰ সেই ধূসৰ ক্ষণত
তুমি থিয় দিছিলা —
কোনো ৰাজকীয় পোছাকত নহয়
বৰঞ্চ এটুকুৰা খদ্দৰৰ মানৱীয় মৰ্যদাৰে।
তোমাৰ দুখোজত কঁপি উঠিছিল
সাম্ৰাজ্যবাদৰ ভেঁটি,
য'ত কামানৰ গৰ্জন পৰাস্ত হৈছিল,
এক মৌন সত্যাগ্ৰহৰ প্ৰশান্তিত।

তুমি শিকাইছিলা —
স্বাধীনতা যে কেৱল
ভৌগোলিক সীমাৰ যুক্তি নহয়।
স্বাধীনতা হ'ল নিৰ্ভয়তাৰ এক চৰম পৰাকাষ্ঠা
যি 'সত্য' তোমাৰ বাবে আছিল ঈশ্বৰ,
সেই সত্যক তুমি বিচাৰিছিলা —
আশ্ৰমৰ চৰ্খাত আৰু
দৰিদ্ৰৰ উৰলি যোৱা হাঁহিত।

আধুনিকতাৰ যান্ত্ৰিক কোলাহলৰ মাজত
তুমি আছিলা এক প্ৰকৃতিৰ সুৰ
যিয়ে হিংসাৰে গৰকা পৃথিৱীৰ আন্ধাৰ
অহিংসাৰে কৰিলা দূৰ।

❖

## শেষ হ'ল নেকি তোমাৰ গান?

✍ **মৃত্যুঞ্জয় বৰা**
*ডি.এল.এড., দ্বিতীয় ষান্মাসিক*



বতাহত ভাহিছে এটি দুখৰ বাতৰি,
সেই বাতৰিত নিমাত আজি প্ৰকৃতি।
কিন্তু মানৱে কৰিছে অস্বীকাৰ।

কোনে কৈছে তুমি নাই! ক'ত নাই?
আছে প্ৰতিজনৰ হৃদয়ত।
আজিওচোন প্ৰতিধ্বনি হৈছে তোমাৰ কণ্ঠ,
ঈশ্বৰৰ মহান সৃষ্টি তুমি
বিলীন হ'বা জানো এই ধৰণীৰ পৰা!
কোমল মনৰ অধিকাৰী, তুমি স্বাভিমানী,
তুমি সাহসী, নিৰপেক্ষ মানৱেই নহয়,
তুমি মহামানৱ!

তোমাৰ কণ্ঠ আজি বাজিছে
আকাশে-বতাহে মুক্ত মনে,
সপ্ত সুৰেও কৰিছে স্বীকাৰ তোমাৰ দাসত্ব।
নিষ্ঠুৰ কালৰ অসহনীয় কৰ্মই
আজি পুৰিছে প্ৰতিজনৰ হৃদয়।

বিচৰাহেঁতেন প্ৰাণৰ প্ৰতিদান,
নিশ্চয় দিলোহেঁতেন আমি প্ৰাণ বলিদান।
তোমাৰ কৰ্মই সকলোকে কৰিলে জয়
তুমি মৃত্যুঞ্জয়........।

❖

# সাম্ভাব্য সূৰ্য্যৰ বাবে

*তৰালী চেতিয়া*
*বি.এড., চতুৰ্থ যান্মাসিক*

চকুৰ পতাত আজিও মোৰ
তোৰেই ছবি
সোণালী শৈশৱৰ এৰি
ঢাপলি মেলিলি তই
কাজলি ভৰাই বুটলি ল'বলৈ দুখৰ বোজা।
হৃদয়ত দেশপ্ৰেমে ৰঞ্জিত কৰি
পিন্ধি লৈ তই ৰণুৱা সাজ
অকালতে কৰিলি জীৱন পাত।
মোহাৰি গ'লনে বাৰু কাৰোবাৰ হৃদয়
তোৰ সাঁচতীয়া সপোনৰ গানে ?
মোৰ উত্তৰণৰ প্ৰতিটো ক্ষণত
মই দেখা পাওঁ
তোৰ জীৱনৰ সোণালী প্ৰত্যয়।
নিতৌ আহিবি তই মোৰ দেশলৈ,
মোৰেই কাষলৈ
তেজেৰে ধোৱা সেই বাটেৰে
তই আহিবি — ক্লেদাক্ত কাহিনী সোঁৱৰাই
আলুলয়িত জনতাৰ হৃদয়ত
চেতনাৰ অঙ্কুৰ গজাবলৈ।
নলে মৰে গজালি ওলাই
তোৰ তেজেৰে কপালত তিলক পিন্ধি
অহৰহ এতিয়া ইয়াত
শিশুহঁতে গাইছে
সাম্ভাব্য সূৰ্য্য দেখাৰ গীত।

❖



# মেৰপাক

*অলিম্পিকা বৰা*
*ডি.এল.এড., দ্বিতীয় যান্মাসিক*
*ৰোল নং ঃ ১*

শব্দবিহীন, ভাষাবিহীন আজি ধৰিত্ৰী
কোলাহলৰ মাজতো মৌনতা!
কোন কাৰ আপোন?
কোন কাৰ পৰ?
এক জটিল সন্ধিক্ষণ
সম্পৰ্কবোৰ যেন থান-বান
আত্মীয়তাত ঘূণে ধৰা
বিশ্বাস আজি থুনুকা, মামৰে ধৰা
মাথোঁ হৃদয়ৰ একোণত কাৰোবাৰ ক্ৰন্দন
ছেদেলি-ভেদেলি বিচাৰ-বিবেচনা
সঘনে সলনি ডাৱৰ, সুৰুযৰ ৰং
সুউচ্চ অট্টালিকাৰ খিল্‌খিলনি
গুৰু-শিষ্যৰ সম্বন্ধও সাঁথৰ আজি
কাৰ পাছত কোন দৌৰিছে?
চাব পৰা নাযায় ঘূৰি
ন্যায়, সত্য আজি শিকলিৰ কান্ধত
সজাগ নহ'লে সচেতন নহ'লে
দেশ যাব দেখোন ভাৱ হয় বন্ধকত।

❖

# The Architects of Tomorrow

✍ **Sangeeta Gogoi**
B.Ed., 4th Semester

Not with bricks, but with words you build,
Not with stone, but with minds you shield.
You carve the unseen, shape the unknown,
Planting seeds where wisdom is sown.

You do not simply pass the flame,
You teach us how to kindle the flame.
Through questions asked and silence kept,
Though lessons given, and thruths well kept.

When doubt appears, you lend us light,
When paths grow dim, you let them bright.
Not by command, but gentle guide,
You walk with knowledge at your side.

Your chalk may fad, your bonds grow clean,
But what you've written remains unseen-
In every choice, in every voice,
In every dream, in every noise.

So here's to you, who shape the skills,
Who teach us not just how, but why.
On this day, we lift our cheer,
For teachers who make the future clean.



❖

# করোঁ নহ'লে ব'ল, আজি আমিও এক সমদল

✍ *হিমাদ্রী তনয়া মহন্ত*
*প্ৰাক্তন প্ৰশিক্ষাৰ্থী*
*জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান*
*যোৰহাট তিতাবৰ*

করোঁ নহ'লে ব'ল, আজি আমিও এক সমদল,
হৃদয়হীন মানুহবোৰ বৰ্বৰ, স্বাৰ্থপৰ।
নুবুজে আজি ইহঁতে মৌনতাৰ ভাষা,
নুশুনে আজি ইহঁতে আমাৰ বুকুৰ বেথা,
স্বাৰ্থপৰ পৃথিৱীত স্বাৰ্থহে প্ৰথম কথা,
ধিক্ ধিক্
ইহঁতৰ মানসিকতা ।

ক'ত কটা নাই ইহঁতে আমাক,
য'তেই দৰকাৰ ত'তেই তহিলং কৰিছে
আমাৰ অস্তিত্ব।
কাটি মাৰি উদং কৰিছে
ধৰণীৰ ভৰুণ সেউজীয়া।
কেনেকৈ ভৰাম আমি ইহঁতৰ মন,
কেনেকৈ বচাম আমি সেউজী বন!

ভ্ৰুক্ষেপ ??
হাঃ তেনেই সন্তীয়া আজি,
কিয় কৰিব ইহঁতে আমাক ভ্ৰুক্ষেপ
আমি যে নিৰ্বাক নিস্তব্ধ।
সেয়ে কৈছোঁ —
করোঁ নহ'লে ব'ল, আজি আমিও এক সমদল।
❖

# আত্মগাঁথা

✍ *নমি চুতীয়া*
*প্ৰাক্তন প্ৰশিক্ষাৰ্থী*
*(২০২৩–২৫ বৰ্ষ)*

লহিয়াবলৈ ধৰা আবেলিৰ বেলি লৈ চাই
এপলক থমকি ৰ'লো।
হেঙুলীয়া হ'ব ধৰা আকাশ
আৰু দুটুকুৰা শুকুলা মেঘ,
পশ্চিমত হেৰাব খোজা বেলিৰ ৰং বিচাৰি
বুকুত সৰি পৰে একোটি তপত হুমুনিয়াহ।
হাৰি হাৰিও জিকিব বিচৰা
মোৰ উতনুৱা মন।
হাতৰ মুঠিত ধৰি ৰাখিব খোজোঁ জীৱনৰ ৰং।
যোগ-বিয়োগ পূৰণ-হৰণ
কৰি কৰিও ভাগৰিব নোখোজা
জীৱনৰ সমীকৰণ।
উভতাই আনিব নোৱাৰা সময়ৰ স'তে
সোঁৱৰণীৰ পাল তৰি
মেলি দিওঁ দিঙাখনি মোৰ ভটিয়নি সোঁতত।
এখোজ আগলৈ দি এবাৰ পাছলৈ ঘূৰি চালে
দুচকুত উলমি থাকে
অৰ্ধ সমাপ্ত দিনলিপিৰ উৰলি যোৱা পৃষ্ঠা,
প্ৰাপ্তিৰ মাজতো অপ্ৰাপ্তিৰ দুঃখ ।
জীৱনৰ ভাগ-দৌৰত
পোৱা নোপোৱাৰ হিচাপৰ মেটমৰা ভাৰ,
ক্ষণভংগুৰ জীৱন পৰিক্ৰমাত
অজস্ৰ তিতা-মিঠা স্বাদত অভ্যস্ত হৈ
মাথোঁ দৌৰিছোঁ
এক স্থায়ী ঠিকনাৰ সন্ধানত । ❖

**STAFF OF**

# DISTRICT INSTITUTE OF EDUCATION & TRAINING

**JORHAT, TITABAR**

**ACADEMIC STAFF**

**Mr. Ananta Gogoi,** *Principal*
**Mrs. Krishna Dutta Deka,** *Sr. Lecturer*
**Mr. Mukul Phukan,** *Sr. Lecturer*
**Ms. Juri Neog,** *Sr. Lecturer*
**Ms. Kalpana Hazarika Gogoi,** *Sr. Lecturer*
**Ms. Rijumoni Payeng,** *Sr. Lecturer*
**Ms. Mandakini Deka,** *Sr. Lecturer*
**Mr. Bikash Pegu,** *Lecturer*
**Mr. Dhruba Jyoti Bora,** *Lecturer*
**Ms. Jyotshna Borah,** *Lecturer*
**Mr. Nipu Sahu,** *Lecturer*
**Ms. Puspanjali Doley,** *Lecturer*
**Mr. Sumit Kumar Thapa,** *Lecturer*
**Dr. Mousumi Baruah,** *Lecturer*
**Ms. Purabi Bora,** *Lecturer*
**Ms. Kabita Hazarika,** *Lecturer*
**Ms. Sita Doley,** *Lecturer*
**Ms. Girimallika Hazarika,** *Lecturer*
**Ms. Anshuma Bordoloi,** *Lecturer*
**Ms. Shyanti Bhattacharyya,** *Lecturer*
**Ms. Sagorika Neog,** *Lecturer*
**Mr. Pankaj Kumar Borah,** *Technician*
**Mr. Sailendra Barman,** *Work Education Teacher*
**Ms. Manamee Khanikar,** *Librarian*
**Mr. Prafulla Das,** *Lab. Assistant*
**Ms. Anamika Saikia,** *Lab. Assistant*

**NON-ACADEMIC STAFF**

**Ms. Bornali Boruah,** *Head Assistant*
**Ms. Julee Gogoi Borah,** *Accountant*
**Mr. Pradip Kumar Das,** *U.D.A.*
**Md. Mahbub Ali,** *U.D.A.*
**Md. Ratul Kumar Saud,** *U.D.A.*
**Ms. Pallabi Khanikar,** *L.D.A.*
**Mr. Kapul Saikia,** *L.D.A.*
**Ms. Jahanabi Saikia,** *L.D.A.*
**Mr. Ranjit Saikia,** *Grade IV*
**Ms. Dipamoni Saikia,** *Grade IV*
**Ms. Pradip Borah,** *Grade IV*

## জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰৰ গৌৰৱ....










## 'ডায়েট', যোৰহাট, তিতাবৰৰ বিভিন্ন অনুষ্ঠানৰ কিছু দৃশ্যাংশ ......



## 'ডায়েট', যোৰহাট, তিতাবৰৰ বিভিন্ন অনুষ্ঠানৰ কিছু দৃশ্যাংশ ......

